
# বিদ্যোৎসাহী বিদ্যাধৰ খাওণ্ড



সম্পাদনা ঃ

ফণীন্দ্ৰ নাথ গায়ন
সোমনাথ বৰা

# বিদ্যোৎসাহী

# বিদ্যাধৰ খাওণ্ড

সম্পাদনা

ফণীন্দ্ৰ নাথ গায়ন
সোমনাথ বৰা

**Bidyotsahi Bidyadhar Khaund** : A Collection of commemorative articles on the 40th year of his death, published by Dr. B. K. B. College, Puranigudam, Nagaon, edited jointly by Phanindra Nath Gayan and Som Nath Bora, November, 2012

# বিদ্যোৎসাহী বিদ্যাধৰ খাওণ্ড

**সম্পাদনা সমিতি**

**সভাপতি ঃ**
ড° ভূপেন শইকীয়া

**সম্পাদকদ্বয় ঃ**
ফণীন্দ্ৰ নাথ গায়ন
সোমনাথ বৰা

**বেটুপাত পৰিকল্পনা ঃ**
সোমনাথ বৰা

**প্ৰকাশ ঃ** ১৭ নৱেম্বৰ, ২০১২

**প্ৰকাশক ঃ** ড° বিৰিঞ্চি কুমাৰ বৰুৱা মহাবিদ্যালয়

**মুদ্ৰক ঃ** অজন্তা প্ৰেছ, হয়বৰগাঁও
ফোন ঃ ৯৪৩৫০-৬১৭৪৫

# সম্পাদকীয়

অসমৰ উচ্চ শিক্ষাৰ ক্ষেত্ৰখনৰ বিস্তাৰৰ দিশত যোৱা শতিকাৰ পঞ্চাশ আৰু ষাঠিৰ দশকৰ বিশেষ গুৰুত্ব আছে। স্বাধীনতাৰ আগতো অসমত উচ্চ শিক্ষাৰ বিস্তাৰ ঘটিছিল যদিও স্বাধীনতাই মানুহৰ মনলৈ আনি দিয়া উৎসাহ-উদ্যম; একো একোটা অঞ্চল জাকত-জিলিকা কৰি তুলিবলৈ সেই অঞ্চলবোৰৰ মুখিয়াল ব্যক্তিসকলৰ নিৰৱচ্ছিন্ন প্ৰচেষ্টাই অসমৰ সমাজজীৱনত একপ্ৰকাৰ খলকনি তুলিছিল। নিস্বাৰ্থ দেশসেৱা, সমাজসেৱা সেই দশক দুটাৰ সমাজৰ বৰমূৰীয়াসকলৰ চৰিত্ৰৰ অন্যতম দিশ আছিল। এনেকৈয়ো ক'ব পাৰি যে দেশ বা সমাজৰ কাম-কাজত আত্মনিয়োগ কৰোঁতে তেওঁলোক আৰ্থিকভাৱে ক্ষতিৰ সন্মুখীনহে হৈছিল।

এই দুটা দশকতে পুৰণিগুদামৰ দৰে এখন ঠায়েও বিদ্যাধৰ খাওগুদেৱৰ দৰে তৰিৎকৰ্মা, দূৰদৰ্শী নেতা লাভ কৰিছিল। কেন্দ্ৰীয় চৰকাৰৰ অতিশয় ব্যস্ততাপূৰ্ণ চাকৰি-জীৱনৰ মাজতো বিদ্যোৎসাহী বিদ্যাধৰ খাওগুদেৱে অফুৰন্ত কৰ্ম প্ৰেৰণাৰে উদ্বুদ্ধ হৈ আৰু আনকো উদ্বুদ্ধ কৰি পুৰণিগুদাম ৰাধাকান্ত বৰুৱা বিদ্যালয়ক নৰূপত সজাই-পৰাই তোলা, ড° বিৰিঞ্চি কুমাৰ বৰুৱা মহাবিদ্যালয়ৰ স্থাপন কালত গুৰিয়ালৰ দৰে থাকি ঠন

ধৰাই তোলা, বাপুজী ভৱন আৰু পুথিভঁৰালক অসমৰ ভিতৰতে এটি অনন্য অনুষ্ঠান কৰি গঢ়ি তোলাত যি ভূমিকা পালন কৰিলে; আৰু তাকে কৰোঁতে তেখেতে কিমান ত্যাগ কৰিলে সেই কথা ভাবি বিস্ময়াভিভূত হ'বলগীয়া হয়।

ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয় ছয়চল্লিশ বছৰ বয়সীয়া হ'ল। বিদ্যাধৰ খাওণ্ডদেৱৰো পৰলোকপ্ৰাপ্তি হোৱা চল্লিশ বছৰ হ'ল। এই চল্লিশ বছৰীয়া মৃত্যু তিথিত ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়ৰ আদিকালত গুৰি ধৰোঁতা, মহাবিদ্যালয় পৰিচালনা সমিতিৰ সম্পাদক, কৰ্মযোগী স্বৰ্গীয় খাওণ্ডদেৱক শ্ৰদ্ধাৰে সুঁৱৰিবলৈকে এই প্ৰচেষ্টা চলোৱা হৈছে। এই প্ৰচেষ্টাৰ অংশীদাৰ হোৱা শ্ৰদ্ধেয় প্ৰবন্ধলেখকসকল, অঞ্চলৰ বিশিষ্ট ব্যক্তিসকলকে ধৰি সকলোলৈকে কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। বৰ কম সময়ৰ ভিতৰতে এই 'শ্ৰদ্ধাঞ্জলি' পুস্তিকাখন সুন্দৰকৈ ছপাই উলিয়াই দিয়াৰ বাবে অজন্তা প্ৰেছৰ স্বত্বাধিকাৰী শ্ৰীযুত কৈলাস কুমাৰ ৰাজখোৱা, দক্ষ কৰ্মী মনোজ, হেমন্ত, শৰৎ, সোনমনি আদি সকলোকে কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

অনিচ্ছাকৃত ভুল-ভ্ৰান্তিৰ বাবে ক্ষমা বিচাৰিলোঁ।

**ফণীন্দ্ৰ নাথ গায়ন**
**সোমনাথ বৰা**

# সূচী


- সম্পাদকীয়
- শিক্ষানুৰাগী প্ৰয়াত বিদ্যাধৰ খাওণ্ডদেৱৰ পবিত্ৰ সোঁৱৰণত ।। বাপন চন্দ্ৰ বৰুৱা ৭
- স্মৃতিৰ জলঙাৰে প্ৰয়াত বিদ্যাধৰ খাওণ্ড ।। নৰকান্ত বৰদলৈ ১১
- সমাজহিতৈষী বিদ্যাধৰ খাওণ্ডদেৱৰ সোঁৱৰণত ।। ড° পদ্মপাণি ২০
- স্বপ্নদ্ৰষ্টা প্ৰয়াত বিদ্যাধৰ খাওণ্ড ঃ সশ্ৰদ্ধ সোঁৱৰণ ।। যুগলচন্দ্ৰ দেৱ গোস্বামী ২২
- ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাৰ আঁৰৰ কিছু কথা ।। খগেন বৰা ২৫
- মোৰ দৃষ্টিত শ্ৰদ্ধাৰ বিদ্যাধৰ খাওণ্ড ।। পুলিন হাজৰিকা ৩১

- বিদ্যাধৰ খাওণ্ডদেৱলৈ শ্ৰদ্ধাঞ্জলি ।। ৰছিদা বেগম ৩৪
- স্বৰ্গীয় বিদ্যাধৰ খাওণ্ড আৰু তেখেতৰ ব্যক্তিত্ব।। যোগানন্দ গোস্বামী ৩৭
- স্মৃতিপটত বিদ্যাধৰ খাওণ্ড ।। মহঃ আবিদুৰ ৰহমান ৪০
- দেউতাৰ সজল স্মৃতিত।। পাঞ্চালী খাওণ্ড ৪৩
- শ্ৰদ্ধেয় বিদ্যাধৰ খাওণ্ড ঃ ব্যক্তি আৰু ব্যক্তিত্ব।। ফণীন্দ্ৰ নাথ গায়ন ৪৫
- বিদ্যানুৰাগী বিদ্যাধৰ খাওণ্ডদেৱ আৰু
  ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়।। ড° ভূপেন শইকীয়া ৫২

# শিক্ষানুৰাগী প্ৰয়াত বিদ্যাধৰ খাওণ্ডদেৱৰ পবিত্ৰ সোঁৱৰণত

বাপন চন্দ্ৰ বৰুৱা

অক্লান্ত সমাজসেৱী, মহান ত্যাগী, কৰ্মযোগী, সৃষ্টিশীল নায়ক শ্ৰদ্ধেয় প্ৰয়াত বিদ্যাধৰ খাওণ্ডদেৱৰ ৪০ তম্ মৃত্যু বাৰ্ষিকী উদ্‌যাপনেৰে তেখেতৰ মহান ত্যাগ আৰু আদৰ্শৰ প্ৰতি শ্ৰদ্ধা জনোৱাৰ যথাবিহিত ব্যৱস্থা গ্ৰহণ কৰাটো সঁচাকৈয়ে প্ৰশংসনীয়। এইজনা বৰেণ্য পুৰুষৰ আদৰ্শনীয় কৰ্মৰাজি নতুন প্ৰজন্মৰ কাৰণে প্ৰেৰণাৰ উৎস হওক— এই কামনাকে কৰিছোঁ।

শ্ৰদ্ধেয় খাওণ্ডদেৱৰ অনলস প্ৰচেষ্টা আৰু অকৃত্ৰিম অনুৰক্তিৰ ফলতে পুৰণিগুদামত দুটি শিক্ষানুষ্ঠান জাকত জিলিকা শিক্ষানুষ্ঠানৰূপে পৰিগণিত হ'ল। শিক্ষাৰ্থীসকলে জীৱনক বাস্তৱায়িত কৰিবলৈ এক সুস্থ আৰু সুন্দৰ পৰিৱেশ পালে। মানৱ জীৱন অমূল্য জীৱন। সমাজৰ কল্যাণৰ কাৰণে কিবা অলপ দি থৈ যাব পাৰিলেহে এই জীৱন সাৰ্থক হ'ব। তেখেতে এই কথা মনে-প্ৰাণে উপলব্ধি কৰিব পাৰিছিল। তেখেতৰ দক্ষতাপূৰ্ণ পৰিচালনা, শিক্ষাপ্ৰেমী ব্যক্তিসকলৰ সক্ৰিয় ভূমিকা আৰু বদান্যতাৰ বাবেই পুৰণিগুদামত এই দুয়োটা শিক্ষানুষ্ঠান নতুন ৰূপত গঢ় লৈ উঠিল। এইসকল ব্যক্তিক শ্ৰদ্ধা আৰু প্ৰণিপাত জনাবলৈ পাই আনন্দ লাভ কৰিছোঁ। শ্ৰদ্ধেয় খাওণ্ডদেৱৰ আন্তৰিকতা, দৃঢ়তা আৰু যোগ্যতাৰ বলতেই এই দুয়োটা অনুষ্ঠানেই

অগ্ৰগতি লাভ কৰিবলৈ সমৰ্থ হৈছিল। তেখেতে দৃঢ়তাৰে বিশ্বাস কৰিছিল যে সমাজত সৎ কাম কৰিবলৈ মানুহৰ সৎ সাহসৰ প্ৰয়োজন বৰ্ণনাতীত। তেখেত প্ৰচাৰ বিমুখ, নীৰৱ আৰু অতি প্ৰত্যুৎপন্নমতিসম্পন্ন ব্যক্তি আছিল। তেখেতৰ দৃঢ়তা আৰু দায়বদ্ধতা আছিল সৰ্বজনবিদিত। ঁখাওগুদেৱ আজি আমাৰ মাজত নাই, কিন্তু পুৰণিগুদামৰ শিক্ষাজগতলৈ তেখেতৰ অমূল্য অৱদান অঞ্চলৰ জনসাধাৰণৰ মাজত সদায় অৰম হৈ থাকিব।

১৯৪৮ চনত বৰ্তমানৰ মহাবিদ্যালয়ৰ স্থানৰ পৰা তেতিয়াৰ পুৰণিগুদাম ৰাধাকান্ত বৰুৱা উচ্চ মাধ্যমিক বিদ্যালয়খন ৰে'ল ষ্টেচনৰ সন্মুখলৈ স্থানান্তৰ কৰি এক সুন্দৰ আহল-বহল পৰিৱেশত নতুন ৰূপত সজাই তোলাৰ গুৰু দায়িত্ব বহন কৰিছিল এই বিদ্যালয়ৰ জনক, তেতিয়াৰ পৰিচালনা সমিতিৰ সম্পাদক ঁবিদ্যাধৰ খাওগুদেৱে। তেখেতৰ প্ৰচুৰ কৰ্মশক্তি, সবল নেতৃত্ব আৰু গতিশীল ভাবধাৰাৰ ফলশ্ৰুতিত এই বিদ্যালয় অসমৰ ভিতৰতে এখন সৰ্বাঙ্গসুন্দৰ অনুষ্ঠান হিচাপে গঢ়ি উঠিল। ইয়াৰ কৃতিত্ব নিঃসন্দেহে ঁখাওগুদেৱৰেই প্ৰাপ্য।

তেখেতে পৰিচালনা সমিতিৰ সম্পাদক স্বৰূপে দায়িত্ব গ্ৰহণ কৰিয়েই শয়নে-সপোনে এই বিদ্যালয়ৰ উন্নয়নৰ কাৰণে চিন্তা কৰি গৈছিল। বিভিন্ন সদাশয় লোকৰ পৰা দান-বৰঙণি সংগ্ৰহ অভিযানত তেখেত যুদ্ধকালীন ক্ষিপ্ৰতাৰে নামি পৰে আৰু কম সময়ৰ ভিতৰতে এই বিদ্যালয়খন এখন আটকধুনীয়া বিদ্যালয় ৰূপে সজাই তোলাৰ কৃতিত্ব অৰ্জন কৰে। তেখেতে বিদ্যালয়ৰ ভূমিৰ কিছু অংশ দান হিচাপে আৰু কিছু অংশ ক্ৰয় কৰি এটা আহল-বহল পৰিৱেশত বিদ্যালয়খনিৰ নতুনত্ব আনে। বিদ্যালয়ৰ সৌন্দৰ্য বৰ্ধনৰ কাৰণে চৌদিশে বেৰা দি বিভিন্ন ধৰণৰ ফল-মূল আৰু গছ পুলি ৰোপণ কৰি এক সুন্দৰ প্ৰাকৃতিক পৰিৱেশ গঢ়ি তুলিছিল। চৰকাৰী চাকৰিৰ গধুৰ দায়িত্বৰ মাজতো বিদ্যালয়খনিলৈ পুৱা-গধূলি এপাক নমৰাকৈ তেখেতে শান্তি নাপাইছিল। বিদ্যালয়খনেই তেখেতৰ এখন দ্বিতীয় ঘৰ বুলি মনে-প্ৰাণে ভাবিছিল।

এই বিদ্যালয় নগাঁও জিলাৰ ভিতৰতে দ্বিতীয় পুৰণি বিদ্যালয় বুলি খ্যাতি আছে। চৰকাৰে এই বিদ্যালয়ৰ সুস্থ পৰিৱেশৰ প্ৰতি লক্ষ্য কৰিয়েই উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নীত কৰাৰ সিদ্ধান্ত লয়। সেই সময়ত পূৰ্বাঞ্চলৰ ভিতৰত এইখিনিয়েই একমাত্ৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়। বিদ্যালয়ৰ শিক্ষাৰ পৰিৱেশত মুগ্ধ হৈ দূৰ-দূৰণিৰ শিক্ষাৰ্থীসকল ইয়াত অধ্যয়ন কৰিবলৈ ভিৰ কৰেহি। ইয়াৰ কৃতিত্ব শ্ৰদ্ধেয় খাওগুদেৱৰেই বুলি ক'ব লাগিব। বয়সৰ ওচৰত হাৰ নমনা তেখেত এক অফুৰন্ত শক্তিৰ পৰিচায়ক।

এই বিদ্যালয়খনিক পূৰ্ণ পৰ্যায়ৰ ৰূপ দিয়াৰ পিছত ঁখাওগুদেৱে অঞ্চলৰ ছাত্ৰ-

ছাত্ৰীসকলৰ উচ্চ শিক্ষা গ্ৰহণৰ কাৰণে এখন মহাবিদ্যালয় স্থাপন কৰাৰ সপোন দেখে আৰু এই কথা অঞ্চলৰ গণ্য-মান্য শিক্ষানুৰাগী ব্যক্তিসকলৰ লগত আলোচনা কৰে। এটা সময়ত আৰ্থিকভাৱে দুৰ্বল মেধাৱী ছাত্ৰ-ছাত্ৰীসকলৰ নগাঁও টাউনত ঘৰ ভাড়া কৰি উচ্চ শিক্ষা গ্ৰহণ কৰিবলৈ সামৰ্থ্য নাছিল। এই অঞ্চলৰ বহুতো মেধাৱী ছাত্ৰ-ছাত্ৰীৰ উচ্চ শিক্ষা লাভ কৰাৰ সপোন অকালতে মৰহি গৈছিল। শিক্ষা জগতৰ লগত পোনপটীয়াকৈ জড়িত নহ'লেও শিক্ষানুৰাগী ঁখাওণ্ডদেৱে এই কথা বাৰুকৈয়ে অনুভৱ কৰিছিল।

সুযোগ সন্ধানী ঁখাওণ্ডদেৱে ১৯৬২ চনৰ অসম বিধান সভাৰ নিৰ্বাচনৰ প্ৰাক্‌মুহূৰ্তত এই সুযোগটি গ্ৰহণ কৰে। ১৯৬১ চনৰ ১০ ডিচেম্বৰ তাৰিখে এই বিদ্যালয় প্ৰাঙ্গণতে এখন ৰাজহুৱা সভা আহ্বান কৰে। এই সভালৈ চামগুৰি সমষ্টিৰ তেতিয়া প্ৰাৰ্থী ৰাজনীতিক, ভাৰতীয় জাতীয় কংগ্ৰেছৰ প্ৰাক্তন সভাপতি ঁদেৱকান্ত বৰুৱাদেৱক আমন্ত্ৰণ জনায়। এই সভাতে ঁখাওণ্ডদেৱে পুৰণিগুদামত এখন মহাবিদ্যালয়ৰ অতীৱ প্ৰয়োজন বুলি তেখেতৰ ইচ্ছাৰ কথা ঁবৰুৱাদেৱক ব্যক্ত কৰে। ঁবৰুৱাদেৱেও মহাবিদ্যালয় এখনৰ প্ৰয়োজনীয়তাৰ কথা অনুভৱ কৰি ইয়াৰ কামত অগ্ৰসৰ হ'বৰ কাৰণে ৫০০০.০০ টকা দান হিচাপে আগবঢ়ায়। এই টকাকে মূলধন হিচাপে লৈ ঁখাওণ্ডদেৱে পুৰণিগুদাম ৰাধাকান্ত বৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পশ্চিম দিশত অৱস্থিত পুৰণি খেলপথাৰৰ এমূৰে প্ৰস্তাৱিত মহাবিদ্যালয়ৰ এটি কাৰ্যালয় ঘৰ নিৰ্মাণ কৰে। পুৰণিগুদাম মহাবিদ্যালয়ৰ জন্মলগ্নৰ সাক্ষী স্বৰূপে এই কাৰ্যালয় ঘৰটি এতিয়াও ভগ্নাৱশেষ অৱস্থাত থিয় হৈ আছে।

ঁখাওণ্ডদেৱে মহাবিদ্যালয়ৰ এখন পৰিচালনা সমিতিৰ প্ৰয়োজনীয়তাৰ কথা অনুভৱ কৰি ৯ জনীয়া পৰিচালনা সমিতি এখন গঠন কৰে আৰু এই সমিতিৰ সম্পাদক হিচাপে তেখেতে দায়িত্ব বহন কৰে। এই পৰিচালনা সমিতিয়ে বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰে যদিও প্ৰায় ২ বছৰ কাল ইয়াৰ কাম-কাজ স্থবিৰ হৈ পৰে। কিন্তু কৰ্মযোগী ঁখাওণ্ডদেৱৰ মন আৰু হৃদয় মহাবিদ্যালয়খন আৰম্ভ নকৰালৈকে অস্থিৰ হৈ পৰে। চতুৰ ঁখাওণ্ডদেৱে ১৯৬৭ চনৰ ১৩ এপ্ৰিল তাৰিখে পৰিচালনা সমিতি আৰু প্ৰতিনিধিমূলক এখন যুটীয়া সভা আহ্বান কৰে। এই সভাতে পুৰণিগুদাম ৰাধাকান্ত বৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ৰাষ্ট্ৰীয় ঘাই পথৰ কাষত থকা মাটি অংশ প্ৰস্তাৱিত মহাবিদ্যালয়ৰ নামত হস্তান্তৰ কৰিবলৈ এক প্ৰস্তাৱ যোগে বিদ্যালয় পৰিচালনা সমিতিক অনুৰোধ জনায়। উচ্চ শিক্ষাৰ দৰে এটা অনুষ্ঠানৰ স্বাৰ্থত বিদ্যালয় পৰিচালনা সমিতিয়েও মাটি অংশ প্ৰস্তাৱিত মহাবিদ্যালয়লৈ হস্তান্তৰ কৰে।

মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাত ১৯৬৭ চনৰ শিক্ষা বছৰৰ পৰাই অস্থায়ীভাৱে বাপুজী ভৱন আৰু পুথিভঁৰাল প্ৰাঙ্গণতে প্ৰাক্-বিশ্ববিদ্যালয় শ্ৰেণীৰ শুভাৰম্ভ কৰাৰ সৰ্বসন্মত সিদ্ধান্ত লোৱা হয় আৰু শিক্ষক নিযুক্তিৰ যথাবিহিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ সম্পাদক খাওণ্ডদেৱক কৰ্তৃত্ব দিয়ে। আৰম্ভণিৰ শিক্ষা বছৰত ৫০ জন ছাত্ৰ-ছাত্ৰীয়ে মহাবিদ্যালয়ত নামভৰ্তি কৰি শিক্ষা গ্ৰহণত ব্ৰতী হয়। ইয়াৰ লগে লগে পুৰণিগুদামত এখন মহাবিদ্যালয়ৰ জন্ম হ'ল আৰু খাওণ্ডদেৱৰ দীৰ্ঘদিনৰ সপোন বাস্তৱত সাৰ্থক ৰূপ দিয়া হ'ল।

সম্পাদক খাওণ্ডদেৱৰ সবল নেতৃত্বত পুঁজি সংগ্ৰহৰ বিভিন্ন কাৰ্য ব্যৱস্থা গ্ৰহণ কৰা হ'ল। তেখেতৰ নেতৃত্বতে ধান সংগ্ৰহ, তামোল সংগ্ৰহ, থিয়েটাৰ পাৰ্টি, লটাৰি খেল, এটকীয়া কুপন, হুঁচৰি, চিনেমা আদিৰ জৰিয়তে ধন সংগ্ৰহ অভিযান আৰম্ভ কৰা হ'ল। তেখেতৰ লগত কেইগৰাকীমান দায়িত্বশীল সদস্যৰ লগতে এই লেখকো ছাঁৰ দৰে সকলো সময়তে কাষত থাকি মহাবিদ্যালখন সফলতাৰে আৰু সাৰ্থকতাৰে গতি কৰাত সহায় কৰিলে। অসমৰ বিভিন্ন ঠাইত নগদ ধন সংগ্ৰহৰ পৰামৰ্শও খাওণ্ডদেৱেই আগবঢ়ালে আৰু তেখেতৰ এই প্ৰস্তাৱৰ প্ৰতি সন্মান জনাই সকলো সদস্য হাতে-কামে লাগি গ'ল। শ্ৰদ্ধেয় খাওণ্ডদেৱৰ পৰামৰ্শতেই কাকী অঞ্চলত এই লেখকৰ নেতৃত্বতে এটা ৭ জনীয়া দল ধান সংগ্ৰহৰ কাৰণে পঠোৱা হৈছিল আৰু তাতো সহৃদয় ৰাইজৰ পৰা বিপুল সঁহাৰি পোৱা হৈছিল।

তেখেতৰ অক্লান্ত পৰিশ্ৰম, সবল নেতৃত্ব, সক্ৰিয় ভূমিকা, সাংগঠনিক দৃঢ়তা, নিঃস্বাৰ্থ সেৱা আৰু অপৰিসীম অৱদানৰ কথা এই দুয়োটা অনুষ্ঠানৰ ইতিহাসত অবিস্মৰণীয় হৈ থাকিব। তেখেতৰ প্ৰখৰ বুদ্ধি, মহান ত্যাগ, অবিশ্ৰান্ত যত্ন, বাস্তৱ দৃষ্টি, নিৰৱচ্ছিন্ন পৰিশ্ৰম আৰু প্ৰচুৰ কৰ্মশক্তি পুৰণিগুদাম অঞ্চলৰ জনসাধাৰণৰ মানসপটত সদায় জিলিকি থাকিব। প্ৰতিভা আৰু সৃষ্টিৰ সম্ভাৱনা লৈয়েই তেখেতৰ জন্ম হৈছিল যদিও যশ-খ্যাতিৰ প্ৰতি তেখেত চৰম উদাসীন আছিল। তেখেতৰ বুদ্ধি, কল্পনা, প্ৰতিভা আৰু আত্মবিশ্বাসে এই দুয়োটা অনুষ্ঠানৰ প্ৰগতিত যথেষ্ট সহায় কৰিছিল। সৰল, উদাৰ আৰু স্বাধীনচেতীয়া বিদ্যাধৰ খাওণ্ডদেৱৰ কৰ্মৰাজিক স্মৰণ কৰিবলৈ পাই শান্তিৰ সুবাস পোৱা যেন অনুভৱ কৰিছোঁ। ⁂

*লেখক ৰাধাকান্ত বৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ*

# স্মৃতিৰ জলঙাৰে প্ৰয়াত বিদ্যাধৰ খাওণ্ড

## নৱকান্ত বৰদলৈ

(কেইদিনমান আগৰ কথা। সন্ধিয়া বজাৰলৈ গৈছিলোঁ। শাক-তৰকাৰীৰ বজাৰত জুই, চৌদিশে বানপানী হোৱাৰ পিছত। শাক-তৰকাৰীৰ দাম-দৰ কৰি আছিলোঁ। এনেতে ফোনটো বাজিল। এটা অচিনাকি নম্বৰ। সিফালৰ পৰা ক'লে— 'মই ছাৰ কমল শইকীয়াই কৈছোঁ. পুৰণিগুদাম কলেজৰ পৰা কৈছোঁ।' মই ক'লোঁ— 'কোৱা কি সকামত ফোন কৰিলা।' সিফালৰ পৰা উত্তৰ আহিল— 'ছাৰ আমি প্ৰয়াত বিদ্যাধৰ খাওণ্ডৰ ৪০তম্ মৃত্যুবাৰ্ষিকী উদ্‌যাপন কৰিব খুজিছোঁ। এখন স্মৃতিগ্ৰন্থ প্ৰকাশ হ'ব, তাত ছপাবৰ বাবে আপোনাৰ পৰা লেখা এটা লাগে।' মই বোলোঁ— 'বৰ ভাল কথা। লেখা দিম বাৰু। তেখেতৰ বিষয়ে লেখিবলৈ মই ভালেই পাম।' তাৰ পিছত কমল শইকীয়াই ক'লে —'ছাৰ আমাৰ প্ৰিন্সিপাল ছাৰে...।' মই বোলোঁ— 'ফোনটো দিয়া।' মই ক'লো— 'কওক প্ৰিন্সিপাল মহোদয়। এয়া আপোনালোকে বৰ সজ কাম কৰিছে। মানুহজনৰ বৰঙণি ভাষাৰে প্ৰকাশ কৰিব নোৱাৰি।' অধ্যক্ষই ক'লে— 'শুনিছোঁ আপুনি এই কলেজতে আছিল। মানুহজনৰ বিষয়ে ভালদৰে জানে। আপোনাৰ লেখা-মেলা পঢ়িয়েই থাকোঁ। তাকে বোলো লেখা এটা দিয়ক।' মই ক'লোঁ— 'শ্ৰদ্ধেয় বিদ্যা খাওণ্ডৰ বিষয়ে লেখাটোও মোৰ বাবে এক প্লিজাৰ।' আৰু কিবা কিবি কথা পাতিলোঁ অধ্যক্ষৰ লগত।)

জীৱনত বহুত মানুহ লগ পোৱা যায়। সেইসকলৰ কিছুমান মানুহ জীৱনজুৰি

কিম্বা কাৰণত প্ৰাসঙ্গিক হৈ থাকে। জীৱনটোত অসংখ্য মানুহ লগ পাইছোঁ— বহুতৰ লগত সম্পৰ্কত মনত ৰাখিব লগাকৈ একো নাথাকে। আজিৰ পৰা বিয়াল্লিছ বছৰ পূৰ্বে এনে এগৰাকী ব্যক্তি লগ পাইছিলোঁ, যিগৰাকী ব্যক্তিৰ সান্নিধ্যৰ কথা মই মুহূৰ্তে মুহূৰ্তে উপলব্ধি কৰোঁ, সেইগৰাকী ব্যক্তি হ'ল— পুৰণিগুদামৰ খাওণ্ডৰ চুকৰ প্ৰয়াত বিদ্যা খাওণ্ড। বিদ্যা খাওণ্ড এই নামটোৰ লগত মোৰ বহুত আৱেগ জড়িত হৈ আছে। বিদ্যা খাওণ্ড বুলিলেই মোৰ সেই তজবজীয়া ডেকা কালটোলৈ মনত পৰে। যি সময়ত মই শিল খাই হজম কৰিব পাৰিছিলোঁ। আজিও মোৰ এই আঠষষ্ঠি বছৰীয়া প্ৰায় বৃদ্ধ বয়সত মই বিদ্যা খাওণ্ডৰ সান্নিধ্য খুব সঘনে উপলব্ধি কৰোঁ, এটা নাম বিদ্যা খাওণ্ড যি নামটোৱে মোক আজিও আৱেগবিহ্বল কৰি তোলে, সেয়া বহুত পুৰণি কথা মোৰ জীৱনৰ এক মধুৰতম প্ৰসঙ্গ।

১৯৭০ চনৰ জুন মাহ। ইংৰাজী বিষয়ত এম এ ফাইনেল দি ঘৰতে বহি পৰীক্ষাৰ ফলাফললৈ অপেক্ষা কৰি আছোঁ। প্ৰিভিয়াছ পৰীক্ষা মোৰ ভাল হৈছে, তথাপি এক অজান আশংকা, কাৰণ জীৱনত বিশ্বাস কৰিব নোৱৰা বিষয়ৰ ভিতৰত পৰীক্ষাও এটা। কেনেকৈ জানো যোগসূত্ৰ ঘটিল— মৰিগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ প্ৰয়াত দেৱেন্দ্ৰ নাথ হাজৰিকাই সৰু চিঠি এটুকুৰাৰে মোক জনালে, মোক বোলে পুৰণিগুদাম কলেজলৈ মাতিছে। আমাৰ দিনত ইংৰাজী বিষয়ৰ বৰ দাম আছিল, নতুন কলেজ পতাসকলে ইংৰাজীৰ শিক্ষক বিচাৰি হাহাকাৰ কৰি ফুৰে। তেনেকৈয়ে ছাগে পুৰণিগুদাম কলেজ কৰ্তৃপক্ষই মোৰ বিষয়ে গম পালে। বহুত চিন্তা-চৰ্চা কৰা পিছত পুৰণিগুদামলৈ যোৱাটো ঠিক কৰিলোঁ। এদিন গৈ ওলালোঁগৈ। পুৰণিগুদামৰ ড° বিৰিঞ্চিকুমাৰ বৰুৱা কলেজত অধ্যক্ষ প্ৰয়াত প্ৰণৱ বৰাদেৱক লগ কৰিলোঁ। ৰাষ্ট্ৰীয় ঘাই পথৰ কেঁকুৰিটোত কলং নদীৰ কাষতে উত্তৰা-দক্ষিণাকৈ দীঘল এটা মাত্ৰ বিল্ডিং, সেয়াই ড° বিৰিঞ্চিকুমাৰ বৰুৱা কলেজ। অধ্যক্ষ প্ৰণৱ বৰাই ক'লে যে তেওঁলোকৰ কলেজত ইংৰাজীৰ শিক্ষক নাই, আগতে উচ্চতৰ মাধ্যমিকৰ কোনোবাই অংশকালীনৰূপে কাম কৰিছিল, পিছে এতিয়া নিয়মীয়া শিক্ষকৰ প্ৰয়োজন। গতিকে কলেজখনত মই যোগদান কৰিব লাগে। মোৰ বাবে এই প্ৰস্তাৱ বৰ আচহুৱা বিধৰ। কাৰণ মইতো এম এ পাছ কৰা নাই। বৰাদেৱে ক'লে— 'আপোনাৰ কেৰিয়াৰ আমি জানো। আপুনি পাছ নকৰাকৈ নাথাকে। আপুনি জইন কৰকচোন, পিছত দেখা যাব।' মোৰ নিজৰ ওপৰত বিশ্বাস আছে যদিও ইমান দুঃসাহস মই কৰিব নোৱাৰোঁ। ফলাফলৰ নামত যদি কিবা অঘটন ঘটে, মই কোনখন মুখেৰে পুৰণিগুদামৰ পৰা ঘূৰি যাম। মই অধ্যক্ষ প্ৰণৱ বৰাৰ অনুৰোধ এক প্ৰকাৰ

বিনয়ৰে প্ৰত্যাখ্যান কৰিলোঁ। মই বৰাদৰেক নিৰাশ কৰি ঘূৰি আহিলোঁ। এক গভীৰ ভাব-সাগৰত মানুহজনক হতাশ কৰি মোৰ বেয়াও লাগিল। পিছে উপায় নাই। ভৱিষ্যতৰ লগত মই খেলা খেলিব নোখোজো।

এক সপ্তাহৰ মূৰত প্ৰণৱ বৰাৰ পৰা আকৌ এখন পত্ৰ পালোঁ, তেখেতে লেখিছে যে কলেজৰ সম্পাদক বিদ্যা খাওণ্ডে মোক এবাৰ লগ কৰিব খোজে। মোক অনুৰোধ জনালে এটা দেওবাৰত আহি যেন মই বিদ্যা খাওণ্ডক লগ কৰোঁ।

এটা অনুষ্ঠানৰ নিৱেদন প্ৰত্যাখ্যান কৰা নাযায়। গ'লোঁ এটা দেওবাৰত। পুৰণিগুদাম খাওণ্ডৰ চুকত বিদ্যা খাওণ্ডৰ ঘৰ বিচাৰি উলিয়ালোঁ। মস্ত এটা আহল-বহল ঘৰ। সন্মুখত মানুহ বহা আহল-বহল ঠাই। অধ্যক্ষ প্ৰণৱ বৰা গৈ আগৰে পৰা তাত বহি আছে। মই আসন গ্ৰহণ কৰাৰ ঠিক পাঁচ মিনিটৰ পিছতে ভিতৰৰ পৰা ওলাই আহিল এক পকা থেকেৰা, যিজন মানুহ ওলাই আহিল সেই গৰাকীৰ অৱয়ব বুজাবলৈ পকা থেকেৰাৰ বাদে অন্য শব্দ নাই। চুটি চুটি চুলি— বৃটিছ চাহাবৰ দৰে ধক্‌ধকীয়া বগা গাৰ ৰং, নিপোটল শৰীৰ, পিন্ধনত 'ধুতী', দেখিলেই ভক্তি ভাব ওপজে। প্ৰণৱ বৰাই চিনাকি কৰি দিলে এয়া বিদ্যা খাওণ্ড— কলেজৰ সম্পাদক আৰু এয়া নৰকান্ত বৰদলৈ।

প্ৰাথমিক কথা-বাৰ্তাৰ পিছত মূল বিষয়লৈ অহা হ'ল। অধ্যক্ষ প্ৰণৱ বৰাই ক'লে— 'এখেতে ভয় খাইছে, যদি ৰিজাল্ট বেয়া হৈ যায়।'

বিদ্যা খাওণ্ডে ক'লে— 'মই জানো আপোনাৰ ৰিজাল্ট বেয়া হ'বই নোৱাৰে। আপোনাৰ পাষ্ট পাৰ্ফৰমেঞ্চৰ বিষয়ে মই শুনিছোঁ, বৰদলৈ এটা কথা কওঁ শুনক— আপুনি কলেজত জইন কৰক। দুৰ্ভাগ্যবশতঃ যদি ৰিজাল্ট বেয়া হয় আপুনি উলটি যাব নালাগিব। আমাৰ ইয়াতে বহুত হায়াৰ ছেকেণ্ডাৰী স্কুল আছে। তাতে আপোনাক সুমুৱাই দিম। কলেজতো টিউটৰ কৰি থাকিব। পৰীক্ষা দিব। পিছৰ বছৰ পাছ নকৰাৰ কোনো কাৰণ নাই। আপুনি আৰু না নকিৰব।' মোৰ এইবাৰ অনুৰোধ প্ৰত্যাখ্যান কৰাৰ সকলো বাটেই বন্ধ। কোনে ইমান নিৰ্ভৰযোগ্য আশ্বাস দিব পাৰে। এইজন মানুহেহে পাৰিছে। মই উপায়হীন হৈ ক'লোঁ, 'হ'ব খুৰা মই কামত যোগদান কৰিম। অহা সপ্তাহত মই আহি যাম।' চাহ-তাহ খাই বিদায় ল'লোঁ।

ভয়-সংকোচ সকলো একাষৰীয়া কৰি থৈ জুলাই মাহৰ (১৯৭০ চন) কোনোবা এটা দিনত মই ড° বি কে বৰুৱা কলেজত ইংৰাজীৰ শিক্ষক হৈ যোগদান কৰিলোঁ। অধ্যক্ষ প্ৰয়াত প্ৰণৱ বৰা, সহকৰ্মী প্ৰদীপ শইকীয়া, নৰাম বৰা, ৰচিদা বেগম, খগেন বৰা, লখিমী শইকীয়া, প্ৰভাত বৰা, অনিমা বৰা, যুগল চন্দ্ৰ দেৱগোস্বামী আদি,

কাৰ্যালয় সহায়ক দিলদাৰ হুছেইন। এটা ডাঙৰ কোঠাৰ এটা ভাগত অধ্যক্ষ আনটো ভাগত ষ্টাফ, কাষতে দিলদাৰ হুছেইন। গাতে লগা দীঘল হলটোত ক্লাছ।

পুৰণিগুদাম বাপুজী ভৱনৰ কাষতে গড়মূৰ তিনিআলিৰ বিপৰীতে এটা ভাড়া ঘৰত থাকিবলৈ ল'লোঁ। কলেজলৈ যাওঁ যদিও সকলো সময়তে অন্তৰত এটা অজান আশংকা। পৰীক্ষাৰ ফলাফল বা কি হয়। বৰ মৰসাহ কৰিলোঁ নেকি এনেকুৱা ভাবো মাজে মাজে হয়।

এমাহমানৰ পিছতে ফলাফল ওলাল। তেতিয়াৰ দিনত এম এ পাছ কৰা সকলৰ নাম ওলায় ট্ৰিবিউন কাকতত। ইংৰাজী বিভাগত মোৰ নামটো পাই গ'লোঁ। মোৰ আনন্দৰ সীমা নাই। হে ভগৱান ভাল ৰক্ষা কৰিলা। এনেকৈয়ে ড° বিৰিঞ্চি কুমাৰ বৰুৱা কলেজত মই গজগজীয়া শিক্ষক হৈ গ'লোঁ, কলেজত যোগদান কৰাৰ পিছত সম্পাদক বিদ্যা খাওগুৰ ঘনিষ্ঠ হৈ পৰিলোঁ খুব কম সময়তে।

বিদ্যা খাওগুে নগাঁৱৰ হেড পোষ্ট অফিচত পোষ্ট মাষ্টৰৰ চাকৰি কৰে। তেতিয়া ঘৰৰ পৰা অফিচলৈ সদায় ৰিক্সাত অহা-যোৱা কৰে। জাৰ-জহ, ৰ'দ-বৰষুণ বুলি কথা নাই। সদায় সেই মুকলি ৰিক্সাত। ৰিক্সা চলাই এজন বিহাৰীয়ে। নামটো সিংহাসন। সি দিনৰ দিনটো নগাঁৱত তাৰ ৰিক্সাৰে ভাৰা মাৰে। তিনি-চাৰি বজাত মালিক বিদ্যা খাওগুক লৈ পুৰণিগুদামলৈ ওভতে। তাৰ ভায়েক কিশোৰী মোহন ভগতে কলেজত পিয়ন কৰাৰ উপৰি আজৰি পৰত বিদ্যা খাওগুৰ চৌহদতে থকা ধানৰ মিল চলায়।

প্ৰথম দিনা বিদ্যা খাওগুৰ ঘৰলৈ চাহৰ নিমন্ত্ৰণ। খাওগু খুৰাই চিনাকি কৰি দিলে ডাঙৰ ল'ৰা শৰৎ খাওগু সকলোৰে বাপু দা, সৰু ল'ৰা দুল, ডাঙৰ ছোৱালী ৰীণা তাৰ তলত বিনীতা, মীনা আৰু পাঞ্চালী (প্ৰতিভা)। বিদ্যা খাওগুৰ পত্নীগৰাকী বৰ সাদৰী মানুহ। অৱলীলা ক্ৰমে ঘৰখনলৈ মই যিকোনো সময়ত যাব পৰা হ'লোঁ। ডাঙৰ ছোৱালী ৰীণাই নগাঁৱৰ এটা অফিচত চাকৰি কৰে বাবে তাইক বেছি সময় নাপাওঁ। বিনীতা আৰু মীনা কলেজত, পাঞ্চালী হাইস্কুলত। মই খুব কম সময়তে আটাইকেইজনী ছোৱালীৰ 'অ ছাৰ' হৈ পৰিলোঁ। মই প্ৰায়ে বিনীতা, মীনা, পাঞ্চালীৰ পঢ়া চাই দিব লগা হয়। আটাইকেইজনী ছোৱালীৰ ভিতৰত পাঞ্চালী পঢ়াত চোকা। বৰ্তমানে তেওঁ পুৰণিগুদাম উচ্চতৰ মাধ্যমিক বিদ্যালয়ত বিষয় শিক্ষয়িত্ৰী, দুল প্ৰায় ঘৰত নাথাকে। তেওঁ মোক খুব ভক্তি কৰে। ভয় কৰে । আটাইকেইজনী ছোৱালীৰ ভিতৰত পাঞ্চালীৰ বুদ্ধিমত্তা বেছি। তেওঁ মোক ডাঙৰ ডাঙৰ প্ৰশ্ন কৰি অবাক কৰি তোলে। মই অবাক হওঁ— পাঞ্চালীয়ে তেওঁৰ বয়সতকৈ অলপ বেছি জানে।

বিনীতাই যিকোনো সময়তে তেওঁৰ পঢ়া দেখুৱাই দিবলৈ কয়।

বিদ্যা খাওণ্ড কলেজখনৰ এক উপযুক্ত সম্পাদক। পিছলৈ জানিলোঁ অঞ্চলটোৰ বিধায়ক কেহোৰাম হাজৰিকাৰ পিছতে তেখেতৰ নাম-যশ। দিনৰ দিনটো কাৰ্যালয়ৰ কামত ব্যস্ত থাকে যদিও তাৰ মাজতে প্ৰতিনিয়ত কলেজখনৰ কথা চিন্তা কৰে। তেখেতে আমাক মাহৰ পহিলা সপ্তাহত দৰমহাখিনি দিবই। এই নিয়মৰ ব্যতিক্ৰম নহয়।

মই কলেজখনৰ এক অঙ্গ হৈ পৰিলোঁ। খেতি চপোৱাৰ সময়ত ওচৰৰ গাঁওবোৰত ধান সংগ্ৰহ কৰা হয়। আমি দুজনমান শিক্ষক দহ-বাৰজন ছাত্ৰই খাওণ্ডৰ চুক, ম'ৰাচুক, মূঢ়ানি, সূতাৰ গাঁও আদি অঞ্চলত ধান সংগ্ৰহ কৰোঁ। আমাৰ হাতত আছে মুখ কটা এটা কেৰাচিনৰ টিন। সেইটোক স্থানীয়ভাৱে জেৰ বোলা হয়। গৃহস্থই অৱস্থাভেদে এক জেৰ, দুই জেৰকৈ ধান দিয়ে। এইবোৰ অভিযানত সম্পাদক বিদ্যা খাওণ্ড যাবই। তেখেতে ৰিক্সা লৈ যায় আৰু সংগ্ৰহকাৰী দলটো পৰিচালনা কৰে।

বিদ্যা খাওণ্ডৰ লগত মোৰ সম্পৰ্ক ইমান ওচৰ হৈ পৰিল যে যিকোনো সময়তে মই তেখেতৰ ঘৰলৈ যাব পাৰোঁ। মানুহজন মোৰ প্ৰায় পিতৃৰ বয়সৰ— কিমানবাৰ ক'লোঁ— "মোক আপুনি 'তুমি' বুলিব।" কিন্তু মানুহজন ইমানেই ভদ্ৰলোক যে মোক কোনোদিনেই তুমি বুলিব নোৱাৰিলে। কলেজৰ শিক্ষক সকলোকে আপুনি বুলি সম্বোধন কৰে তেখেতে।

বিদ্যা খাওণ্ডৰ প্ৰভাৱতে কলেজখন মোৰ খুব আপোন হৈ পৰিল। শতকৰা ৮০ ভাগ ছাত্ৰ-ছাত্ৰীৰ নাম-ঘৰ ক'ত জানো। ধান সংগ্ৰহ কৰাই নহয়, ওচৰৰ চাহ বাগানখনলৈও আমি চাৰি-পাঁচজন শিক্ষক ধন সংগ্ৰহৰ বাবে যাওঁ। মই কলেজখনৰ এক অঙ্গ হৈ পৰিলোঁ খুব কম সময়তে।

এটা বছৰ কেনেকৈ পাৰ হ'ল গমেই নাপালোঁ। ১৯৭১ চনত মোৰ ঘৰৰ ওচৰৰ মৰিগাঁও কলজেত ইংৰাজীৰ নতুন পদ সৃষ্টি হ'ল। অধ্যক্ষ গুৰুচৰণ মেধিয়ে মোক জনালে— 'নৱ তুমি আহিবা। আহা যদি আহা। আমাক মানুহ লাগে। ঘৰৰ ওচৰৰ পৰা হ'লে ভাল হয়।' মই বৰ উভয় সংকটত পৰিলোঁ। ঘৰত দেউতাই কথাটো গম পাই ক'লে— 'কণ গুচি আহ নহ'লে ইয়ালৈকে, ঘৰত থাকি কলেজ কৰিব পাৰিবি।' কেইবাদিনো ভাবি মই উত্তৰ উলিয়াব নোৱাৰিলোঁ। এইজাক ল'ৰা-ছোৱালী এৰি মই কেনেকৈ গুচি যাওঁ। বহুত যোগ-বিয়োগ কৰাৰ পিছত মৰিগাঁও কলেজলৈ গুচি অহাটোকে স্থিৰ কৰিলোঁ।

কথাটো খাওণ্ড খুৰাক জনাম বুলি কেইবাদিনো গ'লোঁ। কিন্তু ঠিক যেন

কথাষাৰ জনাবলৈ কিবা এটাই বাধা দিছে। শেষত এদিন মৰসাহ কৰি কথাষাৰ উলিয়ালোঁ। খাওণ্ড খুৰা চক খাই উঠিল— 'বৰদলৈ, কি কৰিব খুজিছে আপুনি। আপুনি গুচি গ'লে আমাৰ কি অৱস্থা হ'ব। আপোনাৰ ভৰসাতে বি এ শ্ৰেণী খুলিছোঁ। এতিয়া আমাক অথাই সাগৰত পেলাই আপুনি গুচি যাবনে। আপুনি কলেজখনৰ কথা ভাবক, ছাত্ৰ-ছাত্ৰীখিনিৰ কথা ভাবক, আৰু মৰিগাঁও কলেজ আমাৰখনৰ দৰেই নতুন। অৱশ্যে ডেফিচিট কলেজৰ কথা কোৱা হ'লে আপোনাক বাধা নিদিলোঁহেঁতেন। মৰিগাঁৱলৈ গ'লে অৱশ্যে নিজৰ ঘৰখন পাব। কিন্তু এইখন জানো আপোনাৰ ঘৰ নহয়। (হয় অৱশ্যে পুৰণিগুদামখন মোৰ নিজৰ ঠাইৰ দৰেই লাগিছিল।) থাকি যাওক বৰদলৈ, আপুনি গুচি গ'লে কলেজখন নিঠৰুৱা হ'ব।' বিদ্যা খাওণ্ড খুৰাৰ এয়া মৰমৰ দাবী। ৰীতা, বিনীতা, মীনা, পাঞ্চালীৰ হাক-বচন— 'ছাৰ আপুনি পলাব খুজিছে। কি আছে মৰিগাঁও কলেজত আৰু কি নাই পুৰণিগুদাম কলেজত। ছাৰ আপুনি কিন্তু যাব নোৱাৰে।' কলেজৰ ষ্টাফত সেই একেই কথা। অৱশেষত পুৰণিগুদামৰ মৰমক নেওচা নিদিয়াটোকে ঠিক কৰিলোঁ, মৰিগাঁৱৰ অধ্যক্ষ প্ৰয়াত গুৰুচৰণ মেধিক জনাই দিলোঁ মোৰ অসমৰ্থতাৰ কথা, সেইটো পদত ইতিমধ্যে এম এ পাছ কৰি অহা মোতকৈ এবছৰ জুনিয়ৰ প্ৰয়াত কুলধৰ নাথ সোমাল। এয়া হ'ল ১৯৭১ চনৰ কথা।

মই ইতিমধ্যে সাহিত্যৰ লগতে ৰাজনীতিতো জড়িত হৈ পৰিছিলোঁ। ৰাজনীতি বিজ্ঞান বিভাগৰ শিক্ষক প্ৰদীপ শইকীয়াই মোক জনগণতান্ত্ৰিক দলত সুমুৱাই দিলে, দলটোৰ গুৰিত আছিল দুলাল বৰা, গৌৰীশংকৰ ভট্টাচাৰ্য, পিতসিং কোঁৱৰ আদি। নগাঁৱত আমাৰ গুৰিয়াল বঢ়মপুৰৰ প্ৰাক্তন বিধায়ক ভবেন্দ্ৰনাথ শইকীয়া, তেখেতৰ নেতৃত্বত বহুত মেল-মিটিং কৰিলোঁ। ১৯৭২ চনৰ নিৰ্বাচন আহিল। আমাৰ দলে মোক মোৰ গৃহ সমষ্টি লাহৰীঘাটত নিৰ্বাচনত উঠিবলৈ অনুৰোধ জনালে। মই ইমান ভৱিষ্যৎ দ্ৰষ্টা নহয়। তদুপৰি বয়স কম কাৰণেই মনত এক ৰোমাণ্টিক কল্পনা বিলাস। যদি এম এল এ হৈ যাওঁ কি যে কৰিব নোৱাৰিম! সিদ্ধান্ত কৰিলোঁ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিম লাহৰীঘাট সমষ্টিৰ পৰা। সকলো ঠিক-ঠাক হৈ গ'ল। এইবাৰ পুৰণিগুদামৰ পৰা বিদায় লোৱাৰ পাল। যদি নিৰ্বাচনত পৰাজয় হওঁ আকৌ লাগে ঘূৰি আহিম। কলেজ শিক্ষকৰ সেইকণ সুবিধা আছেই। সকলো যা- যোগাৰ হৈ গ'ল। এতিয়া বিদ্যা খাওণ্ড খুৰাক জনোৱাৰ পাল।

চুচুক-চামাককৈ এদিন ওলালো তেখেতৰ ঘৰ। মোৰ উদ্দেশ্যৰ কথা বিৱৰি ক'লোঁ। তেখেতৰ মুখখন প্ৰথমে ক'লা পৰিছিল যদিও পিছ মুহূৰ্ততে উজলি উঠিল।

মোক ক'লে— 'বৰদলৈ যোৱা বছৰ আপোনাক মই বাধা দিছিলোঁ। এইবাৰ আৰু নিদিওঁ। আপুনি এক মহান পৰিকল্পনা লৈ ওলাইছে। ঈশ্বৰে কৰালে আপুনি যদি এম এল এ হৈ যায় আমাৰ কলেজখনৰ বাবে জানো কিবা নকৰিব। যাওক মই আশীৰ্বাদ কৰিছোঁ আপোনাৰ মনৰ আশা পূৰণ হওক। পাৰিলে মই কিবা সহায় কৰিম। সহায় কৰিম মানে আপোনাৰ প্ৰচাৰ কাৰ্য বাবে মোৰ গাড়ীখন দি সহায় কৰিম। নিৰ্বাচনত কিবা বিপৰ্যয় হ'লে কিন্তু আকৌ কলেজলৈ ঘূৰি আহিব।'

সন্ধিয়া গ'লোঁ খুৰীদেউ আৰু বিনীতাহঁতক লগ কৰিবলৈ, মীনাই ক'লে— 'ছাৰ বোলে এম এল এ হ'ব। এম এল এ হ'লে মোক কিন্তু চাকৰি এটা দিব লাগিব।' বিনীতাই ক'লে— 'ছাৰে বোলে আমাক এৰি থৈ যাব। এম এল এ হ'লেনো ক'ত আমাক মাতিব। মোক আপোনাৰ প্ৰাইভেট ছেক্ৰেটাৰী কৰি ৰাখিব।' পাঞ্চালীয়ে ক'লে— 'ছাৰ মইতো এ চি এচ দিমেই। মোক হাকিমৰ চাকৰি এটাকে যোগাৰ কৰি দিব।' ৰীণাই ক'লে— 'এম এল এ হ'লে ছাগে ছাৰে আমাক নামাতিবই।' মই ক'লোঁ— 'আগতে এম এল এ হৈ ল'ব দিয়াচোন। পিছত বাকীবোৰ হৈ থাকিব।' খুৰাক কোৱাৰ দৰে সিহঁতকো ক'লোঁ নিৰ্বাচনত জিকিব নোৱাৰিলে আকৌ কলেজলৈ ঘূৰি আহিম নহয়। বিনীতাই ক'লে— 'ছাৰ কিন্তু আহিব দেই। অইন কলেজলৈ গুচি নাযাব।' এয়াই খুৰাৰ ছোৱালী কেইজনীৰ মৰমৰ অত্যাচাৰ। খুৰাৰ ঘৰতে ভাত-পানী খাই গুচি আহিলোঁ।

কেইদিনমান পিছত নগাঁও সদৰত নমিনেচন দিলোঁ। তাৰ পিছত নিৰ্বাচনী প্ৰচাৰ। বিদ্যা খাওণ্ড খুৰাই তেখেতৰ গাড়ীখন ১৫ দিনৰ বাবে দি সহায় কৰিলে। নিৰ্বাচন হৈ গ'ল ১৯৭২ চনৰ ফেব্ৰুৱাৰী মাহৰ কোনোবা এটা দিনত। এদিন ফলাফল ঘোষণা কৰা হ'ল। লাহৰীঘাট সমষ্টিত সংখ্যালঘু ভোটৰ সংখ্যা বহুত বেছি। সংখ্যালঘুৰ প্ৰাৰ্থীজনৰ জয় হ'ল। সেই পোন্ধৰ হাজাৰ মান ভোট পাই পৰাজিত হ'লোঁ।

মন-চন মাৰি ঘৰত বহি আছোঁ। বিশ-পঁচিশ দিনমানৰ পিছত মৰিগাঁও কলেজৰ অধ্যক্ষ প্ৰয়াত গুৰুচৰণ মেধি ছাৰে জনালে— 'আমি এইবাৰ ইংৰাজীত তৃতীয়টো পোষ্ট ল'ম। আহিবা নেকি। চিন্তা কৰি চোৱা।' দেউতাই ক'লে— 'ইমানগাল পানীত পৰিল। সিবাৰো মৰিগাঁৱলৈ নাহিলি। এইবাৰ আৰু না নকৰিবি।' মই বহুত চিন্তা-চৰ্চা কৰিলোঁ। সেইবাৰ ১৯৭২ চনতে মৰিগাঁৱক মহকুমা ৰূপে ঘোষণা কৰা হৈছে। ঠাইখিনিৰ গুৰুত্ব নিশ্চয় বাঢ়িব। মৰিগাঁও কলেজ ড° বি কে বৰুৱা পুৰণিগুদাম কলেজ এই দুই কলেজৰ আৱৰ্তত মোৰ মনোজগত। অৱশেষত বহুত যোগ-বিয়োগ

কৰি মৰিগাঁও কলেজত যোগদান কৰাটোকে স্থিৰ কৰিলোঁ। ১৯৭২ চনৰ গৰম বন্ধৰ আগতে মই এদিন মৰিগাঁও কলেজত যোগদান কৰিলোঁ। মই হ'লোঁ ডিপাৰ্টমেণ্টৰ তৃতীয়জন। কলেজত মোতকৈ এবছৰে জুনিয়ৰজন হৈ পৰিল ডিপাৰ্টমেণ্টত মোতকৈ ছিনিয়ৰ।

মোক আজিও পুৰণিগুদামৰ কথাই মনত বৰ কষ্ট দিয়ে। বিদ্যা খাওণ্ড খুৰা, বিনীতাহঁতক কথা দিছিলোঁ নিৰ্বাচনত বিপৰ্যয় ঘটিলে মই আকৌ ঘূৰি যাম। কিন্তু মই দিয়া কথা ৰাখিব নোৱাৰিলোঁ। এই কথাই মোক আজিও দুখ দিয়ে। সঁচাই মানুহ কিমান স্বাৰ্থপৰ।

তথাপি বিদ্যা খাওণ্ড খুৰাই মোক বেয়া পোৱা নাছিল। পুৰণিগুদাম আৰু বিদ্যা খাওণ্ড খুৰাৰ ঘৰখনৰ লগত কিছুদিনলৈ সম্পৰ্ক বৰ্তি আছিল। খুৰাৰ ডাঙৰ ল'ৰা শৰৎ খাওণ্ড (বাপুদা)ৰ বিয়াত দুদিন ধৰি আছিলোঁগৈ। দৰাৰ পাৰ্টিৰ লগত কইনাৰ ঘৰলৈকো গৈছিলোঁ।

তাৰ পিছত স্বাভাৱিকতে যি হয় সিয়েই ঘটিল, মৰিগাঁৱত সাহিত্য, সংস্কৃতি, ৰাজনীতি সমাজনীতিৰ লগত বেয়াভাৱে সংপৃক্ত হৈ পৰাত পুৰণিগুদাম হৈ পৰিল মোৰ বাবে দূৰৰ পৰ্বত। এতিয়াও পুৰণিগুদামৰ স্মৃতিয়ে মোক মাজে-সময়ে বিচলিত কৰে। উজনি অসমলৈ গ'লে যেতিয়া ঘৰে-দুৱাৰে ফুলনিয়ে জাতিষ্কাৰ ড° বি কে বৰুৱা পুৰণিগুদাম কলেজখন দেখো ভাব হয় কালি-পৰহি যেন এইখন কলেজত ক্লাছ কৰিবলৈ মই মূল গে'টেদি সোমাই গৈছোঁ। আজিৰ পৰা ৪১ বছৰৰ আগৰ কথা, ভাব হয় সেয়া যেন কালি-পৰহিৰহে ঘটনা। যেন কালি-পৰহিহে মই পুৰমিগুদমৰ পৰা গুচি আহিছোঁ। দিনবোৰ গৈ থাকিল। দুৰ্ভাগ্যজনকভাৱে কলেজখনৰ কেইবাজনো অধ্যক্ষৰ আকস্মিক বিয়োগ ঘটিল। সেইবোৰ কাগজ-পত্ৰত পঢ়িবলৈ পালোঁ। ভালেমান দিনৰ পিছতহে গম পালোঁ, বিদ্যা খাওণ্ড খুৰা আৰু নাই। ১৯৭২ চনৰ শেষৰ ফালে খুৰাই পৰলোক গমন কৰিলে। লগে লগে যাব নোৱাৰি পিছত (বহু পলমকৈ) যোৱাৰ মানসিকতা সঞ্চয় কৰিব নোৱাৰিলোঁ। বিদ্যা খাওণ্ড আৰু তেখেতৰ ঘৰখন মোৰ বাবে এক স্মৃতি হৈ ৰ'ল। এতিয়া মই বয়সৰ ফালৰ পৰা এনে এটা অৱস্থাত উপনীত হৈছোঁ যে কাৰোৰে লগত আৰু দীৰ্ঘকাল সম্পৰ্ক বৰ্তাই ৰখাটো সম্ভৱ নহয়। এতিয়া কাম-কথা পাহৰা বয়সত উপনীত। একালত ল'ৰাৰ পৰা বুঢ়ালৈ চিনাকি থকা মানুহজনে এতিয়া পুৰণিগুদামৰ বহুতৰ নাম-ধাম পাহৰিলোঁ। বন্ধুমহলৰ মাজত বাপন বৰুৱা, ফণীন্দ্ৰনাথ গায়ন, যতীন শৰ্মা, মাহমেদুল হক, চাজাদুৰ ৰহমান, প্ৰদীপ বৰুৱা, তাৰা বৰুৱা, খুদু বৈৰাগী, সূৰ্য বৰুৱা এইসকলৰ

নামহে মনত আছেগৈ।

পুৰণিগুদাম ড° বি কে বৰুৱা কলেজ কর্তৃপক্ষই একালৰ কলেজৰ অঙ্গ বিদ্যা খাওণ্ডৰ স্মৃতি ধৰি ৰখাৰ যি আয়োজন কৰিছে, তাত মই অত্যন্ত সুখী অনুভৱ কৰিছোঁ। কলেজৰ এই প্ৰচেষ্টাৰ শলাগ লোৱাৰ লগতে প্ৰয়াত বিদ্যা খাওণ্ড খুৰাৰ বিদেহী আত্মাৰ স্বৰ্গবাস হওক; তাকে কামনা কৰিলোঁ।

"Off in the stilly night, ere slumber
chain has bound me
fond memory brings the light
of other days around me" ⏭

*বিশিষ্ট লেখক-সমালোচক নৰকান্ত বৰদলৈ ড° বিৰিঞ্চি কুমাৰ বৰুৱা*
*মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ প্ৰাক্তন প্ৰবক্তা*

# সমাজহিতৈষী বিদ্যাধৰ খাওণ্ডদেৱৰ সোঁৱৰণত

ড° পদ্মপাণি

পুৰণিগুদাম ঠাইখনি এখনি সৰু অথচ সাংস্কৃতিকভাৱে বিশেষ আগবঢ়া ঠাই বুলি সৰুৰে পৰাই জানিছিলোঁ। যোৰহাটৰ পৰা নগাঁও বা গুৱাহাটীলৈ অহা-যোৱা কৰোঁতে পুৰণিগুদামৰ ৰাষ্ট্ৰীয় ঘাইপথৰ কেঁকুৰিবিলাকে মনত বেছ শিহৰণ তুলিছিল। অৱশ্যে সেই কেঁকুৰিবিলাকেই আধুনিক যান্ত্ৰিক যুগত মৰণ ফান্দ হৈ উঠিব বুলি শৈশৱত কোনোদিনেই কল্পনাই কৰা নাছিলোঁ।

: ১৯৭১ চনত পদাৰ্থ বিজ্ঞান স্নাতকোত্তৰ শেষ পৰীক্ষা দি ঘৰতে বহি আছিলোঁ। এনেতে এদিন পুৰণিগুদামৰ ৰাধাকান্ত বৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত পদাৰ্থ বিজ্ঞানৰ শিক্ষক এজন লাগে বুলি 'দ্যা আছাম ট্ৰিবিউন' কাকতত বিজ্ঞাপন এটি দেখা পালোঁ। তলত অধ্যক্ষৰ নামটো দেখিলোঁ নীলৰঞ্জন বৰঠাকুৰ। শ্ৰদ্ধেয় বৰঠাকুৰদেৱ আমাৰ পৰিয়ালৰ অতি ঘনিষ্ঠ, অসমৰ এটি সম্ভ্ৰান্ত পৰিয়ালৰ সন্তান। তেখেতৰ পিতৃ আছিল শিল্পী, সাহিত্যিক 'অ' মোৰ আপোনাৰ দেশ'ৰ সুৰকাৰকেইজনৰ ভিতৰৰে এজন, পৰম শ্ৰদ্ধেয় ইন্দ্ৰেশ্বৰ বৰঠাকুৰ। সেয়েহে বিশেষ চিন্তা-ভাবনা নকৰি দুদিনৰ পিছত ৰাধাকান্ত বৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত যোগদান কৰিলোঁহি।

অতি কম সময়ৰ ভিতৰতে শিক্ষকসকলৰ লগত সহৃদয়তা গঢ়ি উঠিল। মোৰ অগ্ৰজ শিক্ষকসকলৰ (শ্ৰদ্ধেয় বাপন চন্দ্ৰ বৰুৱা, শৰৎ চন্দ্ৰ খাওণ্ড, ফণীন্দ্ৰ নাথ গায়ন, বলদেৱ গোস্বামী আদিৰ) সান্নিধ্যই পুৰণিগুদাম ঠাইখনি সঁচা অৰ্থতেই এখনি অতি সংস্কৃতিবান ঠাই বুলি প্ৰতীয়মান কৰালে।

সেই সময়তেই বিদ্যালয়ৰ সম্পাদক হিচাপে পাইছিলোঁ অঞ্চলটিৰ এজন অক্লান্ত

সমাজকৰ্মী, সমাজ-সংগঠক, বিদ্যানুৰাগী, সিংহপুৰুষ শ্ৰদ্ধেয় বিদ্যাধৰ খাওণ্ডদেৱক। প্ৰথম দৰ্শনতেই তেখেতৰ ব্যক্তিত্বই মোক বাৰুকৈয়ে মুগ্ধ কৰিছিল। কিন্তু এদিনৰ এটি ঘটনাৰ বাবে মোৰ মনত তেখেতে স্থায়ীভাৱে সাঁচ বহুৱাই থৈ গ'ল।

এদিন বিদ্যালয়ৰ অধ্যক্ষ মহোদয়ৰ লগত কিছু মনোমালিন্য হৈ মই চাকৰি ইস্তফা দি গুচি আহিলোঁ। মই তেতিয়া নগাঁৱৰ মোৰ বাইদেউৰ ঘৰত (ভিনদেউ স্বৰ্গীয় মাধৱানন্দ মহন্ত, নগাঁও চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ) থাকি বিদ্যালয়লৈ অহা-যোৱা কৰিছিলোঁ। দুদিনৰ পিছত খাওণ্ড ছাৰ গৈ ভিনদেউৰ ঘৰত হাজিৰ। মোক তেখেতে বুজালে— 'তুমি এইদৰে গুচি আহিলে ছাত্ৰখিনি বৰ বেয়াকৈ ক্ষতিগ্ৰস্ত হ'ব। তুমি বাৰু তোমাৰ ইস্তফা-পত্ৰ প্ৰত্যাহাৰ কৰিব নালাগে যেতিয়া মন যায়, গুচি আহিবা। কিন্তু এতিয়া তুমি আকৌ স্কুললৈ ঘূৰি আহা। এয়া মোৰ বিশেষ অনুৰোধ।' মই তবধ মানিলোঁ। অকল ছাত্ৰখিনিৰ স্বাৰ্থতেই মোক এইদৰে বুজাবলৈ দৌৰি আহিছে মোৰ পিতৃ বয়সৰ এজন ব্যক্তি। মোৰ অহঙ্কাৰে হাৰ মানিলে। অজানিতেই মোৰ মুখৰ পৰা ওলাল, 'ছাৰ কাইলৈৰপৰা মই আকৌ স্কুললৈ যাম।'

দীৰ্ঘদিনৰ চাকৰিৰ অন্তত এতিয়া ময়ো অৱসৰ ল'লোঁ। বহুতো ব্যক্তিক লগ পালোঁ। কিন্তু সমাজ, অনুষ্ঠানৰ স্বাৰ্থক অগ্ৰাধিকাৰ দি নিজৰ পুত্ৰসম এজনক অনুৰোধ কৰিবলৈ দৌৰি অহা এনে ব্যক্তি এজনেই পালোঁ।

মোৰ চাকৰি জীৱনৰ প্ৰথম বছৰতে শ্ৰদ্ধেয় খাওণ্ড ছাৰৰ লগত হোৱা এনে অভিজ্ঞতাই মোৰ মনত গভীৰভাৱে ৰেখাপাত কৰিলে।

আজিৰ বিদ্যালয়-মহাবিদ্যালয়সমূহৰ অধিকাংশৰে পৰিচালনা সমিতিৰ খাম-খেয়ালিৰ অন্ত নাই, সভাপতি-ছেক্ৰেটেৰীৰ দুৰ্নীতি, স্বজন-প্ৰীতিৰ অন্ত নাই। সেয়েহে নতুন প্ৰজন্মই বিশ্বাস কৰিবলৈকে টান পাব যে বিদ্যাধৰ খাওণ্ড নামৰ এজন ব্যক্তি আছিল— যি সমাজখনক হাড়ে-হিমজুৱে ভাল পাইছিল, যি অঞ্চলটিৰ সৰ্বাঙ্গীন উন্নতিৰ বাবে অহোপুৰুষাৰ্থ কৰিছিল আৰু যি এজন নীতিনিষ্ঠ কঠোৰ প্ৰশাসক হৈও সমাজৰ সকলো স্তৰৰ ব্যক্তিৰ অকুণ্ঠ শ্ৰদ্ধা-ভক্তি আদায় কৰিবলৈ সক্ষম হৈছিল।

এইজনা ব্যক্তিৰ বিষয়ে এখনি গ্ৰন্থ প্ৰকাশ কৰিবলৈ লোৱা বুলি জানিবলৈ পাই অতিশয় আনন্দিত হৈছোঁ আৰু তেনে মহৎ প্ৰচেষ্টাৰ ময়ো এজন সামান্য অংশীদাৰ হ'বলৈ পাই ধন্য মানিছোঁ। ▸▸

*লেখক পুৰণিগুদাম উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ একালৰ শিক্ষক আৰু ফৰেন্‌চিক বিজ্ঞানাগাৰৰ প্ৰাক্তন সঞ্চালক।*

# স্বপ্নদ্ৰষ্টা প্ৰয়াত বিদ্যাধৰ খাওণ্ড ঃ সশ্ৰদ্ধ সোঁৱৰণ

## যুগলচন্দ্ৰ দেৱ গোস্বামী

ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক সম্পাদক প্ৰয়াত বিদ্যাধৰ খাওণ্ডদেৱৰ লগত আমাৰ সম্পৰ্ক স্থাপিত নহ'লহেঁতেন যদি উক্ত মহাবিদ্যালয়ত প্ৰবক্তাৰূপে কাৰ্যনিৰ্বাহ কৰাৰ সুবিধা নাপালোঁহেঁতেন। এই ক্ষেত্ৰতো এটা কাহিনী আছে। কাহিনীটো হ'ল খাওণ্ডদেৱে আন এগৰাকী যুৱকক 'আমাক দিয়া পদটো দিম বুলি ইতিমধ্যে একপ্ৰকাৰ প্ৰতিশ্ৰুতি দি থৈছিল— এই কথাত আমাৰ সমবয়সীয়া যুৱবন্ধুসকল ক্ষুণ্ণ হৈ পৰিচালনা সমিতিৰ সদস্যবৰ্গৰ লগত মিলিত হৈ তেনে কাৰ্যৰ প্ৰতিবাদ জনোৱাত শেষত জনমতৰ পক্ষত শ্ৰদ্ধেয় খাওণ্ডদেৱে পূৰ্বৰ প্ৰতিশ্ৰুতি উঠাই লৈ আমাক মকৰল কৰে— পৰৱৰ্তী সময়ত এইজন সিংহপুৰুষে আমাক কোনোদিন ৰুক্ষ ব্যৱহাৰ কৰা নাছিল, বৰং মহাবিদ্যালয়খনিৰ সৰ্বাঙ্গীণ উন্নয়নত ব্ৰতী হ'বলৈ পৰামৰ্শ দিছিল।

আমি সত্তৰৰ দশকত উক্ত মহাবিদ্যালয়ত আত্মনিয়োগ কৰোঁ, সেই পৰ্যন্ত নৱাগত আদৰণি অনুষ্ঠান পতা হোৱা নাছিল। ছাত্ৰ একতা সভাৰ তেতিয়াৰ সম্পাদক কন্দৰ্পকুমাৰ ভাগৱতী নামৰ কামৰূপৰ ফালৰ ল'ৰা এজনে পুৰণিগুদাম ৰে'ল ষ্টেচনৰ ওচৰত ভাড়াঘৰত থাকি অধ্যয়ন কৰিছিল। তেওঁ আহি এই মৰ্মে অধ্যক্ষৰ ওচৰত আৰ্জি পেছ কৰে। অধ্যক্ষই এই প্ৰস্তাৱ সাংস্কৃতিক বিভাগৰ তত্ত্বাৱধায়ক শিক্ষক হিচাপে আমাৰ ফালে ঠেলা মাৰি দিলে। ফলত ঘাই ধৰণী মাননীয় সম্পাদকৰ অনুমতি লোৱাৰ বাহিৰে গত্যন্তৰ নাই। অধ্যক্ষক কোৱা সত্ত্বেও তেওঁৰ সাহসৰ অভাৱ

বুলি আমাকেই আগবাঢ়িবলৈ পৰামৰ্শ দিলে!

জিলাৰ ডাক বিভাগৰ শীৰ্ষতম অধিকাৰী লোক হিচাপে ৰবিবাৰৰ বাহিৰে তেখেতক লগ ধৰাৰ অৱকাশ নাথাকে, সেয়েহে তেনে ছেগতে তেখেতৰ গৃহত উপস্থিত হৈ কথাযাৰ জনাবলৈহে পালোঁ— তেওঁ পোনচাটেই নাকচ কৰি ক'লে— 'মই কোনোমতে কলেজখন খাৰা কৰিছোঁ, ল'ৰা-ছোৱালী মিলি সবাহ পাতিবলৈ হ'লে ক'ৰবাত কিবা বদনাম হ'লে তাৰ দায়িত্ব কোনে ল'ব?' আমি নিজৰ যুক্তি প্ৰদৰ্শন কৰি বিদায় ল'লোঁ, আশা-নিৰাশাৰ সপোন দেখি। এদিনৰ পাছত আমাক লগ পাবলৈ মাতি পঠিওৱাত গ'লোঁ। সেইদিনা শ্ৰীখাওণ্ডৰ মুখ পৰিষ্কাৰ, মুখত মিক্সাৰ, বহিবলৈ দি ক'লে— 'প্ৰস্তাৱটো প্ৰথমবাৰৰ বাবে আহিছে, চিন্তা কৰি চালোঁ, দেখা যাওকচোন কি ফল দেখোঁ; কিন্তু এটা কথা, গোটেই দায়িত্ব তোমাৰ ওপৰত থাকিল কিন্তু। ছপা কাগজৰ খচৰাখন মোক দেখুৱাই ল'বা।' অনুক্ৰমে খচৰা দেখুৱালোঁ, তন্নতন্নকৈ পঢ়ি ক'লে— 'এষাৰ কথা যোগ দিয়া, তত্ত্বাৱধাৰকৰূপে তোমাৰ নামটো লিখি দিয়া।' মই ক'লোঁ— অধ্যক্ষ বৰা আছে, মোৰ নাম এনেদৰে দিলে তেওঁ বেয়া পায় যদি?' উত্তৰত দৃঢ়ভাৱে ক'লে— 'বৰাই বেয়া নেপায়, এইটো মোৰ নিৰ্দেশ।' গতিকে নৱাগত আদৰণিৰ ছপা-পত্ৰত তেনেদৰেই নামাংকিত কৰা হ'ল— আগবেলা আলোচনা চক্ৰ, পাছবেলা শিক্ষামূলক সভা— বিশিষ্ট অতিথি তদানীন্তন ৰাজ্যিক মন্ত্ৰী শ্ৰীশৰৎ চন্দ্ৰ গোস্বামীদেৱ। নিৰ্দিষ্ট বক্তা অধ্যক্ষ হৰেশ্বৰ গোস্বামী, সভাপতি আছিল আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয় অধ্যক্ষ আব্দুল হাই ছাৰ। ৰভা দিয়া হৈছিল— কেনেবাকৈ দুই-এটা ফুটা আছিল, মন্ত্ৰীয়ে কথা ক'বলৈ ধৰোঁতে আহিল বৰষুণ। কলেজৰ বাৰাণ্ডাত বহি থকা খাওণ্ড ডাঙৰীয়াই ক'ৰবাৰ পৰা ছাতি এটা আনি ক'লে 'যুগল, মন্ত্ৰীৰ মূৰত ছাতিটো ধৰি সহায় কৰাচোন।'

ভাগ্য ভাল, বৰষুণ তীব্ৰ নহ'ল। মন্ত্ৰী অতি চতুৰ লোক, ভাষণত ক'লে— 'এইয়া বৰষুণ নহয়, এয়া দেৱতাৰ সঞ্জীৱনী পানী, কলেজৰ উন্নতিৰ বাবে দেখুওৱা এয়া আশীৰ্বাদ।' সমবেতসকলে হাত তালি দিলে। কাৰ্যসূচীৰ আগৰপৰা গুৰিলৈ এই সিংহ পুৰুষজনা বহি আছিল, পৰিস্থিতিৰ প্ৰতি গভীৰ দৃষ্টি ৰাখিছিল। সদৌ শেষত আমাক কাষলৈ মাতি নি কৈছিল, 'বস্তুটো দেখোন ভাল, ই টো মোক ঘুণাক্ষৰেও ইতিমধ্যে জনোৱা নাছিল?' মানুহগৰাকীৰ প্ৰতি শ্ৰদ্ধাত আমাৰ শিৰ দোঁ খাই গৈছিল।

এনেদৰেই আমাৰ কাৰ্যকালৰ চাৰে তিনিবছৰীয়া পৰিক্ৰমাত তেখেতক একাত্মভাৱে লগ পাইছিলোঁ, শয়নে-সপোনে কেৱল কলেজ আৰু কলেজ।

এদিন আমাক মাতি নি ক'লে— 'তুমিতো গুৱাহাটীত পঢ়োতে আলোচনীত কাম কৰিছিলা? পাৰি নেকি দুই-চাৰিখন কিতাপ পুথিভঁৰালৰ বাবে আনিবলৈ?'

উত্তৰত চেষ্টা কৰি চাব পাৰোঁ বুলি কোৱাত লগে লগে ক'লে, "অধ্যাপক নৰামক লগত লৈ তুমি যোৱা, যাতায়াতৰ খৰচ মই দিম। পাৰিলে ৰছিদ বহী এখনো নি কিবা অলপ সংগ্ৰহ কৰি দিবা।"

তেখেতৰ আশীৰ্বাদ শিৰত লৈ আমি দুয়ো গুৱাহাটী বিশ্ববিদ্যালয়ৰ ছাত্ৰনিৱাসৰ শ্ৰীগুণদা শৰ্মাৰ আলহীৰূপে দুদিনমান থাকিলোঁ। তেওঁক আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ত শিক্ষকতা কৰোঁতে পাইছিলোঁ। সম্প্ৰতি তেওঁ অতিৰিক্ত উপায়ুক্ত। গুৱাহাটীৰ বিভিন্ন কিতাপৰ দোকান, যেনে— দত্ত বৰুৱা এণ্ড কোং, লয়াৰ্ছ বুক ষ্টল, গুৱাহাটী বুক ষ্টল আদিত দুমুনীয়া বস্তাৰ এবস্তা কিতাপ আৰু হাজাৰতকৈ অধিক ধন সংগ্ৰহ কৰি মাননীয় সম্পাদকক জনোৱাত তেখেত উৎফুল্লিত হৈ আমাৰ দুয়োজনৰ পিঠিত চপৰিয়াই প্ৰশংসা কৰিছিল। সেই স্মৃতি মচিব নোৱৰা।

পুৰুষসিংহ বিদ্যাধৰ খাওণ্ডদেৱৰ বিষয়ে বহু কিছু লিখিব পাৰি যদিও স্বাস্থ্যগত সমস্যাৰ বাবে সদ্যহতে বিৰত থাকি, এদিনৰ এটা কথা উল্লেখ কৰি সামৰণি মাৰিম। ধন সংগ্ৰহ, লটাৰী টিকট বিক্ৰী, বিভিন্ন নাট্যদলৰ নাট্যসম্ভাৰৰ দ্বাৰা এই মহাবিদ্যালয়ৰ আৰম্ভণিত প্ৰয়োজন হৈছিল আৰু নিজৰ গুৰু দায়িত্ব বিভাগীয় নীতি অনুসৰি পালন কৰিছোঁ কেতিয়াবা তেখেতে হঠাতে ধমকি মাৰি শিক্ষক-ছাত্ৰক স্তম্ভিত কৰিছিল। এদিন অধ্যক্ষৰ কোঠাত অধ্যক্ষ আৰু আমি বহি আছিলোঁ। সময়ৰ কথা পাহৰিলোঁ। সম্পাদক ডাঙৰীয়া হঠাত আহি অধ্যক্ষৰ কোঠাত উপস্থিত, আমি উঠি থিয় হৈ স্বাগতম জনালোঁ, আমাকো বহিবলৈ দি তেখেত নিজে বহিল। হঠাৎ চকু পৰিল, অধ্যক্ষৰ টেবুলৰ কাষত চুণৰ দাগ, 'এইবোৰ কি?'— অধ্যক্ষ বৰাই পকেটৰ পৰা ৰুমালখন উলিয়াই মচিবলৈ আগবঢ়াত বাধা দি ক'লে— 'এইটো আপোনাৰ কাম নহয়।' 'কিশোৰী' বুলি চিঞৰি মতাত উধাতু খাই কিশোৰী চকীদাৰ উপস্থিত, 'এয়া কি, কি চাফা কৰিছ তই?' কিশোৰীয়ে গামোচাৰ আগ এটা পানীত জুবুৰিয়াই টেবুলৰ চুণৰ দাগটো আঁতৰ কৰিলে যদিও সম্পাদক ডাঙৰীয়াই সেইদিনা কোনো কথাৰ অৱতাৰণা নকৰি কেৱল ক'লে, 'আপোনাক ছেক্ৰেটাৰী টেবুলে নুশুৱায়, আপোনাক বাঁহৰ গাধৰি এখনহে বনাই দিয়াব লাগিব।' কৈ কৈ তেখেত ওলাই গ'ল, আমি দুয়ো বজ্ৰপাত মূৰত পৰাৰ দৰে ভালেখিনি পৰলৈ থৰ হৈ আছিলোঁ। ▸▸

*লেখক ড° বিৰিঞ্চি কুমাৰ বৰুৱা মহাবিদ্যালয়ৰ একালৰ প্ৰবক্তা আৰু পুৰণিগুদাম ৰাধাকান্ত বৰুৱা উচ্চতৰ মাধমিক বিদ্যালয়ৰ অসমীয়া বিভাগৰ অৱসৰপ্ৰাপ্ত বিষয় শিক্ষক*

# ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাৰ আঁৰৰ কিছু কথা

**খগেন বৰা**

সময়ৰ সোণালী সূতাৰে গোঁঠা আৰু জীৱনৰ পৰা ক্ষণ, ঘণ্টা, দিন, মাহ বছৰৰ হিচাপত অতি সন্তৰ্পণে একেবাৰে হেৰাই যোৱা দিনছোৱাৰ কেইটামান বছৰ পুৰণিগুদামৰ ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়ত জীৱিকাৰ বাবে শিক্ষক হিচাপে কটাব লগা হৈছিল। কৰ্ম ব্যস্ততা আৰু ৰোমাঞ্চকৰ সেই দিনছোৱাৰ আৱেগ জড়িত স্মৃতি (নষ্টালজিয়া) মনৰ গভীৰত এতিয়াও সযতনে সাঁচি থৈছোঁ এক অমূল্য সম্পদ হিচাপে জীৱনৰ অনাগত দিনবোৰৰ পাথেয় হিচাপে।

ষাঠিৰ দশকৰ শেষৰ ফালে পুৰণিগুদামৰ নিচিনা এক বৃহৎ অঞ্চলত উচ্চ শিক্ষাৰ এটা অনুষ্ঠান-প্ৰতিষ্ঠাৰ কথা যি সকল মহান ব্যক্তিৰ চিন্তাৰ মাজলৈ আহিছিল, সেই সকল ব্যক্তিৰ মাজৰ পৰা প্ৰয়াত 'বিদ্যাধৰ খাওণ্ড' ডাঙৰীয়াৰ নামটো প্ৰথমেই উল্লেখ কৰিব লাগিব। তেখেতৰ আজিৰ ৪০ তম্ মৃত্যু বাৰ্ষিকীত তেখেতক আন্তৰিক শ্ৰদ্ধাৰে স্মৰণ কৰিছোঁ। এই কলেজৰ জন্মৰ সময়ত কলিয়াবৰৰ পৰা নগাঁও চহৰলৈ, চাপানলাৰ পৰা ৰূপহীলৈকে এই বিস্তৃত অঞ্চলটোত উচ্চ শিক্ষাৰ বাবে এখনো কলেজ নাছিল। তেনে এক পৰিস্থিতিত এই কলেজখন প্ৰতিষ্ঠা হৈছিল ১৯৬৭ চনত। আমাৰ দৃষ্টিত এই কলেজখন প্ৰতিষ্ঠাত এইজন মহান ব্যক্তিৰ অৱদান কৰ্মক্ষমতা, ত্যাগ আৰু উদ্যম সদায় প্ৰেৰণা হৈ থাকিব।

সম্ভৱতঃ ১৯৬৮ চনৰ শেষৰ ফালে এই কলেজত যোগদান কৰিছিলোঁ শিক্ষক হিচাপে। একে সময়তে ইংৰাজী বিভাগত মৰিগাঁৱৰ শ্ৰীনৰকান্ত বৰদলৈয়েও শিক্ষক হিচাপে যোগদান কৰিছিল। অধ্যক্ষ আছিল প্ৰয়াত প্ৰণৱ কুমাৰ বৰা। অধ্যক্ষৰ পৰা কলেজ সম্পৰ্কে, ছাত্ৰ-ছাত্ৰীৰ সংখ্যা, আৰ্থিক অৱস্থাৰ বিষয়ে কিছু অৱগত হোৱাৰ পাছত হতাশ হৈছিলোঁ। কাৰণে আমি দুয়ো বিষয় শিক্ষক আছিলোঁ এই কলেজলৈ অহাৰ আগতে। সেই সময়ত কলেজত আৰ্থিক অৱস্থা একেবাৰে শোচনীয় আছিল। শিক্ষকসকলক যি ন্যূনতম পাৰিশ্ৰমিক দিয়া হৈছিল। সিও একেলগে একে সময়তে দিব পৰা অৱস্থা নাছিল। এনে পৰিস্থিতিৰ সময়তে শ্ৰদ্ধেয় প্ৰয়াত খাওণ্ড ডাঙৰীয়া যাক আমি 'দেউতা' সম্বোধন কৰিছিলোঁ, তেখেত আমাৰ মাজত আমাৰে এজন অভিভাৱক হিচাপে একান্ত হৈ পৰিছিল, তেখেতৰ সকলো ক্ষেত্ৰতে সহজভাৱে লোৱা সিদ্ধান্ত, কৰ্ম স্পৃহাই আমাক সাহস দিছিল আৰু হতাশা আঁতৰাইছিল। পৰিচালনা সমিতিৰ সভাপতি প্ৰয়াত বলদেৱ গোস্বামী আছিল। তেখেতেও প্ৰায়ে কলেজলৈ আহি শিক্ষকসকলৰ লগত কলেজ সম্পৰ্কে আলোচনা কৰিছিল। কলেজৰ সকলো গুৰুত্বপূৰ্ণ কথাত খাওণ্ড ডাঙৰীয়াই শিক্ষকসকলৰ লগত আলোচনা কৰি সিদ্ধান্ত গ্ৰহণ কৰিছিল।

দিনটোৰ সৰহখিনি সময়েই খাওণ্ড ডাঙৰীয়াই কলেজৰ পুঁজিৰ বিষয়ে চিন্তা কৰি থাকে। তেখেতৰ আমন্ত্ৰণ ক্ৰমে প্ৰায়ে সন্ধিয়া তেখেতৰ ঘৰলৈ গৈছিলোঁ। লগত শ্ৰীনৰকান্ত বৰদলৈ থাকে। যেতিয়াই তেখেতক লগ পাওঁ কেনেকৈ কলেজৰ পুঁজি টনকিয়াল কৰিব পাৰি তাৰেই আলোচনা। তেখেতে প্ৰায়ে কৈছিল কিছু কষ্ট কৰি কলেজখন বনাই লওক— আপোনালোক কলেজখনৰ সৰ্বেসৰ্বা হৈ থাকিব। প্ৰায়ে আমাক কৈছিল, 'আপোনালোক কলেজখন এৰি নাযাব, যদি যায় এদিন পস্তাব। সেই সময়তে আমাৰ কলেজৰ দুজন শিক্ষক উচ্চতৰ মাধ্যমিক স্কুলৰ বিষয় শিক্ষক হিচাপে গুচি গৈছিল। কাৰণ তাত দৰমহা কলেজতকৈ অলপ বেছি পাইছিল। এই ঘটনাক তেখেতে এক প্ৰকাৰ কটাক্ষ কৰি আমাক উদ্দেশ্য কৰি কৈছিল— আপোনালোকৰ দুয়োৰে মন সদায় উচ্চাকাংক্ষী, স্কুলৰ বিষয় শিক্ষক এৰি কলেজলৈ আহিছে, আকৌ ইফালে কলেজ এৰি স্কুললৈ গৈছে। আশা কৰোঁ আপোনালোকৰ এই উচ্চ মনোভাব সদায় থাকিব।

আৰম্ভণিতে কলেজত ছাত্ৰ-ছাত্ৰীসকলৰ সংখ্যা বৰ কম আছিল। ছাত্ৰ-ছাত্ৰীৰ নামভৰ্তিৰ সংখ্যাৰ ওপৰতে কলেজৰ আৰ্থিক অৱস্থা নিৰ্ভৰ কৰে। সেই বাবে কলেজত নামভৰ্তিৰ সংখ্যা বৃদ্ধি কৰাৰ উদ্দেশ্যে প্ৰৱেশিকা পৰীক্ষাৰ ফলাফল

ওলোৱাৰ লগে লগে শ্ৰদ্ধেয় খাওণ্ডদেৱৰ পৰামৰ্শতে এই অঞ্চলৰ প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীৰ ঠিকনা লৈ আমি কেইজনমান শিক্ষক-কৰ্মচাৰী একেলগে কিছু সংখ্যক ছাত্ৰ-ছাত্ৰী আৰু তেওঁলোকৰ অভিভাৱকৰ নিজা ঘৰত আমাৰ কলেজত নামভৰ্তি কৰিবলৈ অনুৰোধ কৰিছিলোঁ। খাওণ্ডদেৱৰ পৰামৰ্শ ফলপ্ৰসূ হৈছিল। এই ব্যৱস্থাত আমি উল্লেখযোগ্য সাহায্য পাইছিলোঁ। এই প্ৰক্ৰিয়াকেইটা কেইবা বছৰলৈ চলিছিল। কিন্তু পিছলৈ ইয়াৰ প্ৰয়োজন কমি আহিছিল। কলেজৰ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বৃদ্ধি কৰি কলেজৰ আৰ্থিক সচ্চলতা বৃদ্ধি কৰা খাওণ্ডদেৱৰ এইটো এটা ডাঙৰ কৃতিত্ব। অনুষ্ঠানটোৰ (কলেজ) সৰ্বতোপ্ৰকাৰ উন্নতিৰ আঁৰত শ্ৰদ্ধাৰ খাও গুদেৱ মূল লাইখুটা।

সেই বছৰৰ পূজা বন্ধৰ আগে আগে তেখেতে আমাক তেখেতৰ ঘৰলৈ মাতিলে। সন্ধ্যা তেখেতৰ ঘৰতে লগ ধৰিলোঁ। পূজা দীঘলীয়া বন্ধত কি কৰিম সুধিলে। আমাৰ কোনো প্ৰগ্ৰেম নাই বুলি কোৱাত ইমান দীঘলীয়া বন্ধত এনেয়ে থকাতকৈ উজনি অসমৰ ফালে আমাক ফুৰি আহিবলৈ পৰামৰ্শ দিলে। আমি আচৰিত হ'লোঁ। কলেজৰ এই দুৰ্দিনত আমাক ফুৰিবলৈ পঠাইছে। পাছতহে বুজিলোঁ। তেখেতে এটা চাৰিজনীয়া টিম কৰিলে আৰু উজনি অসমৰ কিছু ঠাইত কলেজৰ পুঁজি সংগ্ৰহ কৰিবলৈ পৰামৰ্শ দিলে। টিমৰ সদস্য ক্ৰমে আমি আৰু শ্ৰীনৱকান্ত বৰদলৈ, কলেজৰ অৰ্থনীতি বিভাগৰ প্ৰবক্তা প্ৰয়াত নৰাম বৰা আৰু শ্ৰীযুগল কুমাৰ শইকীয়া (শ্ৰীশইকীয়া কলেজৰ শিক্ষা বিভাগৰ প্ৰবক্তা শ্ৰীমতী লখিমী শইকীয়াৰ ভাতৃ, পেৰা চাইক'লজিৰ ডিপ্লোমা লৈ ঘৰতে আছে; ঘৰ পথুকটাত) শ্ৰীবৰদলৈৰ বাহিৰে আমি তিনিওজন ৰাজি হ'লোঁ আৰু খাওণ্ডদেৱৰ কথামতে আমি তিনিও কিছু ৰচিদ বহী লৈ ওলালোঁ, ড° বি. কে. বি কলেজৰ কাৰণে পুঁজি সংগ্ৰহ কৰিবলৈ উজনি অসমৰ কেইবাখনো চহৰত।

যাত্ৰা আৰম্ভ কৰিলোঁ (চন, তাৰিখ এতিয়া মনত নাই) প্ৰথমে যোৰহাটত প্ৰাক্তন মন্ত্ৰী প্ৰয়াত দুলাল বৰুৱাদেৱক লগ ধৰিলোঁ। তেখেতৰ লগত যুগল শইকীয়া আৰু আমাৰ ব্যক্তিগত চিনাকি আছিল। তেখেতৰ পৰামৰ্শ মতে যোৰহাটত দুদিন থাকি কিছু অৰ্থ সংগ্ৰহ কৰিলোঁ। যোৰহাটৰ পৰা ডিব্ৰুগড় পালোঁগৈ। ডিব্ৰুগড়ত তিনিদিন থাকি প্ৰয়াত নিবাৰণ বৰাদেৱৰ সহায়ত আসাম চেম্বাৰচ্ অব কৰ্মাচৰ সভাপতি ওমপ্ৰকাশ কেজ্ৰিৱালক লগ ধৰিলোঁ তেখেতৰ পৰা ইতিবাচক সঁহাৰি লাভ কৰিলোঁ। প্ৰয়াত নিবাৰণ বৰাদেৱৰ সহায়ত দুখন চাহ বাগিচাৰ পৰা কিছু ধন সংগ্ৰহ কৰিব পাৰিলোঁ চেক্ যোগে। প্ৰয়াত ৰমেশ বৰুৱা ড° বি কে বৰুৱাৰ জেঠেৰীয়েক। তেখেত সেই

সময়ত অসম বিধান সভাৰ অধ্যক্ষ আছিল। যিহেতু ড° বিৰিঞ্চিকুমাৰ বৰুৱা কলেজখন ৰমেশ বৰুৱাদেৱৰ ভিনিহিয়েকৰ নামত হৈছে, তেখেতক লগ ধৰিছিলোঁ কিন্তু ইতিবাচক সঁহাৰি নাপালোঁ। বিশ্ববিদ্যালয়ত সহপাঠী বন্ধু উত্তৰ লখিমপুৰৰ শ্ৰীজীৱন দত্ত ডাঙৰীয়াৰ আমন্ত্ৰণ ক্ৰমে উত্তৰ লখিমপুৰ পালোঁগৈ। বন্ধু জীৱন দত্ত সেই সময়ত উত্তৰ লখিমপুৰৰ প্ৰতিষ্ঠিত ঠিকাদাৰ। তেওঁৰ সহায়ত উত্তৰ লখিমপুৰ টাউনত কিছু অৰ্থ সংগ্ৰহ কৰিবলৈ সক্ষম হ'লোঁ। সেই সময়ত বিহপুৰীয়াৰ বিধায়ক শ্ৰীপ্ৰেমধৰ বৰা আছিল। তেখেতৰ লগত আমাৰ ব্যক্তিগত সান্নিধ্য আছিল। তেখেতৰ 'খোড়া'ৰ ঘৰত লগ কৰিলোঁ। তিনিদিন তেখতৰ ঘৰত থাকি, তেখেতৰ জৰিয়তে কিছু আৰ্থিক সঁহাৰি লাভ কৰোঁ। সম্পূৰ্ণ ওঠৰ দিনৰ পাছত বহী কেইখন পাঁচশ টকাৰ দুখন চেক্ আৰু প্ৰায় ৫০০০.০০ নগদ টকা খাওণ্ড ডাঙৰীয়া হাতত তুলি দিলোঁ তেখেতে সেই দিনা আমাক সাবটি ধৰিছিল। সেই স্মৃতি মানসপটত এতিয়াও সজীৱ হৈ আছে।

কলেজৰ পুঁজি সংগ্ৰহৰ কাৰণে খাওণ্ড ডাঙৰীয়াই কলেজৰ অধ্যক্ষ, শিক্ষকসকলৰ কেইজনমান আৰু কিছু সংখ্যক শুভাকাংক্ষীক লৈ কেইটামান আঁচনি লৈছিল। ধানৰ বতৰত কলেজ পুঁজিৰ কাৰণে ধান সংগ্ৰহ কৰা হৈছিল প্ৰতি বছৰে। অঞ্চলৰ গাঁওবিলাকত ধান সংগ্ৰহ কৰা হৈছিল। এই অভিযানত খাওণ্ড ডাঙৰীয়া সদায় লগত আছিল। এই অভিযানত সদায় সহযোগ কৰা জ্যেষ্ঠ ব্যক্তি প্ৰয়াত শশী হাজৰিকাদেৱৰ নামটো উল্লেখ নকৰিলে অন্যায় হ'ব। তেখেতক শ্ৰদ্ধাৰে সুঁৱৰিছোঁ।

ৰূপহী বজাৰৰ মহলদাৰৰ সহায়ত অৰ্থ সংগ্ৰহ কৰা হৈছিল। খাওণ্ডদেৱৰ কথা মতে আমলখি চাহ বাগিচাৰ পৰা তাৰ অফিচৰ মুখ্য সহায়ক প্ৰয়াত মিঠাৰাম বৈৰাগীৰ জৰিয়তে লগতে বাগানৰ মেনেজাৰ শ্ৰীচেটাৰ্জী ডাঙৰীয়াৰ পৰা আৰু শ্ৰমিক নেতা 'নাগ' (প্ৰাক্তন বিধায়ক বলোৰাম নাগৰ পিতৃ) ডাঙৰীয়াৰ জৰিয়তেও কলেজলৈ সাহায্য আগবঢ়াইছিল। নাগ ডাঙৰীয়াই শ্ৰমিকৰ দৰ্মহাৰ পৰা সামান্য অংশ কৰ্তন কৰি কলেজৰ পুঁজিলৈ অনুদান দিছিল। পুৰণিগুদাম উচ্চতৰ মাধ্যমিকৰ শিক্ষক প্ৰয়াত টঙ্কেশ্বৰ বৰাদেৱৰ লগত কাৰ্বি আংলঙৰ লাংহিং আৰু ফুলনি আদি ঠাইৰ পৰাও অৰ্থ সংগ্ৰহ কৰা হৈছিল। লাংহিঙৰ FCIৰ সহঃ মেনেজাৰ প্ৰয়াত যোগেন বৰা টঙ্কেশ্বৰ বৰাৰ সৰু ভাতৃ। সেই আলমতে তেখেতৰ সহায়ত এই অৰ্থ সংগ্ৰহ কৰা হৈছিল।

প্ৰতিবছৰে এইধৰণেই কলেজৰ কাৰণে এই সংগ্ৰহৰ কাম চলি আছিল। মাজে মাজে বিশেষকৈ দৰ্মহাৰ সময়ত অৰ্থৰ নাটনিৰ বাবে দৰ্মহাৰ জোৰা মাৰিব নোৱৰা ধুমুহা আহে। সেই নাটনিৰ জোৰা মাৰিছিল খাওণ্ড ডাঙৰীয়াই। তেখেতে নগাঁও মূল

ডাকঘৰত কাম কৰিছিল। দৰ্মহাৰ নাটনিৰ সময়ত ডাকঘৰৰ পৰাও টকা ধাৰে আনি কলেজৰ শিক্ষক-কৰ্মচাৰীৰ দৰ্মহা আদায় দিছিল বুলি আমাৰ মুখে শুনিছিলোঁ। প্ৰয়াত সূৰ্য বৰুৱাদেৱৰ নেতৃত্বত নাগালেণ্ড জিলা পৰিবহণ বিষয়া পুৰণিগুদাম নআলিৰ মঃ জাফৰ ডাঙৰীয়াক ঘৰতে লগ ধৰি তেওঁৰ কৰ্মক্ষেত্ৰৰ পৰা কলেজৰ কাৰণে অৰ্থ সংগ্ৰহ কৰি দিবলৈ অনুৰোধ কৰিছিলোঁ। তেখেতে আমাৰ অনুৰোধ ৰক্ষা কৰি প্ৰায় ২৪,৪০০ টকাৰ এখনি চেক্ ছমাহৰ পাছত কলেজৰ অধ্যক্ষৰ নামত প্ৰেৰণ কৰে। তেখেতৰ প্ৰতিও এই সুযোগতে শ্ৰদ্ধা আৰু কৃতজ্ঞতা জনালোঁ।

প্ৰতি বছৰে অপ্ৰাদেশিকৃত কলেজসমূহত পৰিদৰ্শন কৰা হয় বিশ্ববিদ্যালয়ৰ ফালৰ পৰা পৰিদৰ্শন কাৰণে কলেজত জমাৰ ঘৰত ডাকঘৰত নিৰ্দিষ্ট পৰিমাণৰ দুটা জমা থাকিব লাগে এটা Fixed আৰু আনটো Reeurning জমা। সেই সময়ত কলেজৰ জমাৰ ঘৰত অতি সামান্য পৰিমাণৰ ধনহে জমা আছিল। পৰিদৰ্শকে নিয়ম অনুযায়ী ধন নাপালে কলেজৰ affiliation কৰ্তন কৰিব এই সমস্যাই সকলোকে চিন্তিত কৰি তুলিলে। বিভিন্ন ঠাইলৈ টকা বিচাৰি যোৱা হ'ল। শেষত পুৰণিগুদাম ডাকঘৰৰ ডাকমাষ্টৰ প্ৰয়াত জোনাৰাম শইকীয়া ডাঙৰীয়াই এই বিপদৰ পৰা তেখেতৰ নিজা প্ৰচেষ্টাৰে ৰক্ষা কৰে। তেখেতকো এই সময়তে শ্ৰদ্ধাৰে সুঁৱৰিছোঁ। জনা-নজনা বহুজনৰে এই কলেজৰ প্ৰতিষ্ঠাৰ সময়ত বহুত অৱদান আছে। সকলোৰে নাম উল্লেখ কৰা সম্ভৱ নহয় সেই বাবে আমি দুঃখিত আৰু ক্ষমা প্ৰাৰ্থী।

পুৰণিগুদাম নগাঁও জিলাৰ পুৰণি সদৰ ঠাই হিচাপে এখন বৌদ্ধিক চহৰ। কলং নদীৰ দুয়োপাৰৰ অসমীয়া কৃষ্টি, সংস্কৃতি আৰু সভ্যতাই পাৰৰ ৰাইজক সংস্কৃতিবান কৰিছে। পুৰণিগুদামৰ মধ্য স্থানত অৱস্থিত বাপুজী ভৱন আৰু পুথিভঁৰাল, পাৰঘাটৰ বাৰেচহৰীয়া ভাওনা আৰু কেএগপট্টিৰ কাঠৰ দুৰ্গা গোসাঁনীয়ে এই সংস্কৃতিৰ বাহক হিচাপে পৰিচয় দিছে। পুৰণিগুদামত সামাজিক জীৱন আছে। সকলোকে আঁকোৱালি ল'ব পৰা মানৱতাবোধ ইয়াত আছে। বিহু, ঈদ, পূজা, মহৰম আদি উৎসৱৰ ইয়াত কোনো পাৰ্থক্য আৰু প্ৰভেদ নাই। ইয়াত জাতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষে সকলোৱে সকলো উৎসৱতে অংশগ্ৰহণ কৰে। ইয়ে ইয়াৰ বহল সামাজিক ভেটি।

অপ্ৰাদেশিকৃত স্কুল-কলেজত কাম কৰা কষ্টকৰ কিন্তু ৰোমাঞ্চকৰ। পুৰণিগুদাম কলেজত কটোৱা প্ৰায় ছয়টা বছৰ জীৱনৰ এতিয়া এটা সোণালী অধ্যায় যেন লাগে। বহুত কষ্ট, ত্যাগ আৰু নিষ্ঠাৰে সেই দিনবোৰ পাৰ কৰিছিলোঁ। মাত্ৰ খাওণ্ড ডাঙৰীয়াৰ কাৰণেই এইটো সম্ভৱ হৈছিল। তেখেতৰ চেষ্টা আৰু ত্যাগৰ কাৰণে আজি ড° বিৰিঞ্চি কুমাৰ বৰুৱা মহাবিদ্যালয়ৰ পূৰ্ণ প্ৰতিষ্ঠিত ৰূপত পুৰণিগুদামত জিলিকি আছে আৰু

অঞ্চলৰ শ শ ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক দিশত সহায় কৰিছে। খাওণ্ড ডাঙৰীয়াৰ এই ৪০ তম্ মৃত্যু বাৰ্ষিকী ৰাজহুৱাভাৱে উদ্‌যাপনৰ সিদ্ধান্তৰ প্ৰতি ব্যক্তিগতভাৱে আদৰণি জনাইছোঁ। কলেজ প্ৰতিষ্ঠাৰ আঁৰৰ বহুত কথাই লিখিব লগা আছিল। লেখাটো দীঘলীয়া হ'ব আৰু কিছু ক্ষেত্ৰত অপ্ৰাসঙ্গিক হ'ব। ব্যক্তিগত কথা ইতিমধ্যে অনিচ্ছাকৃতভাৱে বহুত লিখা হ'ল। জীৱনৰ বহুতো কথাই বয়সে আঁজুৰি নিছে। গতিকে পাহৰিছোঁ। যিসকল ব্যক্তি এই কলেজখনৰ উন্নতিত সকলো ক্ষেত্ৰতে আমাৰ লগত একাত্মভাৱে আছিল, তেখেতসকলক আজি এই শুভদিনত শ্ৰদ্ধাৰে সুঁৱৰিছোঁ।

প্ৰয়াত বিদ্যাধৰ খাওণ্ডদেৱৰ নাম আৰু স্মৃতি ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়ৰ লগত এক হৈ থাওক আৰু প্ৰতিবছৰে তেখেতৰ স্মৃতিচাৰণ কৰা হওক, তেখেতৰ নামত কলেজৰ কোনো অংশ নামকৰণ কৰা হওক ইয়াকে আশা কৰি স্মৃতিগ্ৰন্থ সম্পাদনা সমিতিয়ে আমাক দিয়া দায়িত্ব সামৰ্থ আনুযায়ী সম্পাদন কৰিলোঁ। এই দায়িত্ব আমাৰ ওপৰত অৰ্পণ কৰাৰ কাৰণে আন্তৰিক কৃতজ্ঞতা জনালোঁ। ⁂

*লেখক পুৰণিগুদাম ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়ৰ*
*বুৰঞ্জী বিভাগৰ প্ৰাক্তন প্ৰবক্তা*

# মোৰ দৃষ্টিত শ্ৰদ্ধাৰ বিদ্যাধৰ খাওণ্ড

পুলিন হাজৰিকা

যোৱা শতিকাৰ পঞ্চাশৰ দশকৰ কথা। মই তেতিয়াৰ পুৰণিগুদাম ৰাধাকান্ত বৰুৱা হাইস্কুলৰ ছাত্ৰ। সময়ে সময়ে লক্ষ্য কৰোঁ এগৰাকী ধুতী চোলা পৰিহিত, দেখিলে উচ্চ পদবীৰ চাকৰি কৰা যেন লগা ভদ্ৰলোক বিদ্যালয়খনৰ তেতিয়াৰ প্ৰধান শিক্ষক নীলৰঞ্জন বৰঠাকুৰ ছাৰৰ লগত বিদ্যালয়ৰ চৌদহৰ চাৰিওফালে ঘূৰি-পকি কিবা কথা আলোচনা কৰি থাকে আৰু পিছে পিছে চকীদাৰ সিংহাসন আৰু ভোগেশ্বৰ ঘূৰি ফুৰে। প্ৰথম অৱস্থাত মানুহজনক চিনি নাপালেও পিছত জানিব পাৰিলোঁ— তেখেত বিদ্যালয়ৰ ছেক্ৰেটাৰী বিদ্যাধৰ খাওণ্ড। সকলো সময়তে হাতেৰে পকোৱা মিক্সাৰ এটা দুই আঙুলিৰ মাজত লৈ, কথা-বতৰা, খোজ-কাটল সকলাতে এক আভিজাত্য বজাই ৰাখি, এজন দক্ষ প্ৰশাসক হিচাপে বিদ্যালয়খনৰ সকলো দিশ যি ধৰণেৰে তদাৰক কৰিছিল; সেই কথা কেতিয়াও আমাৰ মানসপটৰ পৰা আঁতৰি যাব নোৱাৰে। তেখেতে নগাঁও প্ৰধান ডাকঘৰৰ হেড পোষ্টমাষ্টৰ হিচাপে চাকৰি কৰিছিল। সেয়ে প্ৰতি ৰবিবাৰে আমি তেখেতক ন-দহবজাৰ ভিতৰত বিদ্যালয়লৈ গহীন খোজেৰে ওলই যোৱা দেখো। গোটেই দিনটো চকীদাৰ কেইজনক লৈ বিদ্যালয়ৰ চৌহদ পৰিষ্কাৰ কৰা, গছপুলি, কলপুলি, ফুল আদি লগোৱা কাম তদাৰক কৰি আবেলি ঘৰলৈ ঘূৰি আহে। হাইস্কুলখনৰ সন্মুখৰ ভৱনটোৰ পেনেল দৰ্জাবিলাকত এজন এজন মানুহৰ নাম খোদিত কৰাই থোৱা লক্ষ্য কৰি অনুসন্ধান কৰোঁতে গম পালোঁ খাওণ্ডদেৱে ডাকঘৰসমূহত মকৰল কৰা পিয়নসকলৰ পৰা এখনকৈ দৰ্জা দান

লৈ এনেদৰে নাম লিখি ৰাখিছে। সেই তেতিয়াই ছাত্ৰ অৱস্থাতে তেখেতৰ কৰ্ম প্ৰেৰণাই আমাক বৰকৈ আকৃষ্ট কৰিছিল আৰু অন্তৰত গভীৰ ৰেখাপাত কৰিছিল। বোধহয় তেখেতৰ সেই নিঃস্বাৰ্থ কৰ্মসংস্কৃতিয়ে আমাকো ছাত্ৰ অৱস্থাৰ পৰাই সামাজিক কাম কৰাৰ প্ৰতি অনুপ্ৰেৰণা যোগাই আহিছিল।

আমি ছাত্ৰজীৱন সমাপ্তিৰ লগে লগেই চাকৰি জীৱনত ভৰি দি আকৌ লক্ষ্য কৰিলোঁ এই কৰ্মযোগীজনে পুৰণিগুদাম হাইস্কুল স্বয়ং সম্পূৰ্ণ কৰি পুনৰ এখন কলেজ স্থাপন কৰাৰ বাবে নতুন উদ্যমেৰে সংগঠনত মনোনিৱেশ কৰিছে। বাপুজী ভৱনত অনুষ্ঠিত হোৱা ৰাজহুৱা সভাত তেখেতে বিনাবাক্য ব্যয়েৰে সম্পাদকৰ গধুৰ দায়িত্ব গ্ৰহণ কৰিলে। সাংগঠনিক দিশত থকা তেখেতৰ সবল প্ৰভাৱে বৃহত্তৰ পুৰণিগুদাম অঞ্চলৰ সকলো ৰাইজকে কলেজ স্থাপনৰ বাবে একত্ৰিত কৰিলে। তেখেতৰ আহ্বানত আৰু তেখেতৰ প্ৰতি থকা শ্ৰদ্ধাত আমিবিলাকেও দান-বৰঙণি সংগ্ৰহত ভলণ্টিয়াৰ হিচাপে যোগদান কৰিলোঁ। কলেজৰ নামকৰণকে আদি কৰি বিভিন্ন বিষয়ত সেই সময়ত বহু মতানৈক্যও হৈছিল যদিও খাওণ্ডদেৱ তেখেতৰ মতত সদায় দৃঢ় আছিল, যাৰ বাবে তেখেতে সকলো বাদানুবাদ বা বাধা-বিঘিনি হেলাৰঙে অতিক্ৰম কৰি আগবাঢ়ি যোৱাত সফল হৈছিল।

পুৰণিগুদাম হাইস্কুল আৰু পুৰণিগুদাম কলেজ নিৰ্মাণত খাওণ্ডদেৱে শেষ বয়সলৈকে শাৰীৰিক আৰু মানসিকভাৱে যি কষ্ট স্বীকাৰ কৰি গ'ল, সেই কথা সেই সময়ত দেখা কোনো লোকেই কেতিয়াও পাহৰিব নোৱাৰে। কলেজৰ সাহায্যাৰ্থে অনা সুৰদেৱী থিয়েটাৰৰ এবছৰ পুহমহীয়া ঠাণ্ডাত এখন নাটক চাই ঘৰলৈ উভতি আহি ভাত খাই মনত পৰিল— মই ঠাণ্ডা বাবে চকীত পাৰি লোৱা শ্বলখন এৰি থৈ আহিলোঁ। ৰাতি ১২-৩০ মান বজাত শ্বলখন বিচাৰি গৈ দেখো মূৰত বান্দৰ টুপী এটা পিন্ধি পুহমহীয়া জাৰত লাইব্ৰেৰীৰ মুকলি পথাৰত বাহিৰৰ চকী-টেবুল সামৰাত খাওণ্ডদেৱ ব্যস্ত। মোৰ তেখেতৰ ওচৰলৈ যাবলৈ লাজ লাগিছিল। এই বয়সত তেখেতে তিনিজনমান ল'ৰা লগত লৈ কাম কৰি আছে। মোক দেখি কি কৰিছ বুলি সোধাত শ্বলখনৰ কথা কোৱাত তেখেতে পাইছোঁ বুলি কৈ শ্বলখন উলিয়াই দিলে। কলেজৰ কাৰণে তেখেতে কৰা সেই কষ্টৰ কথা মই কেতিয়াও নাপাহৰোঁ। কথা প্ৰসঙ্গত এই কথা মই এতিয়াও ৰোমন্থন কৰি কাৰোবাৰ আগত ব্যক্ত কৰোঁ।

প্ৰত্যেক মানুহৰ জীৱনত দুই-এক মানুহৰ প্ৰভাৱ নিশ্চয় থাকে। মোৰ কৰ্ম জীৱনত দুজন মানুহৰ প্ৰভাৱ সদায় স্বীকাৰ কৰোঁ। মোৰ শিক্ষকতা জীৱনত নীলৰঞ্জন বৰঠাকুৰ ছাৰৰ প্ৰভাৱ আৰু ৰাজহুৱা জীৱনত বিদ্যাধৰ খাওণ্ডৰ প্ৰভাৱ সদায় হৃদয়ত

লৈ ফুৰোঁ। বৰঠাকুৰ ছাৰে নগাঁৱলৈ যাব লগা হ'লেও ৰিক্সাখন বিদ্যালয়ত ৰাখি ক্লাছ দুটা কৰিহে অফিচৰ কামত গৈছিল। সেই সময়ত ছাৰৰ বাহিৰে স্কুলত কোনো বি এচ চি শিক্ষক নাছিল। গণিত নৱম শ্ৰেণীলৈকে অন্য শিক্ষকে পঢ়াইছিল। সেয়ে ছাৰৰ বোধহয় শিক্ষকসকলৰ ওপৰত বিশ্বাস কম আছিল। ছাৰে সেয়ে ১০ম শ্ৰেণীত $(a+b)^2$ ৰ পৰাই শিকোৱা আৰম্ভ কৰিছিল। সম্পূৰ্ণ পাঠ্যক্ৰম শেষ কৰিবৰ বাবে গৰমৰ বন্ধৰ গোটেই দিনকেইটা দুঘণ্টাকৈ বিনা পইচাৰে পঢ়াইছিল, যাৰ বাবে ছাৰৰ প্ৰতি শ্ৰদ্ধা আজিও কমা নাই। ছাৰৰ প্ৰেৰণাতে আমিও অৱসৰ গ্ৰহণ কৰাৰ আগদিনালৈকে ১০ম শ্ৰেণীত পাঠদান কৰিছিলোঁ। ছাৰৰ সমকক্ষ নহ'লেও ছাৰৰ দৰে হ'বলৈ যত্ন কৰিছিলোঁ। একেদৰেই সমাজ জীৱনত বিদ্যাধৰ খাওণ্ডদেৱে নিষ্ঠা আৰু একাগ্ৰতাৰে পুৰণিগুদামৰ তিনিটা অনুষ্ঠান ক্ৰমে পুৰণিগুদাম হাইস্কুল, পুৰণিগুদাম কলেজ আৰু পুৰণিগুদাম বাপুজী হল স্থাপনত যি কষ্ট কৰিছিল, সেয়া আমাৰ বাবে অনুকৰণীয় আছিল। সামাজিক কামৰ জৰিয়তে তেখেতে অঞ্চলৰ ৰাইজৰ পৰা যি শ্ৰদ্ধা আৰু ভক্তি আদায় কৰিছিল সেয়ে আমাক বিস্মিত কৰি তুলিছিল। তেখেতৰ আদৰ্শই আমাকো সমাজৰ কামৰ প্ৰতি আকৃষ্ট কৰিছিল আৰু তাৰ ফলতেই কিঞ্চিৎ হ'লেও সমাজৰ লগত সম্পৰ্ক ৰাখিবলৈ প্ৰেৰণা পাইছোঁ।

ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়ে এনে এগৰাকী লোকৰ ত্যাগৰ স্বীকৃতি দিয়াৰ যি ব্যৱস্থা গ্ৰহণ কৰিছে, তাৰ বাবে কলেজ কৰ্তৃপক্ষৰ প্ৰতি আমাৰ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ লগতে এই ক্ষণজন্মা পুৰুষজনৰ আত্মাই চিৰশান্তি লাভ কৰক, ইয়াকে প্ৰাৰ্থনা কৰি তেখেতৰ আত্মাৰ প্ৰতি মোৰ সশ্ৰদ্ধ প্ৰণিপাত জনালোঁ। ■

*লেখক শিঙিয়া শ্ৰীশ্ৰীবিশ্বম্ভৰ দেৱ উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক আৰু সমাজকৰ্মী*

# বিদ্যাধৰ খাওণ্ডদেৱলৈ শ্ৰদ্ধাঞ্জলি

## ৰছিদা বেগম

প্ৰয়াত বিদ্যাধৰ খাওণ্ডদেৱৰ ৪০তম্ মৃত্যু বাৰ্ষিকীত তেওঁক শ্ৰদ্ধাৰে সুঁৱৰিছোঁ। তেওঁৰ সবল ব্যক্তিত্ব, অমায়িক ব্যৱহাৰ আৰু স্নেহশীল মনোভাৱে আজিও আমাক তেওঁৰ কথা মনত ৰখাত সহায় কৰি আহিছে। ক'বলৈ গ'লে নামেই যাৰ পৰিচয়।

মানুহ সামাজিক জীৱ। সেয়েহে যুগ যুগ ধৰি সমাজ সচেতন মানুহে, সমাজৰ কল্যাণৰ বাবে অহোপুৰুষাৰ্থ কৰি আহিছে। প্ৰয়াত বিদ্যাধৰ খাওণ্ডদেৱকো আমি তেনেধৰণৰ এজন সমাজ সচেতন, সমাজ হিতৈষী, তেজস্বী ব্যক্তি হিচাপে আখ্যা দিব পাৰোঁ। এফালে জীৱিকাৰ দায়িত্ব পালন আৰু আনহাতেদি আজৰি পৰত সমাজৰ কাৰণে কৰা চিন্তা-চৰ্চা সঁচাই প্ৰশংসনীয়। তেওঁৰ মাত আছিল গহীন-গম্ভীৰ, কণ্ঠস্বৰ আছিল গলগলীয়া, সৌজন্যবোধ আৰু সবল ব্যক্তিত্বই সকলোকে তেওঁ আকৰ্ষণ কৰিব পাৰিছিল।

প্ৰথমতে তেওঁক মই লগ পাইছিলোঁ, যেতিয়া মই মোৰ চাকৰিৰ আৱেদন-পত্ৰ তেওঁৰ হাতত জমা দিবলৈ যাওঁ। ১৯৬৯ চনত, মই প্ৰথম 'ন বোৱাৰী' হিচাপে পুৰণিগুদামলৈ আহোঁতেই মই মোৰ সহপাঠী, ছোৱালী মহাবিদ্যালয়ৰ শিক্ষা বিভাগৰ প্ৰৱক্তা শ্ৰীৰূপা শইকীয়াক লগ পাওঁ। তেওঁয়েই মোক বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়ত অসমীয়া বিভাগৰ খালী হৈ থকা পদ এটাৰ কথা আৰু তাৰ বাবে প্ৰাৰ্থী বিচাৰি থকাৰ কথা জনায়। সেই সময়ত ৰূপা শইকীয়াই বিৰিঞ্চি কুমাৰ বৰুৱা মহাবিদ্যালয়ত শিক্ষা বিভাগত অধ্যাপনা কৰি আছিল। সেয়েহে মই চাকৰিৰ আৱেদন-

পত্ৰ জমা দিবলৈ যাওঁতে প্ৰয়াত বিদ্যাধৰ খাওণ্ডক লগ পাওঁ। তেওঁ মোক দেখিয়েই 'ছোৱালী মানুহ, ছোৱালী মানুহ' বুলি বৰকৈ শলাগিছিল আৰু বহিবলৈ দি কথা-বতৰাৰ মাজেৰে চা-চিনাকি হৈছিল। মোৰ লগত কথা পাতি তেওঁ বৰ সন্তোষ পালে যেন লাগিল আৰু লগতে বৰ সন্তুষ্ট হোৱা যেন লাগিল।

ইয়াৰ দুদিনমান পিছতেই, বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়ৰ তেতিয়াৰ অধ্যক্ষ প্ৰয়াত প্ৰণৱ বৰা লগতে প্ৰয়াত বলদেৱ গোস্বামী, প্ৰয়াত নীলৰঞ্জন বৰঠাকুৰ, প্ৰয়াত বিদ্যাধৰ খাওণ্ডদেৱ, মৰহুম আহাদুৰ ৰহমান, শ্ৰীজাফৰ আহমেদ ডাণ্ডৰীয়াই আমাৰ পুৰণিগুদামৰ নআলি মুৰৰ শহুৰৰ ঘৰলৈ যায় আৰু মোক তাতেই মোৰ নিযুক্তিপত্ৰখন দান কৰে। তেতিয়াৰে পৰাই মই চাকৰিৰ পৰা অৱসৰ লোৱাৰ আগমুহূৰ্তলৈকে বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়ৰ সেৱা দেহে-কেহে খাটি আগবঢ়াই আহিছোঁ। তেতিয়াৰ দিনত উচ্চশিক্ষাৰ পৰা বঞ্চিত পুৰণিগুদাম গাঁৱত এখন মহাবিদ্যালয় স্থাপন কৰাৰ সংকল্প প্ৰয়াত বিদ্যাধৰ খাওণ্ডদেৱে অতি দৃঢ়তা আৰু সাহসেৰে গ্ৰহণ কৰিছিল।

সমগ্ৰ পুৰণিগুদামবাসী ৰাইজৰ আগ্ৰহৰ লগতে আমাকো শিক্ষাৰ বিস্তাৰ আৰু জ্ঞান পিপাসু ছাত্ৰ-ছাত্ৰীৰ আশা পূৰণ কৰিবৰ বাবে পুৰণিগুদামত এখন মহাবিদ্যালয় স্থাপন কৰাৰ প্ৰবল ইচ্ছা গা কৰি উঠিছিল। কিন্তু চৰকাৰৰ অনুদান অবিহনে এখন মহাবিদ্যালয স্থাপন কৰাটো বৰ দুৰূহ কাম। এই কথাটো ঁবিদ্যাধৰ খাওণ্ডদেৱে আৰু লগতে পুৰণিগুদামৰ আন আন সমাজ-সচেতন লোকসকলেও বৰ ভালদৰে উপলব্ধি কৰিব পাৰিছিল।

সেয়েহে সকলো লোকে আলোচনা কৰি ৰাইজৰ ঘৰে ঘৰে ধান সংগ্ৰহ কৰি, সেই ধান বিক্ৰী কৰি ধন গোটোৱাৰ পৰিকল্পনা হাতত ল'লে, কথা মতেই কাম সম্পন্ন কৰা হৈছিল। সাধ্য অনুযায়ী সকলোৱে এই কামত আগভাগ লৈছিল। ইয়াৰ উপৰি আৰ্থিক অনাটন গুচাবৰ বাবে ভ্ৰাম্যমাণ থিয়েটাৰ আমন্ত্ৰণ কৰা হৈছিল। লটাৰি খেল পতা হৈছিল। মানুহৰ পৰা দান-বৰঙণি তোলা হৈছিল।

এনেহেন আৰ্থিক সংকটাপন্ন অৱস্থাত মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীসকলৰ অৱস্থা আছিল পানীত হাঁহ নচৰা অৱস্থাৰ দৰে। আমাৰ মাহিলী দৰমহা আছিল ১০০ (এশ টকা)। সেয়াও নিয়মীয়া নহয়। সেই সময়ত আমাৰ একমাত্ৰ উপায় আছিল প্ৰতিষ্ঠাপক সম্পাদক ঁবিদ্যাধৰ খাওণ্ডদেৱ। ব্যক্তি হিচাপে তেওঁক আমি ভালদৰে বুজি পাইছিলোঁ। সেয়েহে আৰ্থিক সহায়ৰ বাবে তেওঁৰ ওচৰত যাবলৈ দ্বিধাবোধ

নকৰিছিলোঁ। কেতিয়াবা তেওঁ আমাক সহায় কৰিছিল আৰু কেতিয়াবা বিমুখ কৰি পঠিয়াইছিল। এবাৰ তেওঁ মোক বিমুখ কৰি পঠিয়াইছিল। কিন্তু পিছদিনাই তেওঁৰ ছোৱালীৰ হাতত টকা অলপ সৰহ কৰিয়েই তেওঁ মোক দি পঠিয়ায়। সেই সময়ত তেওঁৰ প্ৰতি ইমান শ্ৰদ্ধাৰ ভাব উপজিছিল যে তাক বৰ্ণনা কৰিব নোৱাৰি। মানুহজন সঁচাকৈয়ে হৃদয়বান আছিল। তেওঁ আমাক কেতিয়াবা সহায় কৰিব নোৱাৰিলেও আমি বৰ ক্ষুণ্ণ হোৱা নাছিলোঁ, কাৰণ তেওঁ হয়তো তেওঁৰ দৰমহাৰ পৰাই আমাৰ অভাৱ পূৰণ কৰিছিল।

তেওঁ নগাঁও চহৰৰ প্ৰধান ডাকঘৰৰ পোষ্টমাষ্টৰ পদত অধিষ্ঠিত আছিল। তেওঁ বৰ কঠোৰ পৰিশ্ৰমী আছিল। সেয়েহে কৰ্ম বিমুখ, এলেহুৱা মানুহক ভাল নাপাইছিল। কেতিয়াবা কিবা কাৰণত মানুহক দাবি-ধমকি দিলেও পিছমুহূৰ্ততে মৰমৰ মাতেৰে মাতিছিল। কৰ্মক্ষেত্ৰত তেওঁ সকলোকে দিহা-পৰামৰ্শ দি আগবাঢ়ি যাবলৈ সহায় কৰিছিল।

এনেদৰে সময়ৰ সোঁতত লাহে লাহে তেওঁৰ মহাবিদ্যালয় প্ৰতিষ্ঠা কৰাৰ সপোন বাস্তৱত ৰূপ লয়। ১৯৬৭ চনত স্থাপন কৰা পুৰণিগুদামবাসী ৰাইজৰ আশাৰ মহাবিদ্যালয় লাহে লাহে পাবলগীয়া দান, অনুদান, অনুমোদন, স্বীকৃতি লাভ কৰি আজি ২০১২ চনত মূৰ দাঙি থিয় হ'বলৈ সক্ষম হৈছে। ››

*লেখিকা পুৰণিগুদাম ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰাক্তন অধ্যাপিকা আৰু ভাৰপ্ৰাপ্ত অধ্যক্ষ*

# স্বৰ্গীয় বিদ্যাধৰ খাওণ্ড আৰু তেখেতৰ ব্যক্তিত্ব

## যোগানন্দ গোস্বামী

এখন সুস্থ সমাজ গঢ়ি তুলিবলৈ আৰু সেই সবল সমাজখন আগবঢ়াই নিবলৈ এক সবল নেতৃত্বৰ প্ৰয়োজন। এনে নেতৃত্ব দিব পৰা লোক সমাজত কমেইহে থাকে। নিস্বাৰ্থভাৱে সমাজ সেৱা কৰিবলৈ মানুহক ত্যাগৰ মনোভাবৰ প্ৰয়োজন।

এনে নিঃস্বাৰ্থভাৱে কাম কৰি এখন সবল সমাজ গঢ়ি তোলাৰ কামনা কৰিছিল স্বৰ্গীয় বিদ্যাধৰ খাওণ্ডদেৱে। বৃহত্তৰ পুৰণিগুদাম অঞ্চলৰ শিক্ষা আৰু সাংস্কৃতিক ক্ষেত্ৰখন বহল কৰাত তেখেতৰ বৰঙণি অপৰিসীম।

পুৰণিগুদামত এনে এটা আগশাৰীৰ অনুষ্ঠান নাই যিটো অনুষ্ঠানৰ লগত খাওণ্ডদেৱৰ সম্বন্ধ নাই।

ডাক বিভাগৰ অতি গুৰুত্বপূৰ্ণ চাকৰি কৰিও অতি নিষ্ঠাৰে তেখেতে এই অঞ্চলৰ শিক্ষাৰ প্ৰসাৰৰ ক্ষেত্ৰত যথেষ্ট বৰঙণি আগবঢ়াই থৈ গ'ল। পুৰণিগুদাম ৰাধাকান্ত বৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ (তেতিয়া হাইস্কুল) সম্পাদক হিচাপে এক দীঘলীয়া কাৰ্যকাল অতিবাহিত কৰিছিল। সেই সময়ত সেই হাইস্কুলখনেই অঞ্চলৰ একমাত্ৰ উচ্চ শিক্ষাৰ অনুষ্ঠান আছিল।

পিছলৈ পুৰণিগুদামৰ বাইজে শিক্ষাৰ ক্ষেত্ৰত আৰু এখোজ আগবাঢ়ি গৈ এখন মহাবিদ্যালয় স্থাপনৰ চিন্তা কৰিছিল। এই চিন্তা-চৰ্চাবিলাক বাস্তৱত ৰূপায়িত হৈছিল ১৯৬৭ চনত। এই মহাবিদ্যালয়ৰ জন্মলগ্নতে গুৰি ধৰিছিল স্বৰ্গীয় খাওণ্ডদেৱে তেখেতৰ লগত অঞ্চলৰ কেইবাগৰাকী ব্যক্তি ওতপ্ৰোতভাৱে জড়িত হৈ আছিল। তাৰ ভিতৰত আছিল স্বৰ্গীয় বলদেৱ গোস্বামী, স্বৰ্গীয় আহাদুৰ ৰহমান, স্বৰ্গীয় নীলৰঞ্জন

বৰঠাকুৰ, স্বৰ্গীয় হৰুনাথ গায়ন, স্বৰ্গীয় টিকেন চন্দ্ৰ খাওণ্ড, স্বৰ্গীয় ননী বৰকটকী, স্বৰ্গীয় হৰেশ্বৰ গোস্বামী, স্বৰ্গীয় শশীকান্ত বৰদলৈ, স্বৰ্গীয় কণপাই গায়ন, শ্ৰীবাপনচন্দ্ৰ বৰুৱা, শ্ৰীজফৰুদ্দিন আহমেদ। এই সকলৰ লগত সহযোগ আগবঢ়াইছিল অঞ্চলৰ বিশিষ্ট ব্যক্তিসকলে। এই লোকসকলৰ আশাশুধীয়া চেষ্টা আৰু খাওণ্ডদেৱৰ সবল নেতৃত্বত অতি সংকটপূৰ্ণ কালতো মহাবিদ্যালয়খনি গা কৰি উঠিছিল। বিশেষকৈ পুঁজি সংগ্ৰহৰ ক্ষেত্ৰত এক উমৈহতীয়া প্ৰচেষ্টাৰে আগবাঢ়ি আহিছিল।

আঘোণ-পুহমহীয়া ঠেৰেঙা লগা ঠাণ্ডাকো নেওচি খাওণ্ডদেৱে মহাবিদ্যালয়ৰ শিক্ষক, ছাত্ৰ আৰু পৰিচালনা সমিতিৰ লোকসকলক লগত লৈ গাঁৱৰ ঘৰে ঘৰে ধান তোলাৰ ব্যৱস্থা কৰিছিল। এই ক্ষেত্ৰত ৰাইজৰ সহযোগ আছিল উল্লেখনীয়। ৰাইজৰ সন্তোষজনক সঁহাৰিয়ে এইটোকে প্ৰমাণ কৰিলে যে সকলোৱেই ইয়াত এখন মহাবিদ্যালয় স্থাপন হোৱাটো কামনা কৰিছিল। কেন্দ্ৰীয় চৰকাৰৰ এনে গুৰুত্বপূৰ্ণ চাকৰি কৰিও এই কাৰ্যবিলাকত কি ধৰণেৰে সময় দিব পাৰিছিল, সেয়া এটা ভাবিবলগীয়া কথা।

নগাঁও চহৰতেই তেখেতে চাকৰি আৰম্ভ কৰি তাতেই চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰিছিল। চাকৰি কালত যাতায়াতৰ প্ৰতিকূল ব্যৱস্থাৰ মাজতো সদায় পুৰণিগুদামৰ পৰা নগাঁৱলৈ অহা-যোৱা কৰিছিল। প্ৰথম অৱস্থাত বাছেৰে অহা-যোৱা কৰিলেও শেষৰ ফালে এখন ৰিক্সাৰে অহা-যোৱা কৰিছিল। ৰিক্সাখন তেখেতৰ নিজা আছিল। চলাইছিল সিংহাসন নামৰ এজন ৰিক্সাৱালাই (মহাবিদ্যালয়ৰ চতুৰ্থ বৰ্গৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী শ্ৰীকিশোৰী ভগতৰ ককায়েক) ৰিক্সাত বহি যাওঁতে আমি সদায় তেখেতৰ মুখত এটা মিক্সাৰ হুপি থকা দেখিছিলোঁ। লগতে এইটোও মন কৰিছিলোঁ যে মিক্সাৰটো হুপি হুপি গৈ থাকোঁতে দুই হাতেৰে আৰু এটা মিক্সাৰ পকাই গৈ আছিল। পুৱা ৯ বজাৰ আগতেই ঘৰৰ পৰা ওলাই সন্ধ্যাহে ঘৰ সোমাইছিল। এনেধৰণে অহা-যোৱা কৰাটো বৰ কষ্টকৰ আছিল তথাপি তেখেতে সেই কষ্টকো কষ্ট বুলি গণ্য নকৰিছিল। আজিৰ প্ৰজন্মই তেনেকৈ অহা-যোৱা কৰা কথাটো হয়তো ভাবিবই নোৱাৰিব। যিখিনি সময়ত চলচলিৰ ডেকা-গাভৰুৱে চাকৰিৰ সুচলৰ বাবে পুৰণিগুদামৰ ভাড়াঘৰত থাকে, ডিমৰুগুৰিৰ মানুহে নগাঁৱত ভাড়া কৰি চাকৰি কৰে তেনে সময়ত এই কথাবিলাক হয়তো তেনেই অবাস্তৱ যেন লাগে।

স্বৰ্গীয় খাওণ্ডদেৱে মেট্ৰিক পাছ কৰিয়েই চাকৰিত সোমাই আৰু শেষত পোষ্টমাষ্টৰ হিচাপে অৱসৰ গ্ৰহণ কৰে। এই দীঘলীয়া কালডোখৰ তেখেতে ঘৰৰ পৰা অহা-যোৱা কৰাৰ এটা কাৰণ হয়তো এইটোৱেই যে সেই সময়ৰ ইয়াৰ সমাজখনৰ

উন্নতিৰ এখন ছবি তেখেতৰ মানসপটত জিলিকি আছিল। বিশেষকৈ শিক্ষাৰ ক্ষেত্ৰত তেখেত বৰ অত্যুৎসাহী থকা যেন লাগে। শুনা মতে তেখেতে ঘৰৰ ওচৰতে এখন কিতাপৰ দোকান আৰম্ভ কৰিছিল। ব্যৱসায় কৰি ধন ঘটাৰ উদ্দেশ্য থকা হ'লে নিশ্চয় কিতাপৰ দোকানৰ ঠাইত অন্য ব্যৱসায় আৰম্ভ কৰিব পাৰিলেহেঁতেন এখন পঢ়ুৱৈ সমাজ গঠনৰ প্ৰচেষ্টাৰেই বোধ কৰোঁ কিতাপৰ দোকান আৰম্ভ কৰিছিল। ড° বিৰিঞ্চি কুমাৰ বৰুৱা মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক সম্পাদক হিচাপে তেখেতে অনুষ্ঠানটোৰ গুৰি ধৰি যি ধৰণে সংকটপূৰ্ণ মুহূৰ্তবোৰ সফলতাৰে আগবঢ়াই নিলে, অন্য কোনো লোকে এনেধৰণে আগবঢ়াব পাৰিলেহেঁতেন নে নাই সি সন্দেহৰ বিষয়।

খাওণ্ডদেৱে কথা বৰ কম কৈছিল কিন্তু কাম যথেষ্ট কৰিছিল। নিজে কাম কৰাৰ উপৰিও আনক কামত খটুৱাব পৰাটো তেখেতৰ এটা মহৎ গুণ আছিল। দেখাত মানুহজন বৰ খঙাল যেন দেখিলেও আচলতে অন্তৰ বৰ কোমল। নীতি-নিয়ম, হিচাপ-পত্ৰ এইবিলাকত কোনো ধৰণৰ আপোচ নকৰিছিল। অভিজ্ঞ শিক্ষক নিযুক্তিত বৰ গুৰুত্ব দিছিল। সাধাৰণতে বন্ধৰ দিন পৰিলেই আবেলি প্ৰায় ২ মান বজাত হাতত ফাইল আৰু মুখত মিক্সাৰৰ্লৈ কোনো এখন সভালৈ ওলাই আহিছিল। শাসনৰ ক্ষেত্ৰতো অতি কঠোৰ আছিল বুলি শুনিছিলোঁ। আমি তেখেতক পোনপটীয়াকৈ পোৱা নাছিলোঁ। যিহেতু আমি ১৯৭৩ চনত মহাবিদ্যালয়ত যোগ দিয়াৰ এবছৰৰ আগত ১৯৭২ চনত তেখেতে সংসাৰৰ মায়া-মোহ এৰি গুচি গৈছিল।

খাওণ্ডদেৱৰ অনুপস্থিতি সেই সময়ৰ সমাজসেৱীসকলে বাৰুকৈয়ে উপলব্ধি কৰিছিল। তেখেতৰ নিঃস্বাৰ্থ সমাজ সেৱাৰ প্ৰভাৱেৰে প্ৰভাৱিত হৈ লগৰ মানুহখিনিয়ে মহাবিদ্যালয়খনি আগবঢ়াই নিব পাৰিছিল।

স্বৰ্গীয় খাওণ্ডদেৱৰ ৪০ তম্ মৃত্যু বাৰ্ষিকীত আজি মহাবিদ্যালয়ৰ কৰ্তৃপক্ষই পুনৰ সুঁৱৰিছে। আমি তেখেতৰ লগতে সেই সময়ত তেখেতৰ লগত যিসকলে হাত উজান দি মহাবিদ্যালয়খনিক এই পৰ্যায়লৈ আহিবলৈ সুবিধা কৰি দিলে, সেই সকলোকে সুঁৱৰিছোঁ। পুৰণিগুদামৰ ৰাইজ যে অকৃতজ্ঞ নহয় তাৰে চিনস্বৰূপে আজিৰ এই অনুষ্ঠান। পুৰণিগুদামৰ আগশাৰীৰ অনুষ্ঠান ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়, ৰাধাকান্ত বৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়, বাপুজী ভৱন আৰু লাইব্ৰেৰী জীয়াই থাকে মানে খাওণ্ডদেৱ জীয়াই থাকিব। তেখেতৰ কৰ্মৰাজি ভৱিষ্যৎ প্ৰজন্মৰ বাবে আদৰ্শ হৈ ৰওক। এনে কামনা।

*লেখক পুৰণিগুদাম ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়ৰ*
*অসমীয়া বিভাগৰ অৱসৰপ্ৰাপ্ত প্ৰবক্তা*

# স্মৃতিপটত বিদ্যাধৰ খাওণ্ড

## মহঃ আবিদুৰ ৰহমান

এটা চিনাকি দৃশ্য। এখন নিৰ্দিষ্ট বিস্নাত এজন সুন্দৰ ব্যক্তিত্বসম্পন্ন ব্যক্তি মুখত এটা মিক্সাৰ আৰু এটা হাঁহি, নিতৌ খাওণ্ডৰ চুকৰ পৰা নগাঁৱলৈ পুৱা ৮/৮-৩০ মান বজাত যাত্ৰা হয়। আপোনালোকে ঠিকেই অনুমান কৰিছে তেৱেঁই প্ৰয়াত বিদ্যাধৰ খাওণ্ড। নগাঁও ডাকঘৰত পোষ্টমাষ্টৰৰ চাকৰিত ব্যস্ত যদিও আজৰি সময়ত ৰাজহুৱা কাম-কাজত নিজকে একান্তভাৱে ব্যস্ত ৰাখিছিল।

গোটেই পুৰণিগুদাম অঞ্চলৰ ৰাজহুৱা শিক্ষাকেন্দ্ৰ পুৰণিগুদাম ৰাধাকান্ত বৰুৱা হাইস্কুলৰ সম্পাদকৰ দায়িত্ব লয়। তেখেতৰ অক্লান্ত চেষ্টাৰ ফলতে স্কুলৰ ঘৰ-দুৱাৰ আদি বৰ্তমান আমি দেখা অৱস্থালৈ আহে। স্কুলৰ কাৰ্যকৰী সমিতিৰ সদস্যসকলৰ উপৰিও ৰাজহুৱা অনুষ্ঠানৰ প্ৰতি আগ্ৰহ থকা অঞ্চলৰ লোকৰ লগত সহযোগিতা কামনাৰে আগবঢ়াত কামবোৰ নিয়াৰিকৈ কৰিব পাৰিছিল। তেওঁৰ কাৰ্যকালত হাইস্কুলৰ প্ৰধান শিক্ষক স্বৰ্গীয় নীলৰঞ্জন বৰঠাকুৰকে ধৰি প্ৰায় সকলো শিক্ষকেই স্কুলৰ উন্নতিৰ বাবে সহায়ৰ হাত আগবঢ়াইছিল। সেই সময়ৰ কাঠৰ ব্যাৱসায় কৰা আমাৰ ককাদেউতা মৰহুম ওৱাহেদ আলিৰ বৰঙণিও উল্লেখনীয় আছিল।

পুৰণিগুদাম বাপুজী হল আৰু লাইব্ৰেৰীৰ প্ৰতিটো অনুষ্ঠানতে খাওণ্ডদেৱে যোগদান কৰিছিল। উক্ত অনুষ্ঠানৰ সাংস্কৃতিক অনুষ্ঠানবোৰৰ প্ৰতি অনুৰাগী আছিল। সময়ে সময়ে বাপুজী হলৰ নাট্য অনুষ্ঠানত অভিনয়ো কৰিছিল। কেইবাবছৰ বাপুজী

হল আৰু লাইব্ৰেৰীৰ পৰিচালনা সমিতিৰ সভাপতি হিচাপেও সেৱা আগবঢ়াইছিল।

সেই সময়ৰ অসম বিধান সভাৰ প্ৰতাপী মন্ত্ৰী দেৱকান্ত বৰুৱা ডাঙৰীয়াৰ অনুগ্ৰহৰে ৰাধাকান্ত বৰুৱা হাইস্কুল উচ্চতৰ মাধ্যমিক স্কুললৈ উন্নীত হয়। মন্ত্ৰী বৰুৱা ডাঙৰীয়া স্কুললৈ আহি স্কুলৰ সম্পাদক খাওণ্ড ডাঙৰীয়াক পুৰণিগুদামত এখন কলেজ পতাৰ কথা কয়। পৰৱৰ্তী সময়ত সম্পাদক খাওণ্ডদেৱৰ হাতত নগদ ৫ হাজাৰ টকা দি কলেজৰ অফিচ পাতি কাম আৰম্ভ কৰিবলৈ কয়।

খাওণ্ড ডাঙৰীয়াই লগে লগে প্ৰিন্সিপাল বৰঠাকুৰ ডাঙৰীয়া, বাপুজী হলৰ সম্পাদক মঃ জাফৰ উদ্দিন আহমদ আৰু কিছু নেতৃস্থানীয় লোকৰ লগত আলোচনা কৰি পুৰণিগুমত কলেজ পতাৰ সিদ্ধান্ত গ্ৰহণ কৰে।

বাপুজী হলৰ সম্পাদকক পুৰণিগুদাম, চামগুৰি, ৰূপহী, বঢ়মপুৰ, চাপানলা, বৰমা, কাৱৈমাৰি আদি অঞ্চলত প্ৰচাৰ কৰি এখন ৰাজহুৱা সভা বাপুজী হলৰ প্ৰাঙ্গণত অনুষ্ঠিত কৰাৰ দায়িত্ব অৰ্পণ কৰে।

সেই মৰ্মে পতা বাপুজী হলৰ মুকলি পথাৰত অনুষ্ঠিত হোৱা সভাত পুৰণিগুদামত এখন কলেজ পতাৰ বাবে প্ৰস্তাৱ গ্ৰহণ কৰা হয়। উক্ত সভাতে শ্ৰীযুত নীলৰঞ্জন বৰঠাকুৰক সভাপতি আৰু শ্ৰীযুত বিদ্যাধৰ খাওণ্ডক সম্পাদক আৰু অঞ্চলসমূহৰ পৰা অহা বহু কেইজন লোকক সদস্য হিচাপে লৈ এখনি কলেজ স্থাপন সমিতি গঠন কৰি দিয়ে।

লগে লগে কলেজৰ বাবে বৰঙণি সংগ্ৰহৰ ব্যৱস্থা কৰা হয়। সেই সময়ত বাপুজী হলক চৰকাৰৰ ফালৰ পৰা সমাজ কল্যাণ কেন্দ্ৰসমূহ চলাবৰ কাৰণে এখন জীপ গাড়ী দিছিল। ড্ৰাইভাৰহীন জীপ গাড়ীখন বাপুজী হলৰ সম্পাদকৰ দ্বাৰাই পৰিচালনা কৰা হৈছিল। সেইখনেই কলেজৰ বৰঙণি সংগ্ৰহৰ মূল উপায় আছিল। গোটেই অঞ্চলত উক্ত গাড়ীখনেই প্ৰায় এবছৰলৈকে বৰঙণি সংগ্ৰহৰ কাম কৰা হৈছিল। খাওণ্ড ডাঙৰীয়াই বিহুত হুঁচৰি গাই, ধান চপোৱাৰ সময়ত গাঁৱে গাঁৱে গৈ ধান সংগ্ৰহ কৰিছিল। শ্ৰীযুত নীলৰঞ্জন বৰঠাকুৰ, মৌজাদাৰ নলিনীকান্ত বৰা, বাপুজী হলৰ সম্পাদক মঃ জাফৰ আহমদ, আহাদুৰ ৰহমান, বলদেৱ গোস্বামী, সৌৰেন্দ্ৰ নাথ হাজৰিকাকে ধৰি এই সকলোকে গাড়ীৰে গৈ ধন সংগ্ৰহত খাওণ্ডদেৱক সহায় কৰিছিল।

পুৰণিগুদাম বাপুজী হলত কলেজৰ শিক্ষাদানৰ কাম আৰম্ভ হয়। ঘৰ-দুৱাৰৰ কাম খালী হৈ পৰি থকা পুৰণিগুদাম হাইস্কুলৰ ভেটিত আৰম্ভ হয়। মাত্ৰ চাৰি (৪)

টা কোঠা হোৱাৰ লগে লগে বাপুজী হলৰ পৰা শিক্ষাদানৰ কাম স্থায়ী ভেটিত আৰম্ভ হয়।

১০০ টকা দৰমহা লোৱা প্ৰিন্সিপাল প্ৰণৱ বৰাৰ কলেজৰ প্ৰতি থকা আপ্ৰাণ চেষ্টাও এক উল্লেখনীয় বৰঙণি হিচাপে গণ্য কৰিব লাগিব। লাহে লাহে কলেজে স্থায়ী ৰূপ লয় আৰু দুৰ্ভাগ্যবশতঃ অতি কম দিনৰ ব্যৱধানত কলেজৰ প্ৰন্সিপাল প্ৰণৱ বৰা আৰু সম্পাদক খাওণ্ড দুয়ো অকালতে ইহ সংসাৰ ত্যাগ কৰে। পুৰণিগুদাম ৰাধাকান্ত বৰুৱা হায়াৰ ছেকেণ্ডাৰী স্কুলৰ কেইবাজনো উপযুক্ত শিক্ষকে কোনো পৰিশ্ৰমিক নোলোৱাকৈ বহু দিনলৈকে কলেজৰ পাঠদান কৰিছিল। সেই সময়তে মাত্ৰ ১০০ টকা দৰমহা লৈ পুৰিণগুদামৰ বোৱাৰী ৰেচিদা আহমদেও কলেজৰ প্ৰবক্তা হিচাপে যোগদান কৰা কাৰ্যও উল্লেখনীয়।

বিদ্যাধৰ খাওণ্ড ডাঙৰীয়াৰ অকাল মৃত্যুৱে সমাজৰ অপূৰণীয় ক্ষতি কৰি থৈ গ'ল। তেখেতৰ স্মৃতি পুৰণিগুদামবাসীৰ মনত সদায় স্মৰণীয় হৈ থাকিব। ››।

*লেখক পুৰণিগুদাম অঞ্চলৰ বিশিষ্ট সমাজকৰ্মী*

# দেউতাৰ সজল স্মৃতিত

## পাঞ্চালী খাওণ্ড

যি সকল ব্যক্তিৰ অক্লান্ত অকুণ্ঠ প্ৰচেষ্টাত ঐতিহ্যমণ্ডিত পুৰণিগুদামত শিক্ষাৰ সম্প্ৰসাৰণ বা বিস্তাৰ ঘটিছিল সেইসকলৰ ভিতৰত ঁবিদ্যাধৰ খাওণ্ড, মোৰ দেউতাৰ নামটোত অপৰিহাৰ্য বুলি মোৰ ভাব হয়। তেখেতৰ একান্ত প্ৰচেষ্টাত পুৰণিগুদাম ৰাধাকান্ত বৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়খন জিলাখনৰ ভিতৰতে এখন জাকত জিলিকা বিদ্যালয়লৈ ৰূপান্তৰিত হৈছিল। বৰ্তমানো স্কুলখনত থকা বিভিন্ন গছ-গছনি শিশু, গমাৰি, তামোল, নাৰিকল আদি তেখেতৰ স্কুলখনৰ প্ৰতি থকা দায়িত্বশীলতা, ভালপোৱা ভাবৰ নিদৰ্শন যেন লাগে; যিবোৰ বৰ্তমানেও স্কুলখনৰ আৰ্থিক দিশত কিছু হ'লেও সহায়ক হৈছে, তেনেদৰে পৰিৱেশৰ ভাৰসাম্যতা ৰক্ষা কৰাৰ উপৰিও শোভাবৰ্ধন কৰি ৰাখিছে। তেখেতৰ একান্ত ইচ্ছা আৰু কৰ্মস্পৃহাৰ কাৰণতে পুৰণিগুদামৰ দাঁতি-কাষৰীয়া বিভিন্ন ব্যক্তিৰ সহযোগত স্কুলখনৰ সৰ্বাঙ্গীণ উন্নতিৰ বাবে বিভিন্ন কাম কৰা মনত পৰে। মোৰ মনত পৰে সেই সময়ত যি সকল শিক্ষকৰ থকাৰ অসুবিধা হৈছিল তেখেতসকলক নিজৰ মাটিতে বিনা ভাড়াতে ৰখাৰ ব্যৱস্থা কৰি দিছিল। সেইসকলৰ ভিতৰত নলবাৰীৰ পৰা অহা প্ৰয়াত জীৱেশ্বৰ শৰ্মা শাস্ত্ৰী ছাৰ আৰু শাৰীৰিকভাৱে বাধাগ্ৰস্ত শ্ৰীযুত ৰমা চাংকাকতি ছাৰ আৰু এগৰাকী পুৰণিগুদাম ছোৱালী উচ্চ ইংৰাজী বিদ্যালয়ৰ এগৰাকী শিক্ষয়িত্ৰীকো কেইবামাহো আমাৰ ঘৰতে ৰখা মোৰ মনত পৰে। পুৰণিগুদামৰ বি.কে.বি. কলেজ প্ৰতিষ্ঠাৰ ক্ষেত্ৰতো তেখেতৰ অৱদান অনস্বীকাৰ্য। পুৰণিগুদামৰ এই কলেজখনৰ পাঠদান প্ৰথম আৰম্ভ কৰা হৈছিল বাপুজী হলত। কলেজখন নিৰ্মাণৰ বাবে প্ৰয়োজন হোৱা পুঁজি সংগ্ৰহৰ উপৰিও ধানৰ দিনত ঘৰে ঘৰে গৈ ধান, নাৰিকল, বাঁহ আদি সংগ্ৰহৰ ক্ষেত্ৰতো আগভাগ লৈছিল। মোৰ দেউতাই অসমৰ বিভিন্ন ঠাইত কাম কৰিছিল। তেখেত

হাফলঙ, গহপুৰ আদিত কাম কৰিছিল বুলি শুনিছিলোঁ যদিও নগাঁও ডাকঘৰতে বহু বছৰ চাকৰি কৰি অৱসৰ লোৱা কথা মোৰ মনত আছে। শুদ্ধ বগা ধুতী-পাঞ্জাৱী পিন্ধি তেখেত সদায় পুৰণিগুদামৰ পৰা নগাঁও ডাকঘৰলৈ নিজৰ ৰিক্সাৰে অহা-যোৱা কৰিছিল। ডাকঘৰত চাকৰি কৰি থাকোঁতে পুৰণিগুদাম অঞ্চলৰ বহুতো ল'ৰাক চাকৰিৰ সুবিধা কৰি দিয়া মোৰ মনত পৰে। অকল ডাকঘৰতেই নহয় পুৰণিগুদাম স্কুল আৰু কলেজতো বহুতক চাকৰি দিয়া কথা মই জানো। তেখেত পুৰণিগুদাম ৰাধাকান্ত বৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু বি. কে. বি কলেজ পুৰণিগুদামৰ চেক্ৰেটেৰী থাকোঁতেই ওচৰ-পাজৰৰ বহুতো ল'ৰাক কৰ্ম সংস্থান দিছিল।

নিৰক্ষৰতা দূৰীকৰণৰ আঁচনিৰ অন্তৰ্ভুক্ত 'কনডেন্‌ছ্ কৰ্ছ' সেই সময়ত বাপুজী হলত আৰম্ভ কৰা ক্ষেত্ৰতো তেখেতৰ বৰঙণি যথেষ্ট আছিল। সেই সময়ত গুৱাহাটী পৰা অহা এগৰাকী শিক্ষয়িত্ৰী শ্ৰীমতী সৰোজ দেৱীকো আমাৰ ঘৰত থকাৰ সুবিধা কৰি দিয়া মোৰ মনত পৰে।

মোৰ দেউতা এজন চৌখিন মানুহ আছিল, তেখেতে নিজে খোৱাৰ উপৰিও মানুহক খুৱাই ভাল পাইছিল। প্ৰতি বছৰতে আমাৰ ঘৰৰ চৌহদতে ধুমধামেৰে কালীপূজা, ফাকুৱা আদি উৎসৱ পালন কৰিছিল। আমাৰ ঘৰৰ ভিতৰত মই সৰু হোৱাৰ বাবেই মোক খুব বেছিকৈ মৰম কৰিছিল আৰু মোৰ জন্মদিনো বৰ ধুমধামৰে পতাৰ কথা মনত পৰে।

দেউতা আছিল সংস্কৃতিবান ব্যক্তি। নিজে অভিনয় কৰাৰ উপৰি এই বিষয়ত আনকো উৎসাহিত কৰিছিল। বিভিন্ন অনুষ্ঠানত সাহায্যাৰ্থে পুৰণিগুদামত ভ্ৰাম্যমাণ নাট্যদলৰ অভিনয় দৰ্শনৰ কাৰণে আমাক সদায় উৎসাহিত কৰি টিকটৰ ব্যৱস্থা কৰি দিছিল আৰু নিজেও দৰ্শক হৈছিল।

মোক 'ভাৰত নাট্যম' নৃত্যৰ প্ৰশিক্ষণ ল'বৰ কাৰণে সুযোগ দিছিল আৰু তাৰ কাৰণে পইচাও খৰচ কৰিছিল। মই ভাৰত নাট্যমৰ শিক্ষা গ্ৰহণ কৰি বিভিন্ন মঞ্চত নৃত্য পৰিৱেশন কৰাৰ সুযোগ লাভ কৰিছিলোঁ।

পঢ়া-শুনা ক্ষেত্ৰত আটাইকেইটা সন্তানকে সুযোগ-সুবিধা প্ৰদান কৰি এজন পিতৃৰ দায়িত্ব সুকলমে পালন কৰিছিল। 'পিতা ধৰ্ম, পিতা স্বৰ্গ, পিতাই পৰমং তপঃ' এই কথা আমাৰ মনত সদায় সজীৱ হৈ আছে আৰু ভৱিষ্যতেও থাকিব।

পুৰণিগুদাম ড° বিৰিঞ্চি কুমাৰ বৰুৱা মহাবিদ্যালয়ে আমাৰ পূজনীয় পিতৃৰ প্ৰতি শ্ৰদ্ধা জনাবলৈ লোৱা প্ৰচেষ্টাৰ প্ৰতি আমি কৃতজ্ঞতা প্ৰকাশ কৰিলোঁ। ▸▸

*লেখিকা বিদ্যাধৰ খাওণ্ডদেৱৰ জীয়ৰী*

# শ্ৰদ্ধেয় বিদ্যাধৰ খাওণ্ড ঃ ব্যক্তি আৰু ব্যক্তিত্ব

ফণীন্দ্ৰ নাথ গায়ন

জান-জুৰি নৈত পৰি নৈৰ আকাৰ ডাঙৰ কৰে, নৈবোৰ সাগৰত পৰি সাগৰৰ পৰিসীমা বিশাল কৰে। একেদৰেই সমাজৰ কিছুমান দ্ৰষ্টা আৰু স্ৰষ্টাৰ কাৰণে একোটাত সৰু সৰু অঞ্চল সমাজ, শিক্ষা, সংস্কৃতি, সাহিত্য আদি বিভিন্ন ক্ষেত্ৰত জিলিকি উঠে আৰু এনেধৰণৰ সৰু সৰু অঞ্চলবোৰক লৈ গঠিত জিলা, প্ৰদেশ আৰু দেশো বিভিন্ন ক্ষেত্ৰত জিলিকি উঠে। অৰ্থাৎ এখন দেশৰ উন্নয়নৰ ক্ষেত্ৰত এই সৰু সৰু অঞ্চলবোৰৰ অৱদানো নিশ্চয় আছে। কিন্তু এই সামাজিক উন্নতি আৰু উত্তৰণৰ কাৰণে দেহে-কেনে খাটি কাম কৰা মানুহবোৰৰ ত্যাগ কৰ্ম আৰু গুণৰাজি নাইবা বিভিন্ন ক্ষেত্ৰলৈ যোগোৱা অৱদানৰ কথা সেই সৰু সৰু অঞ্চলৰ সীমিত জনসংখ্যাৰ মাজতে সীমাবদ্ধ হৈ থাকে। তথাপি সেই অঞ্চলৰ জনসাধাৰণৰ হৃদয়ত তেওঁলোকে একোখন শ্ৰদ্ধাৰ আসন লাভ কৰি থাকে। কাৰণ এই সকল স্মৰণীয় ব্যক্তিৰ প্ৰতি সমাজ নিশ্চয় দায়বদ্ধ।

সপোন সকলোৱে দেখে, কিন্তু সপোনক সফল ৰূপ দি বাস্তৱত প্ৰতিফলিত কৰিব পৰা মানুহ কিমান আছে, তাৰ ওপৰতহে একোটা অঞ্চলৰ উন্নতিৰ কথা জড়িত হৈ থাকে। অকল দ্ৰষ্টা হ'লেই নহ'ব— তেওঁলোকৰ থাকিব লাগিব সৃষ্টিশীলতা। সৃষ্টিশীলতা নথকা স্বপ্নদ্ৰষ্টাই সমাজলৈ একো অৱদান দিব নোৱাৰে। সপোনক সফল ৰূপ দিব পৰা মানুহৰ কথা চিন্তা কৰিলে আমি দেখিবলৈ পাম যে তেওঁলোকৰ সাহস,

ধৈৰ্য, বুদ্ধিমত্তা আৰু ৰাইজৰ লগত মিলি যাব পৰা গুণৰ কাৰণেই তেওঁলোকে সপোনক বাস্তৱত পৰিণত কৰিব পাৰিছে আৰু তেওঁলোকৰ কাৰ্যাৱলীয়ে একোটা অঞ্চলক বিভিন্ন ক্ষেত্ৰত আগবঢ়াই নিবলৈ সক্ষম হৈছে।

আমাৰ মনলৈ এই বিক্ষিপ্ত চিন্তা আহিছে পুৰণিগুদামত অৱস্থিত ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়খন স্থাপনৰ কাৰণে অসীম কষ্ট স্বীকাৰ কৰি অঞ্চলৰ মানুহৰ প্ৰাণত এই অনুষ্ঠানটোৰ প্ৰয়োজনীয়তাৰ কথা সুমুৱাই দিব পৰা প্ৰথমজন সম্পাদক প্ৰয়াত বিদ্যাধৰ খাওণ্ডৰ কথা মনত পৰাৰ কাৰণে।

৩৭ নং ৰাষ্ট্ৰীয় ঘাই পথৰ দাঁতিতে প্ৰতিষ্ঠিত এই মহাবিদ্যালয়খনে সেইজন ভীমকৰ্মা ব্যক্তিৰ কথা সোঁৱৰাই আছে। এতিয়া সুপ্ৰতিষ্ঠিত এই মহাবিদ্যালয়খন সুবৃহৎ প্ৰেক্ষাগৃহ, সুন্দৰ তোৰণ, মূল্যবান পুথি-পাঁজিৰে ভৰপূৰ পুথিভঁৰাল, স্বাস্থ্য চৰ্চাৰ কাৰণে প্ৰয়োজনীয় আচবাব পৰিপূৰ্ণ এটা শৰীৰ চৰ্চা কেন্দ্ৰ, খেলা-ধূলাৰ সামগ্ৰী, এটা ছোৱালী হোষ্টেল, নিৰ্মাণৰত অৱস্থাত কেইবাটাও পাঠদান কোঠাৰে পৰিপূৰ্ণ এটা সুন্দৰ পৰিৱেশৰ শিক্ষানুষ্ঠান ৰূপে গঢ় লৈ উঠিছে।

কিন্তু এই মহাবিদ্যালয়খন স্থাপনৰ কাৰণে যিসকল লোকে অসীম ত্যাগ স্বীকাৰ কৰিছিল, সেইসকলৰ ত্যাগৰ ভেটিতহে আজিৰ এই অনুষ্ঠানে এটা সুন্দৰ ৰূপ পৰিগ্ৰহণ কৰিবলৈ সক্ষম হৈছে।

অসমৰ বিখ্যাত কবি ৰাজনীতিবিদ দেৱকান্ত বৰুৱাই পুৰণিগুদামত এখন মহাবিদ্যালয় হ'ব লাগে বুলি ঘোষণা কৰি তাৰ প্ৰাথমিক কাম হিচাপে বৰ্তমান পুৰণিগুদাম ৰাধাকান্ত বৰুৱা উচ্চ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰ এখনত দক্ষিণফালে এটা কাৰ্যালয় স্থাপন কৰালে কিন্তু ৰাজনীতিবিদৰ ঘোষণাৰ অসাৰতা প্ৰমাণ কৰি সেই কাৰ্যালয় ভৱন জহি-খহি গ'ল। মহাবিদ্যালয় স্থাপনৰ প্ৰথম পদক্ষেপ চেৰাশালিত মৃত সন্তান জন্ম হ'ল।

সময়ৰ অগ্ৰগতিক বাধা দিব নোৱাৰি— বাধা দিব নোৱাৰি মানুহৰ চেতনাক। পুৰণিগুদামত মহাবিদ্যালয় হ'বই লাগিব এই দৃঢ় মতেৰে আগবাঢ়ি অহা শিক্ষাপ্ৰেমী পুৰণিগুদামবাসীৰ নেতৃত্ব বহন কৰিলে বিদ্যাধৰ খাওণ্ডদেৱে। সুনেতৃত্বৰ গৰাকীয়ে নিজৰ ব্যক্তিত্ব আৰু কৰ্মশক্তিৰে মানুহক আকৰ্ষণ কৰিব পাৰে। বিদ্যাধৰ খাওণ্ডদেৱৰ এই গুণসমূহ আছিল কাৰণেই বৃহত্তৰ পুৰণিগুদাম অঞ্চলৰ বিভিন্ন গাঁৱৰ বাহিৰেও নগাঁও জিলাৰ বিভিন্ন অঞ্চলৰ মানুহেও এই কাৰ্যত সহায়-সহযোগ আগবঢ়ালে। ঘৰে ঘৰে ধান তোলা, বাৰীৰ পৰা তামোল সংগ্ৰহ, সুদূৰ কাকী পথাৰলৈ গৈ ধান তোলা,

ব'হাগৰ বিহুৰ সময়ত অঞ্চলে অঞ্চলে হুঁচৰি গোৱা আদি বিভিন্ন ব্যৱস্থাৰে ধন সংগ্ৰহ কৰিবলৈ ৰাইজ আগবাঢ়ি আহিল। ইমানবোৰ ব্যক্তি এই কাৰ্যত সংযুক্ত হৈ আছিল যে সেইসকলৰ নাম ল'বলৈ গ'লে এখন দীঘলীয়া তালিকা হ'ব। আমি তাৰে নগৈ সেইসকল প্ৰয়াত ব্যক্তিৰ স্মৃতিৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰিলোঁ আৰু জীৱিতসকলৰ প্ৰতি অকৃত্ৰিম কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

প্ৰথম অৱস্থাত পুৰণিগুদামৰ অন্যতম সমাজ সেৱাৰ অনুষ্ঠান বাপুজী ভৱন আৰু পুথিভঁৰাল প্ৰাঙ্গণতে মহাবিদ্যালয়ৰ শ্ৰেণীবোৰ আৰম্ভ কৰা হ'ল। কলকতাৰ প্ৰেচিডেন্সি কলেজৰ অৱসৰপ্ৰাপ্ত অধ্যাপক সৌৰিন্দ্ৰ নাথ মজিন্দাৰক অধ্যক্ষ হিচাপে নিযুক্তি দিয়া হ'ল। পুৰণিগুদাম ৰাধাকান্ত বৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৰ্হতাসম্পন্ন কেইজনমান শিক্ষকে প্ৰাথমিক অৱস্থাত কোনো পাৰিশ্ৰমিক নোলোৱাকৈ শিক্ষা দান কৰাটো অত্যন্ত উল্লেখযোগ্য আৰু আশাপ্ৰদ কথা আছিল।

দেৱতাসকলৰ সকলোৱে তিল তিল অৱদান দি তিলোত্তমা সৃষ্টি কৰাৰ দৰে অঞ্চলৰ শিক্ষানুৰাগী ৰাইজৰ পৰিশ্ৰম দান-বৰঙণি, ভ্ৰাম্যমাণ থিয়েটাৰ অনুষ্ঠিত কৰি পুঁজি সংগ্ৰহ আদিৰ দ্বাৰাও অনুষ্ঠানটি গঢ়ি তুলিবলৈ চেষ্টা কৰি প্ৰথমজনা সম্পাদক বিদ্যাধৰ খাওণ্ডৰ নেতৃত্বত পুৰণিগুদামত অসাধ্য সাধন হ'ল। সুদৃঢ় ভেটিত স্থাপিত হ'ল ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়।

এইজনেই হ'ল বিদ্যাধৰ খাওণ্ড যি স্বপ্নদ্ৰষ্টাই নাছিল, স্বপ্নক বাস্তৱত পৰিণত কৰিব পৰা স্ৰষ্টা বা খনিকৰ। এইজন সৃষ্টিশীল ব্যক্তিয়ে বিশেষকৈ শিক্ষাক্ষেত্ৰলৈ দিয়া অৱদানৰ কথা পুৰণিগুদামবাসীয়ে কেতিয়াও পাহৰিব নোৱাৰে।

পঞ্চাশৰ দশকৰ আৰম্ভণিতে পুৰণিগুদাম ৰাধাকান্ত বৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়খনি বৰ্তমানৰ ঠাইলৈ নিয়া হয়। প্ৰথম অৱস্থাত বাঁহ-বেতৰ ঘৰতেই শ্ৰেণীসমূহ আৰম্ভ হৈছিল। কিন্তু বিদ্যাধৰ খাওণ্ড সম্পাদকৰ দায়িত্ব লাভ কৰিয়েই সুবৃহৎ আৰু সুদৃশ্য এটি স্থায়ী ভৱন নিৰ্মাণ কৰি তেখেতৰ সৃষ্টিশীলতাৰ প্ৰমাণ দাঙি ধৰিছিল। এই বিদ্যালয়ৰ চৌপাশে তামোল, নাৰিকল আদি ফলদায়ক গছ ৰোৱাৰ উপৰিও শিশু, গমাৰি আদি গছ ৰোপণ কৰি বিদ্যালয়খনিক আশ্ৰম সদৃশ পৰিৱেশ গঢ়াৰ উপৰিও উপাৰ্জনৰ পথৰো সন্ধান দি থৈ গৈছে। তেখেতৰ নেতৃত্বত ৰোৱা সুকাঠী গছবোৰ বেচি পৰৱৰ্তী সময়ত বিদ্যালয়ৰ উন্নয়নৰ কাৰণে বহুত কাম কৰিব পৰা হৈছে। এজন ভৱিষ্যৎ দ্ৰষ্টা আছিল কাৰণেই তেখেতে ভৱিষ্যতৰ চিন্তা কৰিব পাৰিছিল।

১৯০৮ চনত পুৰণিগুদামৰ খাওণ্ডৰ চুকৰ এটা ঐতিহ্যমণ্ডিত বংশত বিদ্যাধৰ

খাওণ্ডে জন্ম লাভ কৰিছিল। তেওঁৰ পিতৃৰ নাম আছিল বংশীধৰ খাওণ্ড। সেই সময়ত সমাজৰ এজন নেতৃস্থানীয় মানুহ আছিল। সেই কাৰণেই ব্ৰিটিছ চৰকাৰে তেওঁক অবৈতনিক ডাৰোগা হিচাপে নিযুক্তি দিছিল। অবৈতনিক ডাৰোগাৰ দায়িত্ব আছিল অঞ্চলৰ শান্তি-শৃঙ্খলা অটুট ৰখাটো। আনহাতে অঞ্চলত এষাৰ প্ৰচলিত বাক্য আছিল 'বংশী মত আৰু জগন্নাথৰ খট।' অৰ্থাৎ অঞ্চলত কিবা আলোচনা হ'লে বংশীয়ে দিয়া মতৰ কোনো প্ৰতিবাদ নহৈছিল অৰ্থাৎ তেওঁৰ সিদ্ধান্তই সৰ্বসন্মতভাৱে গৃহত হৈছিল।

এনে এজন পিতৃৰ সান্নিধ্যত খাওণ্ডদেৱেও বহু কথা শিকিছিল আৰু পৰৱৰ্তী জীৱনত তেৱোঁ সমাজৰ এজন আগশাৰীৰ মানুহ হৈ পৰিছিল।

পুৰণিগুদামত তিনিটা শ্ৰেষ্ঠ অনুষ্ঠান হ'ল পুৰণিগুদাম ৰাধাকান্ত বৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়, ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয় আৰু পুৰণিগুদাম বাপুজী ভৱন আৰু পুথিভঁৰাল। এই তিনিটা অনুষ্ঠানতেই খাওণ্ডদেৱৰ অৱদান স্মৰণীয় হৈ আছে আৰু থাকিব। এই তিনিটা অনুষ্ঠানৰ লগতেই বিদ্যাধৰ খাওণ্ডৰ আত্মিক সম্পৰ্ক গঢ়ি উঠিছিল বুলিব পাৰি। ভীমকৰ্মা বিদ্যাধৰ খাওণ্ডদেৱে এই তিনিওটা অনুষ্ঠানক আজিৰ ৰূপত প্ৰতিষ্ঠা কৰিবৰ কাৰণে চেষ্টা কৰিছিল, সঁচা অৰ্থত তেওঁ আছিল ৰূপকাৰ।

১৯৬৪ চনত বিদ্যাধৰ খাওণ্ডদেৱে বাপুজী ভৱন আৰু পুথিভঁৰালৰ সভাপতিৰ দায়িত্ব গ্ৰহণ কৰে। ইতিমধ্যে সামাজিক কাম কৰি সৰ্বভাৰতীয় স্বীকৃতি লাভ কৰিবলৈ সক্ষম হোৱা বাপুজী ভৱন আৰু পুথিভঁৰালক গতিশীল কৰি তুলিবৰ কৰেণে তেখেতে আপ্ৰাণ চেষ্টা কৰিছিল। পুথিভঁৰালৰ প্ৰকৃত অৰ্থ কিতাপ আৰু বাতৰি কাকতৰ প্ৰয়োজনীয়তাৰ বাবে তেখেতে মৰ্মে মৰ্মে উপলব্ধি কৰিছিল।

ইতিমধ্যে ভাৰত চৰকাৰৰ অধীনত কেন্দ্ৰীয় সমাজ কল্যাণ ব'ৰ্ডৰ দ্বাৰা অনুমোদিত বাপুজী ভৱন আৰু পুথিভঁৰালৰ দ্বাৰা পৰিচালিত মাতৃমঙ্গল কেন্দ্ৰসমূহ কাৰ্যক্ষম কৰি তুলিবৰ কাৰণে তেখেতে বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰিছিল। কেন্দ্ৰসমূহত শিশু দিৱস উদ্‌যাপন কৰাটো বাধ্যতামূলক কৰিছিল। শিশুৰ শিক্ষা, শিশুৰ মানসিক আৰু বৌদ্ধিক বিকাশ, গৰ্ভাৱতী মহিলাক সহায়, সন্তান জন্মৰ সময়ত ছাত্ৰসকলে সহায় কৰা আদি কামবোৰ অতি নিয়াৰিকৈ চলি থকাটো তেওঁ সুনিশ্চিত কৰিছিল।

বিদ্যাধৰ খাওণ্ডদেৱ পুৰণিগুদাম বাপুজী ভৱন আৰু পুথিভঁৰালৰ সভাপতি হৈ থকা অৱস্থাতে কেন্দ্ৰীয় সমাজ কল্যাণ ব'ৰ্ডে এই অনুষ্ঠানলৈ এটি সংক্ষিপ্ত পাঠ্যক্ৰম

আঁচনি মঞ্জুৰ কৰিছিল। এই আঁচনি অনুসৰি নৱম, দশম শ্ৰেণীলৈকে পঢ়া ছাত্ৰীসকলক সংক্ষিপ্ত পাঠ্যক্ৰমৰ জৰিয়তে প্ৰৱেশিকা পৰীক্ষাত বহিবৰ কাৰণে উপযুক্ত কৰি তোলাৰ ব্যৱস্থা কৰা হৈছিল। বিভিন্ন অঞ্চলৰপৰা ছাত্ৰীসকলক ৰখাৰ কাৰণে হোষ্টেলৰ সুব্যৱস্থা কৰি উপযুক্ত শিক্ষক-শিক্ষয়িত্ৰী নিয়োগ কৰি ছাত্ৰীসকলক সহায় কৰা হৈছিল আৰু কেইবাগৰাকী ছাত্ৰীয়ে প্ৰবেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈছিল।

তেখেতৰ কাৰ্যকালতে শিশুৰ কাৰণে Holiday Campৰ ব্যৱস্থা কৰি গুৱাহাটী চহৰলৈ এটা দল পঠোৱা হৈছিল আৰু এই দলৰ ছাত্ৰ-ছাত্ৰীসকলে সেই শিবিৰত থাকি গীত-মাত পৰিৱেশন কৰি বহুতক সন্তোষ দিব পৰিছিল।

অসমৰ বিখ্যাত অভিনেতা তথা বিখ্যাত শিক্ষক ইন্দ্ৰেশ্বৰ বৰঠাকুৰদেৱৰ পুত্ৰ নীলৰঞ্জন বৰঠাকুৰদেৱ দীৰ্ঘ দিন ধৰি পুৰণিগুদাম উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক তথা অধ্যক্ষ হৈ আছিল। এখেত নিজে এজন সুঅভিনেতা হোৱাৰ উপৰিও এজন সংস্কৃতিপ্ৰেমী ব্যক্তি আছিল। তেখেতৰ নেতৃত্বতে সেই সময়ত পুৰণিগুদামত এটা সাংস্কৃতিক পৰিৱেশ গঢ়ি উঠিছিল বুলিব পাৰি। তেখেতৰ পৰিকল্পনা আৰু পৰিচালনাতে সেই সময়ত পুৰণিগুদামত কেইবাখনো নাটক মঞ্চস্থ হৈছিল আৰু অভিনেতাসকলৰ অভিনয়ে দৰ্শকক আমোদ দিছিল। সেই নাটকসমূহত প্ৰয়াত খাওণ্ডদেৱে বিভিন্ন চৰিত্ৰত সৰলতাৰে অভিনয় কৰি দৰ্শকৰ পৰা ভূয়সী প্ৰশংসা বুটলিবলৈ সক্ষম হৈছিল। অসমত বিখ্যাত নাট্যকাৰ প্ৰবীণ ফুকনদেৱৰ ‘মণিৰাম দেৱান’ নাটকৰ মূল ভূমিকাত অভিনয় কৰি তেখেত কৃতকাৰ্য হৈছিল। প্ৰয়াত নীলৰঞ্জন বৰঠাকুৰদেৱে নিজে ‘চাণক্য’ৰ চৰিত্ৰত অভিনয় কৰা ‘চন্দ্ৰগুপ্ত’ নাটকত খাওণ্ডদেৱে চেলিউকচৰ চৰিত্ৰত অভিনয় কৰিছিল। পুৰণিগুদামত এই নাটখন একাধিক বাৰ মঞ্চস্থ হৈছিল। এই নাটকৰ একক অভিনয়ত অসমৰ অন্যতম বিপ্লৱী মুক্তিযোদ্ধা লক্ষ্মীপ্ৰসাদ গোস্বামীদেৱে চন্দ্ৰগুপ্তৰ চৰিত্ৰত অভিনয় কৰিছিল। আমাৰ পৰম সৌভাগ্য সেই সময়ৰ অভিনেতাজনৰ অনবদ্য অভিনয় আমি স্বচক্ষে দেখিবলৈ পাইছিলোঁ। এই নাটকত বিখ্যাত মুক্তিযোদ্ধা নৰেন্দ্ৰ হাজৰিকা, শিক্ষাবিদ চাৰুচন্দ্ৰ গোস্বামী, শিক্ষক জয়নাথ গায়ন, হৰনাথ গায়ন, জিতেন হাজৰিকা আদি অভিনেতাসকলেও প্ৰাণভৰা অভিনয় কৰিছিল।

পাছলৈ বাপুজী ভৱন আৰু পুথিভঁৰালে মঞ্চস্থ কৰা সাৰদা বৰদলৈৰ বিখ্যাত নাটক ‘মগৰীবৰ আজান’ নাটকত সমাজৰ খেলুৱৈ হিচাপে এটি সৰু চৰিত্ৰত অভিনয় কৰা খাওণ্ডদেৱে পৃথুৰ ৰূপত অভিনীত কৰা, ‘ৰাজনটী’ নাটকত মন্দিৰ ৰখীয়াৰ

এটি সৰু চৰিত্ৰত খণ্ডেকৰ কাৰণে ভুমুকি মাৰি দৰ্শকক আপ্লুত কৰিছিল।

বৃহত্তৰ পুৰণিগুদাম অঞ্চলৰ দুজন মানুহৰ প্ৰতি পুৰণিগুদামবাসী এটা বিশেষ কথাৰ কাৰণে কৃতজ্ঞ হৈ থাকিব নিশ্চয়। তাৰে এজন হ'ল কলঙৰ উত্তৰ পাৰৰ পহুকটা পানীগাঁৱৰ সমাজসেৱক প্ৰয়াত বৃন্দা শইকীয়া আৰু আনজন পুৰণিগুদামৰ সমাজ জীৱনৰ লগত নিবিড়ভাৱে জড়িত বিদ্যাধৰ খাওণ্ডদেৱ। এই দুয়োজনেই পুৰণিগুদাম অঞ্চলৰ বহু নিবনুৱা ডেকাক চাকৰি প্ৰদান কৰি এটা সামাজিক দায়িত্ব পালন কৰিছিল। অসম আৰক্ষীৰ অনাতাঁৰ বিভাগৰ উচ্চ পদস্থ কৰ্মচাৰী বৃন্দা শইকীয়াই অঞ্চলৰ বহুত যুৱকক সেই বিভাগত চাকৰি প্ৰদান কৰি তেওঁলোকক অন্ন-সংস্থান দিছিল। আজি বহুতেই সেই বিভাগৰ উচ্চ পৰ্যায়লৈ উন্নীত হৈ অৱসৰ গ্ৰহণ কৰিছে। বিদ্যাধৰ খাওণ্ডদেৱেও অঞ্চলৰ বহু নিবনুৱাক ডাক বিভাগৰ বিভিন্ন পৰ্যায়ত চাকৰি দি সংস্থাপিত কৰিছিল। চাকৰি দি উৎকোচ গ্ৰহণৰ সুযোগ থকাৰ সত্বেও খাওণ্ডদেৱে চাকৰি বিনিময়ত কোনো উৎকোচ গ্ৰহণ কৰা নাছিল, কিন্তু প্ৰতিজনৰ পৰা পুৰণিগুদাম ৰাধাকান্ত বৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ নৱনিৰ্মিত ভৱনৰ কাৰণে দৰ্জা-খিৰিকী দান হিচাপে গ্ৰহণ কৰিছিল। তেনে চাকৰি লাভ কৰা লোকসকলে আনন্দ মনেৰে দিয়া দানৰ কথা এতিয়াও বিদ্যালয়খনত দুৱাৰ-খিৰিকীত জিলিকি আছে।

আৰম্ভণিতে চাহ বাগিচাত অলপ দিনৰ কাৰণে চাকৰি কৰি খাওণ্ডদেৱে ডাক-তাঁৰ বিভাগত যোগ দিয়ে। অসমৰ বিভিন্ন ঠাইত চাকৰি কৰি সৰহ সংখ্যক দিন নগাঁও সদৰ ডাকঘৰৰ পোষ্ট মাষ্টৰ হিচাপে কাৰ্যনিৰ্বাহ কৰি ১৯৭২ চনত সেই পদৰ পৰাই অৱসৰ গ্ৰহণ কৰে।

কৰ্মযোগীসকলৰ কাৰণে কামৰ অভাৱ নাথাকে। পুৰণিগুদামৰ যিটো বিষয়তে অভাৱ অনুভৱ কৰে, সেই অভাৱ দূৰ কৰিবৰ কাৰণে খাওণ্ডদেৱে দেহে-কেহে চেষ্টা কৰিছিল। এটা সময়ত পুৰণিগুদামত কিতাপ-কাগজৰ দোকান নাছিল। সাধাৰণ পাঠ্যপুথি এখন কিনিবৰ কাৰণে মানুহ নগাঁৱলৈ যাবলগীয়া হৈছিল আৰু নগাঁৱলৈ যোৱা মানে দিনটো খৰচ। এই অভাৱ দূৰ কৰিবৰ কাৰণে বোধহয় ১৯৫৬-৫৭ চনত খাওণ্ডদেৱে 'বীণা ষ্ট'ৰ' নামেৰে এখন কিতাপৰ দোকান আৰম্ভ কৰিছিল। পাঠ্যপুথি, বহী, কিতাপ, পেন্সিল, পেন আদি স্কুলৰ যাৱতীয় সামগ্ৰী যোগান ধৰাৰ এইখনেই প্ৰথম দোকান আছিল বুলিব পাৰি। আমাৰ দেউতাৰ লগত বন্ধুত্ব থকাৰ কাৰণে ১৯৫৭ চনত প্ৰৱেশিকা পৰীক্ষা দিয়াৰ পাছত আজৰি সময়ত সেই দোকানত থাকি সহায় কৰি দি আনন্দ পাইছিলোঁ।

পাছলৈ সেই দোকানৰ লগতে নিত্য ব্যৱহাৰ্য বস্তুৰ এটা শাখাও মুকলি কৰিছিল। কিন্তু চৰকাৰী কামৰ লেঠা আৰু সামাজিক কামৰ দায়িত্বৰ কাৰণেই কেইবছৰমান পাছত সেই দুয়োখন দোকানেই বন্ধ হৈছিল। তেখেতে আৰম্ভ কৰা 'ধানকল'টোৰ অৱস্থাত একেই হ'ল।

আচলতে বিদ্যাধৰ খাওণ্ড আছিল এজন কৰ্মঠ মানুহ। নিজৰ ভৰিত নিজে থিয় দিব পৰা শক্তি থকা আৰু আনহাতে দৃঢ়মনা আছিল কাৰণেই তেওঁ কাৰো সমালোচনালৈ কেৰেপ নকৰি যি কামতেই হাত দিছিল তাক সম্পূৰ্ণ কৰি তুলিবলৈ চেষ্টা কৰিছিল। সেই কাৰণেই তেখেতে সকলো কামতে কৃতকাৰ্যতা লাভ কৰিছিল।

পুৰণিগুদাম এখন সৰু ঠাই— এই সৰু ঠাইখনৰ তিনিটা মহৎ অনুষ্ঠান পুৰণিগুদাম ৰাধাকান্ত বৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়, পুৰণিগুদাম ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয় আৰু পুৰণিগুদাম বাপুজী ভৱন আৰু পুথিভঁৰালৰ ইতিহাসত তেখেতৰ নাম নিশ্চয় স্বৰ্ণাক্ষৰে লিখা থাকিব, তাত কাৰো বিমত থাকিব নোৱাৰে।

আজিৰ এই সোঁৱৰণী অনুষ্ঠানত তেখেতৰ সান্নিধ্যৰে ধন্য হ'বলৈ পোৱাৰ কথা সুঁৱৰি গৌৰৱবোধ কৰাৰ লগতে সৃজনীশীল প্ৰতিভাৰ গৰাকীজনালৈ শ্ৰদ্ধা নিৱেদন কৰিলোঁ।

*লেখক পুৰণিগুদাম ৰাধাকান্ত বৰুৱা উচ্চতৰ মাধমিক বিদ্যালয়ৰ প্ৰাক্তন উপাধ্যক্ষ আৰু বিশিষ্ট সাহিত্যিক*

# বিদ্যানুৰাগী বিদ্যাধৰ খাওণ্ডদেৱ আৰু ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়

ড° ভূপেন শইকীয়া

*'মৃত্যুৰ লগে লগে যদি সোঁৱৰণিৰ গৰ্ভত লীন যাব বিচৰা নহয় তেন্তে আনে পঢ়াৰ যোগ্য কিবা লিখি থৈ যাব লাগে নতুবা আনে লিখিব পৰা কিছু কাম কৰিব লাগে।'*

পুৰণিগুদামৰ সুসন্তান শিক্ষানুৰাগী বিদ্যাধৰ খাওণ্ডদেৱে এনে কিছু গঠনমূলক কাম কৰি থৈ গ'ল, যাৰ বাবে মৃত্যুৰ দুকুৰি বছৰৰ পিছতো অঞ্চলটোৰ সকলোৱে শ্ৰদ্ধাৰে সুঁৱৰিছে আৰু হয়তো অনাগত বহু বছৰলৈ সুঁৱৰিব। জীৱনকালত সিংহপুৰুষ খাওণ্ডদেৱে শিক্ষাৰ প্ৰসাৰৰ হকে যি অহোপুৰুষাৰ্থ কৰিলে, তাৰ বাবে পুৰণিগুদামবাসীৰ ওচৰত চিৰনমস্য হৈ ৰ'ব। প্ৰয়াত খাওণ্ডদেৱ আছিল পুৰণিগুদাম অঞ্চলৰ এগৰাকী পুৰোধা ব্যক্তি, নিঃস্বাৰ্থ সমাজকৰ্মী আৰু দক্ষ সংগঠক। বিদ্যানুৰাগী খাওণ্ডদেৱৰ অক্লান্ত প্ৰচেষ্টাত গঢ় লৈ উঠিছিল। ৰাধাকান্ত বৰুৱা উচ্চ মাধ্যমিক বিদ্যালয় আৰু ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়। খাওণ্ডদেৱ আছিল ৰাধাকান্ত বৰুৱা উচ্চ মাধ্যমিক বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সম্পাদক। বিদ্যালয়খন ১৯৪৮ চনত পূৰ্বৰ স্থানৰ পৰা উঠাই নি ৰে'ল ষ্টেশ্যনৰ ওচৰত প্ৰতিষ্ঠা কৰাৰ পাছৰে পৰা খাওণ্ডদেৱে সম্পাদকৰ দায়িত্ব বহন কৰে। তেখেতৰ গতিশীল আৰু সবল নেতৃত্বত বিদ্যালয়খন জাকত জিলিকা হৈ পৰে। ভৱন নিৰ্মাণকে ধৰি চৌহদত বৃক্ষৰোপণ কৰালৈকে সকলো

কামতে এনেদৰে ওতপ্ৰোতভাৱে জড়িত হৈ পৰিছিল, যাৰ বাবে বিদ্যালয়খন কম সময়তে সৰ্বাঙ্গসুন্দৰ হৈ উঠিছিল। এইখন বিদ্যালয়েই এতিয়া উচ্চতৰ মাধ্যমিক স্তৰলৈ উন্নীত হৈছে আৰু সুনাম অৰ্জন কৰিছে।

বিদ্যানুৰাগী খাওণ্ডদেৱে বিদ্যালয় প্ৰতিষ্ঠাতে ক্ষান্ত নাথাকি পুৰণিগুদামত এখন মহাবিদ্যালয় প্ৰতিষ্ঠাৰ কথা চিন্তা কৰে। দূৰদৰ্শী খাওণ্ডদেৱে ১৯৬২ চনৰ অসম বিধান সভাৰ নিৰ্বাচনৰ পূৰ্বে বিষয়টো প্ৰথমতে পোহৰলৈ আনে। এই উদ্দেশ্য ১৯৬১ চনৰ ১০ ডিচেম্বৰ তাৰিখে ৰাধাকান্ত বৰুৱা উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰাঙ্গণত এখন ৰাজহুৱা সভা আহ্বান কৰে। এই সভাতে মহাবিদ্যালয় প্ৰতিষ্ঠা কৰাৰ বিষয়টো উত্থাপিত হয়। সভাত উপস্থিত থকা চামগুৰি সমষ্টিৰ প্ৰাৰ্থী দেৱকান্ত বৰুৱাদেৱে প্ৰস্তাৱিত মহাবিদ্যালয়খনিৰ বাবে পাঁচ হাজাৰ টকা আগবঢ়ায়। ইয়াকে মূলধন কৰি খাওণ্ডদেৱে উচ্চ মাধ্যমিক বিদ্যালয়ৰ পশ্চিম দিশত অৱস্থিত পুৰণি খেলপথাৰৰ এমূৰে প্ৰস্তাৱিত মহাবিদ্যালয়ৰ এটি কাৰ্যালয়ৰ ঘৰ স্থাপন কৰে যদিও বিভিন্ন অসুবিধাবশতঃ কামত অগ্ৰগতি লাভ কৰিব পৰা নাছিল। প্ৰায় তিনিবছৰৰ পিছত ১৯৬৪ চনৰ ১৮ এপ্ৰিল তাৰিখে পুনৰ এখন সভা অনুষ্ঠিত হয়। এই সভাতে মহাবিদ্যালয়খন অসমৰ এগৰাকী সুসন্তান, সাহিত্যিক, লোক-সংস্কৃতিৰ পথিকৃৎ, শিক্ষাবিদ ড° বিৰিঞ্চিকুমাৰ বৰুৱাৰ নামেৰে নামকৰণ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। ইয়াৰ পিছতে যুদ্ধকালীন ক্ষিপ্ৰতাৰে ধন সংগ্ৰহ অভিযান চলোৱা হয়। পুৰণিগুদাম মূলতঃ এক কৃষি প্ৰধান অঞ্চল। নগাঁও নগৰৰ পৰা প্ৰায় তেৰ কিলোমিটাৰ আঁতৰত অৱস্থিত পুৰণিগুদামৰ এক গ্ৰাম্য পৰিৱেশত মহাবিদ্যালয় প্ৰতিষ্ঠাৰ বাবে প্ৰয়োজনীয় অৰ্থ সংগ্ৰহ কৰাটো সহজ কথা নাছিল। কিন্তু প্ৰতিষ্ঠাপক সম্পাদক খাওণ্ডদেৱৰ আশাশুধীয়া প্ৰচেষ্টা আৰু বলিষ্ঠ নেতৃত্বত অসম্ভৱ কাৰ্য সম্ভৱ হৈ উঠে। ৰাধাকান্ত বৰুৱা উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক ঁনীলৰঞ্জন বৰঠাকুৰ, ঁবলদেৱ গোস্বামী, ঁআহাদুৰ ৰহমান, ঁহৰ গায়ন, জাফৰুদ্দিন আহমেদ, ঁচুচেন্দ্ৰ নাথ বৰুৱা আদি অনেক লোকৰ অক্লান্ত পৰিশ্ৰম আৰু ৰাইজৰ অকুণ্ঠ সহায়-সহযোগত খাওণ্ডদেৱৰ স্বপ্ন বাস্তৱত পৰিণত হয়।

১৯৬৭ চনৰ ৩০ জুলাই তাৰিখে ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়ৰ শুভাৰম্ভ হয়। প্ৰথমগৰাকী অধ্যক্ষ হিচাপে যোগদান কৰে পশ্চিমবঙ্গৰ হুগলীৰ সৌবিন্দ্ৰ নাথ মজিন্দাৰদেৱে। তেখেতে বাপুজী ভৱন আৰু পুথিভঁৰালত অস্থায়ীভাৱে প্ৰাক্ বিশ্ববিদ্যালয় শ্ৰেণী আৰম্ভ কৰে। প্ৰতিষ্ঠাৰ সময়ত পূৰ্ণকালীন প্ৰৱক্তা আছিল প্ৰণৱ কুমাৰ বৰা (অসমীয়া), প্ৰদীপ কুমাৰ শইকীয়া (ৰাজনীতি বিজ্ঞান), আৰু লখিমী

শইকীয়া (শিক্ষা)। অংশকালীন প্রবক্তা আৰু টিউটৰ হিচাপে শিক্ষাদান কৰিছিল ক্রমে শ্ৰীবাপন চন্দ্ৰ বৰুৱা (বুৰঞ্জী), সুৰেন্দ্ৰ নাথ কলিতা, (অৰ্থনীতি), চন্দ্ৰকান্ত শৰ্মাদেৱে (ইংৰাজী)।

পাঁচজন ছাত্ৰ আৰু ছয়গৰাকী শিক্ষকৰে আৰম্ভ হোৱা মহাবিদ্যালয়খনিয়ে দুকুৰি পাঁচটা বছৰ গৰকিছে। এই দীঘলীয়া সময়ছোৱাত মহাবিদ্যালয়খনিলৈ দ্ৰুত নহ'লেও চকুত লগা পৰিৱৰ্তন আহিছে। পূৰ্বৰ উচ্চ মাধ্যমিক বিদ্যালয়ৰ খালী হৈ থকা ২.২ একৰ মাটিত স্থায়ী ভৱন হৈছে। মাত্ৰ তিনিটা কোঠাৰে আৰম্ভ কৰা মহাবিদ্যালয়খনত এতিয়া প্ৰয়োজন সংখ্যক শ্ৰেণীকোঠা, তিনিকোঠলীয়া কাৰ্যালয়, ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকৰ বাবে সুকীয়া জিৰণি কোঠা, সুকীয়া বিভাগীয় কোঠা, পৰীক্ষাগাৰ, কুৰিটা কম্পিউটাৰযুক্ত ৰিমোট্ চেন্‌চিং আৰু লেংগুৱেজ লেবৰেটৰী, বিনামূলীয়া কম্পিউটাৰ শিক্ষাৰ বাবে দহটা কম্পিউটাৰযুক্ত নেটৱৰ্ক ৰিচোৰ্চ চেণ্টাৰ, প্ৰায় বাৰ হাজাৰ গ্ৰন্থৰে সমৃদ্ধ উন্নত পুথিভঁৰাল গঢ় লৈ উঠিছে। ইয়াৰ উপৰিও নিৰ্মাণ কৰা হৈছে ছাত্ৰ নিৱাস, প্ৰেক্ষাগৃহ, ব্যায়ামাগাৰ, কেণ্টিন আৰু অধ্যক্ষ, চকিদাৰৰ আৱাস। মহাবিদ্যালয়ত স্থাপন কৰা প্ৰয়োজনীয় সা-সঁজুলিযুক্ত পূৰ্ণ পৰ্যায়ৰ ব্যায়ামাগাৰত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ উপৰিও স্থানীয় যুৱকসকলে শৰীৰ চৰ্চাৰ সুবিধা পাইছে। পৰ্যাপ্ত ক্ৰীড়া সামগ্ৰীৰ যোগান ধৰাৰ লগতে বাস্কেট বলৰ কোৰ্টৰ (ফ্লাড লাইট সহ) নিৰ্মাণৰ কামো চলি আছে।

বৰ্তমান প্ৰায় সাতশ ছাত্ৰ-ছাত্ৰীয়ে অধ্যয়ন কৰি থকা মহাবদ্যিালয়ত আঠটা বিষয়ত গুৰু পাঠ্যক্ৰম সহ পাঠদান কৰাৰ উপৰিও ২০০৭-০৮ শিক্ষাবৰ্ষৰ পৰা Fashion, Textile and Interior Designing এবছৰীয়া চাৰ্টিফিকেট কোৰ্চ চলাই থকা হৈছে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনৰ দূৰ আৰু মুক্ত শিক্ষা IDOL আৰু কৃষ্ণকান্ত সন্দিকৈ মুক্ত বিশ্ববিদ্যালয়ৰ অধ্যয়ন কেন্দ্ৰৰ জৰিয়তে বহু ছাত্ৰ-ছাত্ৰীয়ে স্নাতকোত্তৰ আৰু স্নাতক শিক্ষা লাভ কৰাৰ সুবিধা ল'ব পাৰিছে। ইয়াৰ উপৰিও চলিত বৰ্ষৰ পৰা Diploma in Elementory Educationৰ দুবছৰীয়া প্ৰশিক্ষণ কেন্দ্ৰ টেট (TET) উত্তীৰ্ণ শিক্ষক-শিক্ষয়িত্ৰীৰ বাবে আৰম্ভ কৰা হৈছে। প্ৰায় এশগৰাকী প্ৰশিক্ষাৰ্থীয়ে এই কেন্দ্ৰৰ জৰিয়তে প্ৰশিক্ষণ লৈ আছে। কলা-সংস্কৃতিৰ উন্নতিৰ বাবে মহাবিদ্যালয়ত এখনি সংগীত বিদ্যালয় (Ecstasy Music School) চলাই থকা হৈছে। এন চি চি আৰু স্কাউট এণ্ড গাইডচ্‌ৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলে নিজকে প্ৰস্তুত কৰি তোলাৰ সুবিধা পাইছে। ইয়াৰ উপৰিও কেৰিয়াৰ গাইডেন্স চেল, 'এণ্টাৰপ্ৰেনিওৰশ্বিপ চেল' এন এচ এচ আৰু যোগকেন্দ্ৰৰ জৰিয়তে সা-সুবিধা আগবঢ়োৱা হৈছে। বিগত বৰ্যত

'এণ্টাৰপ্ৰেনিওৰশ্বিপ চেল'ৰ উদ্যোগত বিনামূলীয়াকৈ প্ৰদান কৰা 'টেট' (TET) পৰীক্ষাৰ কোচিঙৰ দ্বাৰা উপকৃত হৈ প্ৰায় চৈধ্যগৰাকীয়ে শিক্ষকৰ চাকৰি পাবলৈ সক্ষম হৈছে।

মহাবিদ্যালয়ৰ পৰা নিয়মীয়াকৈ আলোচনী, খবৰনামা (Annual bulletin) প্ৰকাশ কৰাৰ উপৰিও ৬ খন মূল্যবান গ্ৰন্থ প্ৰকাশ কৰা হৈছে। প্ৰতি দুবছৰৰ মূৰে মূৰে ড° বিৰিঞ্চিকুমাৰ বৰুৱা স্মাৰক বক্তৃতা অনুষ্ঠিত কৰি শিক্ষা-সংস্কৃতিৰ দিশত গভীৰ আলোকপাত কৰাৰ প্ৰয়াস কাৰ হৈছে। শিক্ষাৰ উপৰিও ক্ৰীড়া, সঙ্গীত, নাটক আদিত ছাত্ৰ-ছাত্ৰীসকলে সুনাম অৰ্জন কৰি মহাবিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই আনিছে। অনাগত চাৰিটা বছৰৰ পিছত মহাবিদ্যালয়খনিয়ে সোণালী জয়ন্তী বৰ্ষত ভৰি দিব। এই লক্ষ্য আগত ৰাখি আগবাঢ়ি যোৱাৰ চিন্তা কৰা হৈছে। মহাবিদ্যালয়খনিত স্নাতকোত্তৰ ডিগ্ৰী আৰম্ভ কৰাৰ আশা কৰা হৈছে। বিগত সময়ছোৱাত মহাবিদ্যালয়ে যথেষ্ট অগ্ৰগতি লাভ কৰিছে যদিও আশানুৰূপ বুলি ক'ব নোৱাৰি। এখন সৰ্বাঙ্গসুন্দৰ উচ্চ শিক্ষাৰ অনুষ্ঠান হিচাপে মহাবিদ্যালয়খনিক গঢ় দিব পাৰিলেহে বিদ্যাধৰ খাওণ্ডদেৱৰ প্ৰতি প্ৰকৃত শ্ৰদ্ধাঞ্জলি জনোৱা হ'ব। ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী, অভিভাৱক, প্ৰাক্তন ছাত্ৰ-ছাত্ৰী আৰু স্থানীয় ৰাইজৰ ঐকান্তিক প্ৰচেষ্টাত তেখেতৰ স্বপ্ন নিশ্চয় দিঠকত পৰিণত হ'ব। ■

*লেখক পুৰণিগুদাম ড° বিৰিঞ্চি কুমাৰ বৰুৱা মহাবিদ্যালয়ৰ বৰ্তমানৰ অধ্যক্ষ*



পৰিয়াল আৰু আত্মীয়-কুটুম্বৰ সৈতে খাওণ্ডদেৱ (থিয় হৈ তৃতীয় শাৰীৰ বাওঁফালৰ পৰা চতুৰ্থজন)




ডেকা উদ্যমী বিদ্যাধৰ খাওণ্ডদেৱ



পত্নীৰ সৈতে খাওণ্ডদেৱ



বিদ্যাধৰ খাওণ্ডদেৱৰ বাসস্থান (খাওণ্ডচুক)




খাওণ্ডদেৱৰ সপোনৰ অনুষ্ঠান পুৰণিগুদামৰ 'বাপুজী ভৱন আৰু পুথিভঁৰাল'ৰ পৰিপূৰ্ণ ৰূপ





খাওণ্ডদেৱৰ এটি সপোনৰ পূৰ্ণাঙ্গ ৰূপ— পুৰণিগুদাম ৰাধাকান্ত বৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়





পুৰণিগুদামত খাওণ্ডদেৱৰ উচ্চ শিক্ষা বিস্তাৰ-সপোনৰ সাৰ্থক ৰূপ —ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়